● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**



সৃষ্টিমূলক সক্ৰিয়তাক এক ধৰণৰ শিক্ষালাভৰ প্ৰক্ৰিয়া বুলি ক'ব পাৰি, কাৰণ তেতিয়া একেজন ব্যক্তিৰ মাজত এজন শিক্ষক আৰু এজন ছাত্ৰ একে সময়তে সক্ৰিয় হৈ থাকে।

আৰ্থাৰ কোৰেষ্টলাৰ
*বিখ্যাত লেখক-সাংবাদিক*

www.dainikagradoot.in

৫ পুটিনৰ দুই কন্যাৰ বিৰুদ্ধে নিষেধাজ্ঞা আমেৰিকাৰ
১৫ বেনজেমাৰ হেট্ৰিক, ৰিয়ানৰ জয়
৪ ঈশ্বৰ নথকাৰ প্ৰমাণ
মিছা ধৰাৰ যন্ত্ৰ আৰু ৰাজনীতি


RNI-Regd No. 62953/96 ■সপ্তবিংশতিতম বছৰ ● ১৭৯তম সংখ্যা ● গুৱাহাটী ● শুকুৰবাৰ ২৪ চ'ত ১৪২৮ ভাস্কৰাব্দ ৮ এপ্ৰিল ২০২২ চন ■DAINIK AGRADOOT ● Guwahati ● Friday 8 April 2022 মূল্য ঃ ৯.০০ টকা




## ফৰাচী বিপ্লৱৰ প্ৰাসংগিকতা

দেশ-কাল-সমাজ

ড° দীনেশ বৈশ্য



**এতিয়া** দেশে দেশে ফৰাচী বিপ্লৱৰ দৰে জনতাৰ বিপ্লৱ আৰম্ভ হৈছে। ফৰাচী বিপ্লৱ মানৱ সভ্যতাৰ অন্যতম ডাঙৰ ঘটনা আছিল। ফৰাচী বিপ্লৱ আছিল অত্যাচাৰী শাসকৰ বিৰুদ্ধে সাধাৰণ জনতাৰ বিক্ষোভৰ ফল। কি কি কাৰণত আজিৰ পৰা প্ৰায় পাঁচশ বছৰ আগতে ফৰাচী বিপ্লৱ হৈছিল, সেই কাৰণবিলাক এতিয়াৰ পৃথিৱীৰ বহু দেশত স্পষ্ট হৈছে। ফৰাচী বিপ্লৱৰ প্ৰধান কাৰণকেইটা যি যি আছিল, সেইবোৰ ঘটনা *১০ পৃষ্ঠাত চাওক*

■ আৰক্ষী বিষয়াই বেটেলিয়নৰ পৰা ল'ৰা আনি ঘৰত পানী অনা-বজাৰ কৰা কামত ব্যৱহাৰ কৰাৰ অভিযোগ ঃ মুখ্যমন্ত্ৰী ■ ব্যৱহাৰ কৰিলে নিজ পকেটৰ পৰা দৰমহা দিব লাগিব বিষয়াই

# পিএছঅ' ঃ কঠোৰ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ



*বাসন্তী পূজাত সেৱা জনালে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই, নলবাৰী জিলাৰ চান্দকুছিত বৃহস্পতিবাৰে।*

■ বিষয়াৰ স'তে বেটেলিয়নৰ জোৱানৰ নিয়োগ সন্দৰ্ভত ১০ দিনৰ ভিতৰত চাৰ্টিফিকেট বিচাৰিলে ■ নীতি বহিৰ্ভূতভাৱে জোৱান ব্যৱহাৰ হোৱা নাই বুলি লিখিত দিব লাগিব ■ জৰুৰীৰূপে গণ্য কৰিবলৈ নিৰ্দেশ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৭ এপ্ৰিল ঃ** শীৰ্ষ আৰক্ষী বিষয়াসকলৰ স'তে ব্যক্তিগত দেহৰক্ষী (পিএছঅ')ৰূপে নিয়োজিত বেটেলিয়নৰ জোৱানসকলক মৰ্যাদাহানিকৰ কাম-কাজত খটুওৱাৰ অভিযোগ দীৰ্ঘদিনীয়া। বিভিন্ন ঘৰুৱা কাম-বনকে ধৰি ব্যক্তিগত কামত পি এছঅ'সকলক একাংশ শীৰ্ষ বিষয়াই ব্যৱহাৰ কৰাই নহয়, তেওঁলোকৰ স'তে ব্যৱহাৰো মৰ্যাদাসুলভ নহয় বুলি সময়ে সময়ে চৰ্চিত হৈ আহিছে। ভাত ৰন্ধা, কাপোৰ ধোৱা, বজাৰ কৰা, সন্তানক বিদ্যালয়ৰ পৰা অনা-নিয়া কৰাকে ধৰি বিভিন্ন কামত ব্যক্তিগত দেহৰক্ষীক ব্যৱহাৰ কৰি অহা একাংশ আৰক্ষী বিষয়াৰ সান্দহ খোৱা বালি তল যোৱাৰ উপক্ৰম হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ শেহতীয়া নিৰ্দেশে পি এছ অ'ক ব্যক্তিগত কামত ব্যৱহাৰৰ দীৰ্ঘদিনীয়া ব্যৱস্থা বন্ধ কৰিব বুলি আশা কৰা হৈছে। মুখ্যমন্ত্ৰী শৰ্মাই শেহতীয়াভাৱে এই ক্ষেত্ৰত কঠোৰ দৃষ্টিভংগী গ্ৰহণ কৰি নিৰ্দেশ দিয়ে যে এতিয়াৰে পৰা আৰক্ষী বিষয়াই পি এছ অ'ক ব্যক্তিগত কামত ব্যৱহাৰ কৰিব নোৱাৰিব। এই নিৰ্দেশত কোৱা হৈছে যে বিভিন্ন পৰ্যায়ৰ আৰক্ষী বিষয়াই *আঠ পৃষ্ঠাত চাওক*

## কণ্টেইনাৰত খুন্দিয়াই থিতাতে মৃত্যু একে গাঁৱৰে তিনি যুৱকৰ

মটৰ চাইকেল দুৰ্ঘটনা



**অগ্ৰদূত বাৰ্তা**

**চাপৰ, ৭ এপ্ৰিল ঃ** যোৱা নিশা সংঘটিত এক ভয়াৱহ তথা শোকাৱহ দুৰ্ঘটনাই জোঁকাৰি গ'ল সমগ্ৰ চাপৰ অঞ্চলক। এই দুৰ্ঘটনাত থিতাতে নিহত *১০ পৃষ্ঠাত চাওক*

■ উদগনিমূলক চৰকাৰী সাহায্যত অনিয়মৰ অভিযোগত মুখ্যমন্ত্ৰীৰ সকীয়নি ■ আঠ কোটি টকাৰ সাংস্কৃতিক প্ৰকল্প উদ্বোধন নলবাৰীত

## অযোগ্য বিহু কমিটীয়ে সাহায্য লাভ কৰিলে সেয়া ঘূৰাই দিব লাগে ঃ শৰ্মা

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ৭ এপ্ৰিল ঃ** 'বিহু কমিটীসমূহক দিবলগীয়া চেকসমূহ সকলো জিলাৰ উপায়ুক্তসকলে নিজে স্বাক্ষৰ কৰি গ্ৰহণ কৰিছে। কোনোবা বিহু সমিতিৰ ওপৰত সন্দেহ থাকিলে চেক দিব নালাগে।' নলবাৰীত আজি এই মন্তব্য কৰিলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। ব'হাগৰ প্ৰথম সাত দিনত বিহু পালন কৰি অহা একাংশ ৰঙালী বিহু উদযাপন সমিতিক ৰাজ্য চৰকাৰৰ তৰফৰ পৰা প্ৰদান কৰা উদগনিমূলক সাহায্য বিতৰণত ব্যাপক খেলিমেলি হোৱাৰ অভিযোগ উঠিছে। এই অভিযোগৰ সন্দৰ্ভতে নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰি *১০ পৃষ্ঠাত চাওক*

## অনিমেষ ভূঞাৰ হত্যাৰ বিচাৰ প্ৰক্ৰিয়া আৰম্ভ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ৭ এপ্ৰিল ঃ** সমগ্ৰ ৰাজ্য কঁপাই যোৱা ছাত্ৰনেতা অনিমেশ ভূঞাৰ নৃশংস হত্যাকাণ্ডৰ বিচাৰ প্ৰক্ৰিয়া যোৰহাট জিলা আৰু সত্ৰ ন্যায়াধীশৰ *১০ পৃষ্ঠাত চাওক*

■ কেইদিনমান পাছত কংগ্ৰেছ নিজে মৰিব, যুঁজি শক্তি ক্ষয় নকৰো ■ দিল্লী-অসমত কংগ্ৰেছৰ নেতৃত্বৰ সলনিৰ যুক্তি প্ৰাক্তন মন্ত্ৰী মাঝিৰ

## ইউডিএফক উৎখাতৰ বাবে ১৫ টা সমষ্টিত কংগ্ৰেছৰ বিশেষ কাৰ্যসূচী

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৭ এপ্ৰিল ঃ** নিজৰ সভাপতিত্বৰ কালত এআইইউডিএফৰ লগত আৰু কোনো দিনে কংগ্ৰেছৰ সমন্বয় নহয় বৰঞ্চ বদৰুদ্দিন আজমলৰ দলটোক প্ৰতিহত কৰাৰ অভিযানহে তীব্ৰতৰ হ'ব বুলি আজি প্ৰকাশ কৰে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই। ইয়াত সাংবাদিকৰ আগত বৰাই কয় যে এই *১০ পৃষ্ঠাত চাওক*



## একে নিৰ্দেশতে নখন জিলাৰ আৰক্ষী অধীক্ষক বদলি

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৭ এপ্ৰিল ঃ** ৰাজ্যৰ নখন জিলাৰ আৰক্ষী অধীক্ষকক আজি বদলি কৰা হয়। জিলাকেইখন হ'ল শোণিতপুৰ, চৰাইদেউ, শিৱসাগৰ, যোৰহাট, শদিয়া, দৰং, নগাঁও, বিশ্বনাথ আৰু *১০ পৃষ্ঠাত চাওক*

## ভুৱা তথ্যৰে কংগ্ৰেছক হেয় কৰাৰ অভিযোগ

## কৰিমুদ্দিনলৈ আইনী জাননী প্ৰেৰণ দেৱব্ৰত শইকীয়াৰ

উত্তৰ নিদিলে দেৱানী-ফৌজদাৰী গোচৰ তৰিব

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৭ এপ্ৰিল ঃ** এআইইউডিএফৰ বিধায়ক কৰিমুদ্দিন বৰভূঞাৰ বিৰুদ্ধে আইনী জাননী প্ৰেৰণ কৰিছে কংগ্ৰেছ বিধায়িনী দলৰ নেতা দেৱব্ৰত *১০ পৃষ্ঠাত চাওক*

যৌনকৰ্মীৰ মহিলা দালালে বুকিং কৰিছিল হোটেল ৰাজ পেলেচ ঃ ওৰে নিশা নিচাৰ পাৰ্টি

ধ্ৰুৱজ্যোতিৰ মৃত্যুৰ পাছত পলায়ন কে'বাজনৰ

## পৌৰ নিগমৰ অনুজ্ঞাপত্ৰ অবিহনেই আৰম্ভ কৰিছিল হোটেল, জেললৈ চাৰি



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৭ এপ্ৰিল ঃ** অসম আৰক্ষীৰ ড্ৰাগছ বিৰোধী অভিযানৰ মাজতে স্বয়ং মহানগৰীতে উভৈনদী আৰু সহজলভ্য গাঞ্জা অত্যধিক সেৱনৰ ফলত হাতীগাঁৱৰ সিজুবাৰীস্থিত হোটেল ৰাজ পেলেচত ধ্ৰুৱজ্যোতি ডেকা নামৰ এজন ২৩ বছৰীয়া যুৱকৰ মৃত্যু হয়। তাৎপৰ্যপূৰ্ণ যে কালি পুৱা হোটেল ৰাজ পেলেচৰ ১০৮ নম্বৰ কোঠালিৰ পৰা উদ্ধাৰ কৰা *১০ পৃষ্ঠাত চাওক*

■ আবেগিক পৰিৱেশত ভায়োলেট মানৱী মেগগ্ল'থলেন হৈ ৰাওনা হ'ল বিদেশলৈ

## অসম এৰি আমেৰিকাৰ বাসিন্দা হ'ল বিশেষভাৱে সক্ষম ডেৰ বছৰীয়া কন্যা



**■ কিশোৰ কুমাৰ কলিতা**

**নলবাৰী, ৭ এপ্ৰিল ঃ** বিধাতাই কাৰ কপালত কি লিখে কোনেও নাজানে। তদুপৰি মানুহৰ ভাগ্যৰ চকৰি কাৰ কেতিয়া কেনেদৰে ঘূৰে সেয়াও কোনেও নিৰ্ধাৰণ কৰিব নোৱাৰে। বিধাতাই কাৰ দুৰ্ভগীয়া জীৱন সৌভাগ্যশালী কৰে কোনেও নাজানে। তাৰে এক বাস্তৱ তথা শাশ্বত ঘটনাই এতিয়া সকলোৰে চৰ্চাৰ বিষয় হৈ পৰিছে। বিধাতাৰ সুদৃষ্টিৰ বাবেই এক *আঠ পৃষ্ঠাত চাওক*

## শ শ হেক্টৰ নহৰু খেতি নষ্ট ঃ সৰিয়হ-আলু-পিঁয়াজৰ খেতিও বুৰিল

চ'তমহীয়া আবতৰীয়া বানে ডুবালে ধেমাজিক

**ধেমাজি, ৭ এপ্ৰিল ঃ** চ'তমহীয়া আবতৰীয়া বানে ডুবাইছে ধেমাজিক। ফলত নষ্ট হৈছে শ শ হেক্টৰ ভূমিৰ নহৰু খেতি। ব্ৰহ্মপুত্ৰ আৰু লালী নৈৰ পাৰত কৃষকে শৰীৰৰ ঘাম মাটিত পেলাই নহৰু খেতি কৰিছিল নিজৰ গাঁঠিৰ ধন ভাঙি। তজবজীয়া হৈ আহিছিল সেই খেতি। *১০ পৃষ্ঠাত চাওক*


## ন্যায়ালয়ে জব্দ কৰা ভূমিত গৃহ নিৰ্মাণ-শিলৰ কুৰেৰী নগাৰ

**অগ্ৰদূত বাৰ্তা**

**মেৰাপানী, ৭ এপ্ৰিল ঃ** অসম-নগালেণ্ড সীমান্তৰ 'ডি' ছেক্টৰৰ মেৰাপানীৰ চন্দনপুৰত উচ্চ ন্যায়ালয়ে জব্দ কৰা ভূমি নগাই বেদখল কৰা *১০ পৃষ্ঠাত চাওক*

**মাহে ৰমজান**

ইফটাৰ
আজি আবেলি ঃ ৫.৪৩ বজা
ছেহেৰী
কাইলৈ পুৱা ঃ ৩.৪৬ বজা
* গুৱাহাটীৰ সময়



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৯° | ২১° |
| ডিব্ৰুগড় | ২৪° | ১৯° |
| দিল্লী | ৪১° | ২৩° |
| কলকাতা | ৩৪° | ২৬° |
| মুম্বাই | ৩৩° | ২৭° |
| চেন্নাই | ৩৩° | ২৭° |
| বাংগালুৰু | ৩৫° | ২০° |
| শ্বিলং | ২৩° | ১৫° |

*৭ এপ্ৰিল, ২০২২*

**চেঙা তেল**



*আমাৰ এই হুংকাৰৰ পাছতো যদি তেওঁলোকে দাবী মানি নলয় তেন্তে আমি কিন্তু আৰু বেছি হুংকাৰ দিম!*

■ ভাৰতীয় জৰীপ বিভাগৰ দলৰ কাম আৰম্ভ ■ জুলাইত দ্বিতীয় পৰ্যায়ৰ আলোচনা ■ চুক্তিৰ বিপৰীতে সীমান্তত আবেগৰ প্ৰভাৱ

## স্পৰ্শকাতৰ পৰিৱেশত নতুন সীমা নিৰ্ধাৰণ প্ৰক্ৰিয়া অসম-মেঘালয়ৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৭ এপ্ৰিল ঃ** অসম আৰু মেঘালয় সীমান্তৰ ছটা বিবদমান অঞ্চলৰ সমস্যা সমাধানৰ চুক্তি স্বাক্ষৰিত হোৱাৰ পাছত ভাৰতীয় জৰীপ বিভাগে দুই ৰাজ্যৰ নতুন সীমান্ত নিৰ্ধাৰণ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। যোৱা ২৯ মাৰ্চত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ উপস্থিতিত দুয়োখন ৰাজ্যৰ মুখ্যমন্ত্ৰীদ্বয়ে উক্ত চুক্তিত স্বাক্ষৰ কৰে। তাৰ পাছতে জৰীপ বিভাগৰ কে'বাটাও দলে চুক্তি সম্পাদিত হোৱা পিলিংবাট, ৰাতাচেৰা, *১০ পৃষ্ঠাত চাওক*




■ বিহু বুলি ব্যস্ত নলবাৰীৰ চাৰি শতাধিক বোৱনী-শিপিনী ■ সূতাৰ দাম নিয়ন্ত্ৰণ-চালানি গামোচা বন্ধ কৰাৰ দাবী

## ডেৰ লাখ গামোচা সাজু কৰিছে চাৰি গাঁৱৰ শিপিনীয়ে

**■ আব্দুল মজিদ**

**নলবাৰী, ৭ এপ্ৰিল ঃ** বসন্তৰ বা লাগিছে চাৰিওফালে। লঠঙা গছত সেউজীয়াৰ ভৰ, কুলি-কেতেকীৰ মাত। আগলি বৰষুণে ধুই-পখালি অমলিন কৰি তুলিলে প্ৰকৃতি। এয়া ৰঙালীৰ আগমন। আৰু মাত্ৰ কেইটামান দিনৰ পাছতে বৃহত্তৰ অসমীয়া জাতিয়ে উদ্‌যাপন কৰি বাপতি সাহোন ৰঙালী বিহু। বিগত দুটা বছৰে কৰ'না অতিমাৰীৰ আতিশয্যৰ বাবে প্ৰাণ খুলি বিহু উদ্‌যাপন কৰিব পৰা নাই জাতিটোৱে। সেয়েহে এইবাৰ যেন ৰঙালী বিহু বুলি দুগুণ উৎসাহ সকলোৰে। ৰাজ্যজুৰি এই উৎসাহ আৰম্ভ হোৱাৰ মাজতে নলবাৰীতো *১০ পৃষ্ঠাত চাওক*



দৈনিক অগ্ৰদূত
গুৱাহাটী, ৮ এপ্ৰিল, ২০২২ শুক্ৰবাৰ পৃষ্ঠা তিনি

বিশ্ব স্বাস্থ্য দিৱসত আয়ুষ মন্ত্ৰণালয়ৰ যোগ উৎসৱ

# যোগ হ'ল এক দৈনন্দিন অভ্যাস যিয়ে শৰীৰ-মনৰ সমন্বয় গঢ়ে ঃ সোণোৱাল

**নতুন দিল্লী, ৭ এপ্ৰিল ঃ** বিশ্ব স্বাস্থ্য দিৱস উপলক্ষে আয়ুষ মন্ত্ৰণালয়ে আজি লালকিল্লাৰ ১৫ আগষ্ট গ্ৰাউণ্ডত যোগ উৎসৱ অনুষ্ঠিত কৰে। উক্ত অনুষ্ঠানত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ ৭৫ দিনীয়া কাউণ্ট ডাউন কাৰ্যসূচীৰ সূচনা কৰে। সহস্ৰাধিক লোকৰ যোগ প্ৰদৰ্শনৰে মুখৰিত অনুষ্ঠানটোত লোকসভাৰ অধ্যক্ষ ওমপ্ৰকাশ বিৰলাই মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰে। উক্ত অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ লগতে কে'বাজনো সাংসদ বিভিন্ন দেশৰ ৰাষ্ট্ৰদূত, জ্যেষ্ঠ বিষয়া আৰু স্বাস্থ্যসেৱকসকলে অংশগ্ৰহণ কৰে। লোকসভাৰ অধ্যক্ষ বিৰলাই যোগৰ বিষয়ে উল্লেখ কৰি কয়, 'যোগ হৈছে ভাৰতৰ সমৃদ্ধ সাংস্কৃতিক ঐতিহ্যৰ প্ৰতীক। মানৱ শক্তিৰ শাৰীৰিক-মানসিক উৎকৰ্ষ সাধনত ইয়াৰ গুৰুত্ব অপৰিসীম।' উক্ত অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে কয়, 'যোগ হৈছে এক দৈনন্দিন অভ্যাস যিয়ে শৰীৰ আৰু মনৰ মাজৰ সমন্বয় গঢ় দিয়ে। আমাক শাৰীৰিক শক্তি প্ৰদান কৰে। ই আমাৰ শাৰীৰিক শক্তি প্ৰদান কৰি আধুনিক জীৱনৰ প্ৰত্যাহ্বানবোৰ সফলতাৰে মোকাবিলা কৰিবলৈ মানসিক ভাৰসাম্য তথা আবেগিক স্থিৰতা প্ৰদান কৰে।

# আজিৰ পৰা ৰঙালীৰ ষষ্ঠ সংস্কৰণ আৰম্ভ

**গুৱাহাটী, ৭ এপ্ৰিল ঃ** ক'ভিড মহামাৰীৰ বিশ্বজোৰা প্ৰভাৱৰ অন্তত দুবছৰ ব্যৱধানত অসমৰ অন্যতম বৃহৎ উৎসৱ ৰঙালী পুনৰ অনুষ্ঠিত হ'ব। তিনিদিনীয়া অনুষ্ঠানটো আঠ এপ্ৰিলৰ পৰা গুৱাহাটী খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত আৰম্ভ হ'ব আৰু ইয়াৰ আৰম্ভ কৰিব অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। উৎসৱৰ ষষ্ঠ ছয় পৃষ্ঠাত চাওক

■ জৰাজীৰ্ণ গৃহতে চলিছে চিকিৎসা ■ গোপালকৰ হাহাকাৰ

# ৰাজ্যৰ পশু চিকিৎসালয়ত চিকিৎসকৰ অভাৱ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ ৭ এপ্ৰিলঃ** পশু তথা হাঁহ-কুকুৰা পালনৰে ৰাজ্যখনৰ বহুসংখ্যক শিক্ষিত যুৱক-যুৱতী তথা ব্যক্তিয়ে আত্ম নিৰ্ভৰশীল হোৱাৰ চেষ্টা চলোৱা ৰাজ্যখনত পশুচিকিৎসকৰ অভাৱ এক বৃহৎ সমস্যা হৈছে। শোণিতপুৰ জিলাৰ বিভিন্ন অঞ্চলকে ধৰি তেজপুৰৰ দপৰ্বতীয়া,পাঁচমাইলকে ধৰি বিভিন্ন অঞ্চলত থকা পশুচিকিৎসা কেন্দ্ৰসমূহ এতিয়া জৰাজীৰ্ণ আৰু অচল অৱস্থাত পৰি ৰৈছে। উল্লেখ্য যে শোণিতপুৰত ছয় পৃষ্ঠাত চাওক



দিল্লীত বিশ্ব স্বাস্থ্য দিৱসত আয়ুষ মন্ত্ৰণালয়ৰ যোগ উৎসৱ, বৃহস্পতিবাৰে।

## প্ৰধানমন্ত্ৰী মোদীৰ আগমনক লৈ তৎপৰ ৰাজ্য চৰকাৰ

### ডিব্ৰুগড়ৰ উপায়ুক্ত কাৰ্যালয়ত বৈঠক

**বিশেষ সংবাদদাতা**


**ডিব্ৰুগড়, ৭ এপ্ৰিল ঃ** প্ৰত্যাশিত প্ৰধানমন্ত্ৰীৰ আগমনক লৈ ডিব্ৰুগড়ত ৰাজ্য চৰকাৰৰ তৎপৰতা বৃদ্ধি পাইছে। সেয়ে আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আগমনক লৈ ডিব্ৰুগড় উপায়ুক্ত কাৰ্যালয়ত এক গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। ডিব্ৰুগড়, তিনিচুকীয়া, ধেমাজি আৰু চৰাইদেউ চাৰি জিলাৰ উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকৰ লগতে অভিভাৱক মন্ত্ৰী অতুল ছয় পৃষ্ঠাত চাওক

# বিহুৰ সাহায্য প্ৰদানত জনজাতীয়ৰ প্ৰতি বৈষম্যৰ অভিযোগ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৭ এপ্ৰিল ঃ** অসমৰ এক দশকৰ অধিক পুৰণি ৰঙালী বিহু অনুষ্ঠানসমূহলৈ ৰাজ্য চৰকাৰে ডেৰ লাখ টকাকৈ এককালীন সাহায্য প্ৰদান কৰা কাৰ্যক আদৰণি জনালেও এই সাহায্য প্ৰদানৰ ক্ষেত্ৰত জনজাতীয় বিহু অনুষ্ঠানৰ প্ৰতি চৰম বৈষম্য কৰা বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰিছে দেউৰী জাতীয় মঞ্চ সাংস্কৃতিক কেন্দ্ৰই। মহানগৰীৰ সোণাইঘুলিস্থিত দেউৰী জাতীয় মঞ্চ সাংস্কৃতিক কেন্দ্ৰৰ স্থায়ী প্ৰাংগণত আজি অনুষ্ঠিত এক জৰুৰী কাৰ্যনিৰ্বাহক সভাত গৃহীত এক প্ৰস্তাৱত কোৱা হয় যে জনজাতীয় লোকসকল অসমীয়া জাতিৰ অবিচ্ছেদ্য অংগ আৰু অসমীয়া সমাজ-সংস্কৃতিক বৰ্ণাঢ্য কৰি তোলাৰ ক্ষেত্ৰত জনজাতীয়সকলৰ অৱদান অনস্বীকাৰ্য। স্বকীয় ৰীতি-নীতি আৰু পৰম্পৰাৰে জনজাতীয় সমাজে সুদূৰ অতীতৰে পৰা ব'হাগ বিহু, মাঘ বিহু আদি পালন কৰি আহিছে বুলি উল্লেখ কৰি কেন্দ্ৰৰ সভাপতি প্ৰদীপ কুমাৰ দেউৰীয়ে কয়, 'দেউৰী জাতীয় মঞ্চৰ উদ্যোগত মহানগৰীৰ সোণাইঘুলিত থকা দেউৰী ছয় পৃষ্ঠাত চাওক

# ঢোলৰ ওজা, লেখক, সমাজকৰ্মী দণ্ডেশ্বৰ বৰুৱাৰ বিয়োগ



**অগ্ৰদূত বাৰ্তা**

**বৰুৱা বামুণগাঁও/ দেৰগাঁও, ৭ এপ্ৰিল ঃ** অসমৰ সাংস্কৃতিক জগতৰ এগৰাকী মহীৰূহ, প্ৰখ্যাত ঢোলৰ ওজা, লেখক সমাজকৰ্মী দণ্ডেশ্বৰ বৰুৱাৰ যোৱা নিশা যোৰহাট চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত মৃত্যু ছয় পৃষ্ঠাত চাওক

## অসমলৈ পুনৰ সুনাম কঢ়িয়াই আনিলে পৰিচালক পাৰ্থজিৎ বৰুৱাহ

# কেলিফৰ্ণিয়াৰ ইণ্ডিছ ফিল্ম এণ্ড স্ক্ৰীপট মহোৎসৱত শ্ৰেষ্ঠ তথ্যচিত্ৰৰ বঁটা লাভ 'চিলড্ৰেন অৱ গড'ৰ

**বিশেষ সংবাদদাতা**

**নগাঁও, ৭ এপ্ৰিল ঃ** লক্ষ্মী ওৰাং ৰাইজিং ফৰ্ম দা গ্ৰেভ, দ্য ধেমাজি ট্ৰেজেডী, ব্ৰেকিং দ্য ছাইলেঞ্চকে প্ৰমুখ্য কৰি কে'বাখনো ব্যতিক্ৰমী তথ্যচিত্ৰৰ জৰিয়তে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত জিলিকি উঠা নগাঁৱৰ সুসন্তান, বিশিষ্ট চলচ্চিত্ৰ পৰিচালক পাৰ্থজিৎ বৰুৱাই পুনৰবাৰ এক সুনাম কঢ়িয়াই আনিলে ৰাজ্যখনলৈ। কেলিফৰ্ণিয়াত অনুষ্ঠিত ইণ্ডিছ ফিল্ম এণ্ড স্ক্ৰীপট মহোৎসৱত পাৰ্থজিৎ বৰুৱাই পৰিচালনা কৰা 'দ্যা চিলড্ৰেন অৱ গড' নামৰ তথ্যচিত্ৰখনে লাভ কৰিছে শ্ৰেষ্ঠ তথ্যচিত্ৰৰ বঁটা। এই খবৰে নগাঁও জিলাবাসীক গৰ্বিত কৰি তুলিছে। 'চিলড্ৰেন অৱ গড' ভগৱানৰ সন্তান নামৰ তথ্যচিত্ৰখনৰ পৰিচালক পাৰ্থজিৎ বৰুৱাই আজি নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়, 'কেলিফৰ্ণিয়াৰ মহোৎসৱত চিলড্ৰেন অৱ গড নামৰ মোৰ তথ্যচিত্ৰখনে শ্ৰেষ্ঠ তথ্যচিত্ৰৰ বঁটা লাভ কৰাত মই অত্যন্ত সুখী হৈছো। তথ্যচিত্ৰখনৰ নামকৰণ কৰা হৈছিল চিলড্ৰেন অৱ গড, অসমীয়াত ভগৱানৰ সন্তান। এই ছয় পৃষ্ঠাত চাওক

# লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ প্ৰতিবাদ কাৰ্যসূচী

**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ, ৭ এপ্ৰিল ঃ** লখিমপুৰ বাণিজ্য মহাবিদ্যালয়লৈ যোৱা পথটোৰ নিচেই কাষতে জিলা প্ৰশাসনে পূৰ্বৰ অফিচাৰ্চ ক্লাবটো নিৰ্মাণৰ কাম আৰম্ভ কৰা কাৰ্যৰ বিৰুদ্ধে আজি মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভাই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। উল্লেখ্য যে লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ সংযোগী পথৰ কাষত বৃহৎ পকী গৃহ নিৰ্মাণ কাৰ্যৰে সংযোগী পথছোৱা ছাত্ৰ-ছাত্ৰীৰ যাতায়াত বিপজ্জনক হোৱাৰ ছয় পৃষ্ঠাত চাওক

■ অসম নাট্য সন্মিলনৰ ৬০ সংখ্যক অধিৱেশন ■

নগাঁৱৰ পৰাই নাট্য আন্দোলন আৰম্ভ হৈছিল ঃ ৰূপক শৰ্মা

# নাট্যকলাত সাফল্যৰ বাবে ঋষিসুলভ সাধনাৰ প্ৰয়োজন



**বিশেষ সংবাদদাতা**

**নগাঁও, ৭ এপ্ৰিল ঃ** 'নগাঁৱৰ নামটো মনলৈ আহিলে মনটো পৱিত্ৰতাৰে উপচি পৰে। বুকুত সাহস ভৰি পৰে, আপোন মাতৃৰ চকুপানী মচিবলৈ, বিদ্বান তথা সংস্কৃতিৱান হৈ যুঁজিবলৈ ন-সাহস দিয়ে। নগাঁৱৰ বায়ু-মাটি, বহু আখ্যান-উপন্যাস বুৰঞ্জীৰে সমৃদ্ধ। যুগ বিয়পি চামে চামে ভিন্ন জাতি-প্ৰজাতিৰ ছয় পৃষ্ঠাত চাওক

# বৰ্ণিল কাৰ্যসূচীৰে সামৰণি পৰিল দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ যুৱ মহোৎসৱৰ



**অগ্ৰদূত বাৰ্তা**

**বৰুৱা বামুণগাঁও/ দেৰগাঁও, ৭ এপ্ৰিলঃ** দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ত তিনি এপ্ৰিলৰ পৰা অনুষ্ঠিত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱৰ সামৰণি পৰে। ৬৫ খন মহাবিদ্যালয়ৰ অংশগ্ৰহণেৰে অনুষ্ঠিত মহোৎসৱ উপলক্ষে যোৱা তিনিদিন হেজাৰ হেজাৰ ছাত্ৰ-ছাত্ৰীৰ সমাবেশেৰে উদুলি মুদুলি হৈ থকা দেৰগাঁও আজি নিজম পৰে। যুৱ মহোৎসৱৰ অন্তিমদিনা পুৱা উলিওৱা বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰাই দেৰগাঁও নগৰখন মুখৰিত কৰে। প্ৰতিকূল বতৰকো নেওচি সাংস্কৃতিক শোভাযাত্ৰাত প্ৰায় তিনিহেজাৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। বিভিন্ন ছয় পৃষ্ঠাত চাওক




# বিশেষজ্ঞৰ ভাও!

আৰ্থ-সামাজিক, জৈৱিক আৰু পাৰিপাৰ্শ্বিক অৱস্থানসমূহৰ ওপৰত মানুহৰ মানসিক স্বাস্থ্য নিৰ্ভৰশীল। বিশেষকৈ বিশ্ব স্বাস্থ্য সংস্থাই মানসিক উচ্ছৃংখলতা নাইবা মানসিক ৰোগৰ অভাৱকে মানসিক স্বাস্থ্য বুলি কোৱা নাই। বিশ্ব স্বাস্থ্য সংস্থাই স্বাস্থ্য মানে সম্পূৰ্ণ শাৰীৰিক, মানসিক আৰু সামাজিক সুস্থতাৰ এক অৱস্থা, ই কোনো ৰোগৰ অনুপস্থিতিকে নুবুজায়। বিশ্ব স্বাস্থ্য সংস্থাৰ সংজ্ঞা অনুসৰণ কৰি বুজিব পৰা যায় যে মানসিক স্বাস্থ্য মানে মানসিক ৰোগৰ কোনো লক্ষণ নথকাকে নুবুজায়। অৰ্থাৎ মানসিক ৰোগ হিচাপে পৰিগণিত লক্ষণবিলাক নথকা অৱস্থাতো এজন ব্যক্তিৰ মানসিক স্বাস্থ্য সুস্থ অৱস্থাত নাথাকিব পাৰে নাইবা তেনে ব্যক্তি মানসিক সুস্বাস্থ্যৰ অধিকাৰী হৈ নাথাকিব পাৰে। তদুপৰি সাধাৰণতে আমাৰ সমাজে যিবিলাক আচৰণ বা কৰ্মত অস্বাভাৱিকতা দেখা পায়, সেইবিলাক প্ৰকৃততে স্বাভাৱিক হ'ব পাৰে আৰু স্বাভাৱিক বুলি কোৱা বা ভবাবিলাকহে প্ৰকৃততে অস্বাভাৱিক হ'ব পাৰে।

ভাৰতৰ দৰে দেশত এক জটিল সমস্যা হ'ল মানসিক ৰোগ বা উচ্ছৃংখলতাবিলাকক চিনাক্ত কৰিব নোৱৰাটো। শৈশৱ কালতে কোনো শিশুৰ খিংখিঙীয়া স্বভাৱ, হঠাৎ খঙাল আৰু আঁকোৰগোজ হৈ পৰা, হাঁহি আৰু আনন্দৰ ভাগ ল'ব বা উপভোগ কৰিব নিবিচৰা বা নোৱৰা, আনৰ বস্তু ধ্বংস কৰি আনন্দ পোৱা আদি আচৰণ দেখা পালেও আমাৰ সমাজে বা পৰিয়ালে সেইবিলাক আওকাণ কৰে। এইবিলাক আচৰণ বা লক্ষণ দেখা পালেও তেনে শিশুক মনোৰোগ চিকিৎসক বা বিশেষজ্ঞৰ ওচৰলৈ নিয়াৰ প্ৰয়োজন অনুভৱ নকৰে। কিশোৰ-কিশোৰীসকল সুৰা, ভাং বা ড্ৰাগ্‌ছ আদিত আসক্ত হ'লেও প্ৰথম অৱস্থাত মনোৰোগ বিশেষজ্ঞৰ ওচৰলৈ অভিভাৱকে তেওঁলোকক নিব নিবিচাৰে। অভিভাৱক বা পিতৃ-মাতৃসকলে নিজেই চিকিৎসক বা বিশেষজ্ঞ হ'বলৈ যায় আৰু ল'ৰা-ছোৱালীসকলক শাৰীৰিক-মানসিক নানান হেঁচা বা শাস্তি দিয়া দেখা যায়। ইয়াৰ ফলত মানসিক অৱস্থাৰ অধিক অৱনতি ঘটে। অৰ্থাৎ পিতৃ-মাতৃ তথা অভিভাৱকসকলে মনোৰোগ বিশেষজ্ঞ বা চিকিৎসকৰ ভূমিকাত অৱতীৰ্ণ হয় আৰু নিজেই জনাৰ ভাও দিয়ে। মানসিক ৰোগৰ চিকিৎসক বা বিশেষজ্ঞ যে নাই তেনে নহয়। অৱশ্যে ভাৰতত মানসিক বা মনোৰোগ চিকিৎসকৰ সংখ্যা জনসংখ্যা অনুপাতে অতি কম। বিশ্ব স্বাস্থ্য সংস্থাৰ তথ্য অনুসৰি অহা বছৰৰ ভিতৰত ২০ শতাংশ ভাৰতীয়ই মানসিক ৰোগত ভুগিব, যিসকলৰ চিকিৎসাৰ বাবে প্ৰয়োজনীয় সংখ্যক চিকিৎসক ভাৰতত নাই।

বৰ্তমান সমগ্ৰ বিশ্বতে ক'ভিড-১৯ বা কৰ'না ভাইৰাছ মহামাৰীয়ে ভয়ংকৰ দুৰ্যোগৰ সৃষ্টি কৰিছে। ধনী-দুখীয়া সকলো দেশৰ আৰ্থিক অৱস্থা ধ্বংসৰ মুখত পৰিছে আৰু কোটি কোটি লোক ক'ভিড ৰোগত আক্ৰান্ত হোৱাৰ উপৰি লাখ লাখ লোকৰ অকাল মৃত্যু ঘটিছে। সমগ্ৰ বিশ্ব আজি এক ৰোগীৰে ভৰি পৰা হাস্পতালত পৰিণত হৈছে। ক'ভিড মহামাৰীয়ে মানুহৰ জীৱন আৰু অৰ্থনীতি ধ্বংস কৰা, জীৱনৰ বাবে উপাৰ্জনৰ পথ ধ্বংস হোৱাৰ ফলত লাখ লাখ লোকৰ মানসিক অৱস্থা বা স্বাস্থ্যৰ অৱনতি ঘটিছে। সেয়ে ক'ভিড মহামাৰীত আক্ৰান্ত বিশ্বত মানুহৰ মানসিক স্বাস্থ্য সুৰক্ষাৰ বিষয়টো অধিক প্ৰাসংগিক আৰু গুৰুত্বপূৰ্ণ হৈ পৰিছে। ক'ভিড মহামাৰীৰ বাবে বিভিন্ন দেশৰ লগতে ভাৰততো অধিক সংখ্যক লোক বিভিন্ন মানসিক ৰোগ বা সমস্যাত ভুগিছে। বহুতেই আনকি আত্মহত্যাৰ পথ বাছি লৈছে। ক'ভিড মহামাৰীৰ বাবে কৰ্মসংস্থানহীন হৈ নাইবা অভাৱত পৰি আত্মহত্যা কৰা বুলি প্ৰকাশ পাইছে যদিও এই লোকসকলক মানসিকভাৱে দুৰ্বল হৈ পৰা নাইবা মানসিক অৱস্থাৰ অৱনতি ঘটা বুলি ক'ব পাৰি। মানসিকভাৱে সবল ব্যক্তিয়ে আৰ্থিক অভাৱৰ বাবেই আত্মহত্যাৰ কথা নাভাবে; কিন্তু ক'ভিডৰ চিকিৎসাতেই দেশৰ চিকিৎসা ব্যৱস্থাৰ অৱস্থা কাহিল হৈ পৰাত অন্য ৰোগী আৰু মানসিক ৰোগীৰ চিকিৎসাই প্ৰয়োজনীয় গুৰুত্ব পোৱা নাই। চৰকাৰে সেয়ে মানসিক স্বাস্থ্যৰ সজাগতাৰ বাবে প্ৰচাৰ চলালেই নহ'ব, মানসিক ৰোগত ভোগাসকলৰ চিকিৎসা সহজলভ্য কৰিবও পাৰিব লাগিব।

## ঈশ্বৰ নথকাৰ প্ৰমাণ



# মিছা ধৰাৰ যন্ত্ৰ আৰু ৰাজনীতি



দৃষ্টিপাত

ড° খৰ্গেশ্বৰ ভূঞা

কলকাতাৰ যুক্তিবাদী আন্দোলনৰ প্ৰখ্যাত নেতা প্ৰবীৰ ঘোষে অলৌকিকতা, অন্ধবিশ্বাস, কুসংস্কাৰ আদিৰ বিৰুদ্ধে একুৰিৰো অধিক মূল্যৱান গ্ৰন্থ লিখিছে, জ্যোতিষৰ ভণ্ডামিৰ বিৰুদ্ধে থিয় দিছে, সেইদৰে জনসাধাৰণৰ মাজত এইবোৰৰ বিৰুদ্ধে সজাগতাৰো সৃষ্টি কৰিছে। তেওঁ ঈশ্বৰ বিশ্বাস নকৰা সম্পৰ্কে ঈশ্বৰ বিশ্বাসীৰ নানা প্ৰশ্নৰ সন্মুখীন হৈছে আৰু সেইবোৰৰ যথাযথ উত্তৰো দিছে। ১৯৯০ত 'জ্যোতিষ বনাম বিজ্ঞান' শীৰ্ষক বিতৰ্ক সভাত কিছু জ্যোতিষীয়ে তেওঁক কিছুমান প্ৰশ্ন কৰিছিল, তাৰ ভিতৰত এটা হ'ল— 'আপুনি ঈশ্বৰ নাই বুলি প্ৰমাণ কৰিব পাৰিব নেকি?'

প্ৰবীৰ ঘোষে সপ্ৰতিভভাৱে ক'লে— 'মই প্ৰমাণ-ট্ৰমান দিয়াৰ কামত বৰকৈ পটু নহয়। মোৰে জীৱনত এনে কিছুমান ঘটনা ঘটিছে, যিবোৰৰ ব্যাখ্যা মই নিজেই বিচাৰি নাপাওঁ। সেইবোৰ ঘটনা লৌকিকেই নে অলৌকিক, তাকো মই নাজানো?' তেনে এটা উদাহৰণ ঘোষক দিবলৈ কোৱাত তেওঁ ক'লে যে তেওঁ দুয়ো ভৰি একেলগে লৈ তিনিবাৰ ওপৰলৈ জাঁপ মাৰিলে তেওঁৰ উচ্চতা তিনি ইঞ্চি বাঢ়ি যায়। এয়া কোনো গাজা নহয়, তেওঁ তাতেই প্ৰমাণ কৰি দেখুৱাব পাৰে।

দৰ্শক-শ্ৰোতাৰ মাজত আলোড়নৰ সৃষ্টি হ'ল— মানুহে তিনিবাৰ ওপৰলৈ জাঁপ মাৰিলে তিনি ইঞ্চি ওখ হৈ যোৱা (যেনে চাৰে পাঁচ ফুট উচ্চতাৰ মানুহে তিনিবাৰ ওপৰলৈ জাঁপ মাৰিলে তেওঁৰ উচ্চতা পাঁচ ফুট আঠ ইঞ্চি হৈ যাব, তাকো কিছু সময়লৈ স্থায়ীভাৱে) দৰে অদ্ভুত কথা কোনেও শুনা নাই। তাকো দাবী কৰাজনে তেতিয়াই প্ৰমাণ কৰিবলৈ সাজু। দৰ্শকে স্বাভাৱিকভাৱেই ঘটনাটোৰ চাক্ষুষ প্ৰমাণ বিচাৰিলে। প্ৰবীৰ ঘোষ এটা খুঁটাৰ ওচৰত থিয় হ'ল আৰু এজন যোগীবাবাই তেওঁৰ উচ্চতা জুখিলে। তাৰ পাছত ঘোষে ওপৰলৈ থিয়কৈ তিনি জাঁপ মাৰিলে, তেওঁৰ উচ্চতা পুনৰ জুখিলে, পিছে ঘোষে দাবী কৰা মতে তেওঁৰ উচ্চতা নাবাঢ়িল। অৱশ্যে ইতিমধ্যে দৰ্শকৰ পৰা দুই-এজনে দৃঢ়তাৰে ক'লে— 'সঁচাকৈয়ে উচ্চতা বাঢ়িছে।' ঘোষে পুনৰ জাঁপ মাৰিলে, ফল একেই— উচ্চতা বঢ়া নাই। তৃতীয়বাৰ জাঁপ মৰাৰ পাছত যোগীবাবাই ক'লে— 'ক'তা, আপোনাৰ উচ্চতাতো আপুনি দাবী কৰা মতে বঢ়া নাই!' ঘোষে সুধিলে— 'হাৰে', ভালকৈ জুখিছেতো?' বাবাই ক'লে— 'মোৰ কথা বিশ্বাস হোৱা নাই যদি দৰ্শকৰ পৰা যিকোনো এজনে আহি জোখক।' ঘোষে ক'লে— 'নহয়, মই অবিশ্বাস কৰা নাই; কিন্তু সঁচাকৈয়ে কৈছো— কেতিয়াবা কেতিয়াবা মোৰ উচ্চতা ওপৰলৈ যুৰীয়া ভৰিৰে জাঁপ মাৰিলে তিনি ইঞ্চি বৃদ্ধি হয়। অৱশ্যে কিছু সময়ৰ পাছত পুনৰ স্বাভাৱিক উচ্চতালৈ ঘূৰি আহো। কিয় এনে হয় মই তাৰ কোনো ব্যাখ্যা বিচাৰি পোৱা নাই। আপোনালোকে চাগৈ মোৰ কথা মানি লৈছে। সেয়েহে আপোনালোকে কওকচোন কি কাৰণে মোৰ উচ্চতা এনেদৰে বৃদ্ধি হয় আৰু তাৰ পাছত পুনৰ স্বাভাৱিক হৈ যাওঁ।'

দৰ্শকৰ মাজত গুণগুণনি উঠিল। যোগীবাবাই প্ৰতিবাদ কৰিলে— 'আপুনি উচ্চতা বঢ়াই দেখুৱাবই নোৱাৰিলে গতিকে ইয়াৰ ব্যাখ্যাৰ কথা আহিল ক'ৰপৰা?' ঘোষে ক'লে— 'আজি পৰা নাই; কিন্তু মই সঁচাকৈয়ে কৈছো জাঁপ মাৰিলে মই ওখ হওঁ, বহুবাৰ হৈছো। গতিকে আপুনি আৰু দৰ্শকসকলে নিশ্চয় মোৰ কথা বিশ্বাস কৰিছে।' বাবাই ক'লে— 'আমি যুক্তিবাদী মানুহ, গতিকে আপোনাৰ মুখৰ কথাত বিশ্বাস নকৰো, আমাক প্ৰমাণ লাগিব।' ঘোষে ক'লে— 'তাৰ মানে আপুনি মোক মিথ্যাবাদী বুলি ভাবিছে? আপুনি প্ৰমাণ কৰিব পাৰিব নেকি যে মই জাঁপ মাৰিলে কেতিয়াবা কেতিয়াবা তিনি ইঞ্চি ওখ হোৱাটো মিছা?'

এইবাৰ যোগীবাবাৰ খং উঠি গ'ল, তেওঁ কঠোৰ স্বৰেৰে ক'লে— 'মই আপোনাক মিছলীয়া বুলি প্ৰমাণ কৰাৰ কথা আহিল ক'ৰপৰা? আপুনি জানে— আপোনাৰ দাবী মিছা বুলি মই কেতিয়াও প্ৰমাণ কৰিব নোৱাৰো। জাঁপ মাৰিলে ওখ হোৱাৰ দাবী কৰিছে আপুনি, সেয়েহে তেনে দাবী প্ৰমাণ কৰাৰ দায়িত্ব আপোনাৰহে, ইয়াৰ ওলোটা প্ৰমাণ কোনেও দিব নোৱাৰে।'

এইবাৰ ঘোষে ক'লে— 'মই আপোনাৰ পৰা এইযাৰ কথা শুনিবলৈকে এনে উদ্ভট দাবী কৰিছিলো— জাঁপ মাৰি মই কেতিয়াও ওখ হোৱা নাছিলো, এনে অলৌকিক ঘটনা কেতিয়াও নঘটে। পিছে কোনোবাই তেনে দাবী কৰিলে সেয়া প্ৰমাণৰ ভাৰো দাবী কৰোতাৰ। এতিয়া আপোনালোকে (আৰু সকলো ঈশ্বৰ বিশ্বাসীয়েই) দাবী কৰে যে ঈশ্বৰ আছে— গতিকে ঈশ্বৰৰ অস্তিত্ব আছে বুলি (লগতে জ্যোতিষ অভ্ৰান্ত বুলি) প্ৰমাণ কৰাৰ দায়িত্ব আপোনালোকৰহে। ঈশ্বৰ নথকাৰ প্ৰমাণ দিয়াতকৈ থকাৰ প্ৰমাণ দিয়াহে সহজ, গতিকে তাকে কৰক।'

প্ৰবীৰ ঘোষৰ যুক্তি শুনি দৰ্শকে তুমুল হৰ্ষধ্বনি কৰিলে। কাৰোবাৰ বেমাৰ ভাল হ'লে ঈশ্বৰে ভাল কৰা, বেমাৰত মৰিলে ঈশ্বৰে লৈ যোৱা ধৰণৰ কথাবোৰ কোনো প্ৰত্যক্ষতো নহয়েই পৰোক্ষ যুক্তিও নহয়। সি যি কি নহওক, ঈশ্বৰৰ অস্তিত্ব আছে নে নাই তাকে লৈ বুদ্ধ, জৈনৰ কালৰো বহু আগৰে পৰাই বিতৰ্ক চলি আহিছে। এতিয়া সেই বিতৰ্কলৈ আহিব খোজা নাই।

কোনোবাই কিবা দাবী কৰিলে ইয়াৰ যথাৰ্থতা প্ৰমাণ কৰাৰ দায়িত্ব দাবী কৰাজনৰহে, যাৰ বিৰুদ্ধে দাবী কৰা হয় তেওঁ নিজৰ নিৰ্দোষিতা প্ৰমাণ কৰাৰ দৰকাৰ নাই— ঘোষে দিয়া যুক্তিটো ত্ৰিশ বছৰৰো অধিক কালৰ পাছত মনলৈ আহিছে সদ্য সমাপ্ত ৰাজ্যসভাৰ নিৰ্বাচনৰ ভাওনাখনত কৰা বিভিন্নজনৰ দাবীৰ মাজৰে এটা দাবীৰ পৰিপ্ৰেক্ষিতত। সোনাইৰ বিধায়ক কৰিমুদ্দিন বৰভূঞাই বিধায়ক অখিল গগৈৰ বিৰুদ্ধে এটা নিউজ চেনেলত বহি অভিযোগ কৰিলে বোলে মিত্ৰজোঁটৰ প্ৰাৰ্থীক ৰাজ্যসভাৰ নিৰ্বাচনত ভোট দিবৰ বাবে লখিমপুৰৰ বিধায়কজনে অখিল গগৈক এটা ধনৰ মোনা দিছে; এই ঘটনাৰ সাক্ষী হিচাপে বৰভূঞাৰ হাতত ফটো, ৰেকৰ্ড ধৰণৰ প্ৰমাণো হেনো আছে। এই ধন লোৱাৰ কাম গগৈয়ে যদি কৰা নাই, তেন্তে Lie detector, অৰ্থাৎ ফাঁকি ধৰা পেলোৱা যন্ত্ৰৰ সমুখত বহি প্ৰমাণ দিব লাগে— এয়া বৰভূঞাৰ দাবী চেনেলৰ পৰিচালকৰ সন্মুখত। এইখিনিতেই প্ৰবীৰ ঘোষৰ ঘটনাৰ লগত বৰভূঞা গগৈৰ ঘটনাখিনিৰ মিল আছে। বৰভূঞাৰ দাবী— সঁচা নে মিছা, সেয়া পাছৰ কথা, পিছে অদ্ভুত কথাটো হ'ল— অখিল গগৈৰ বিৰুদ্ধে এটা অভিযোগ আনিছে বৰভূঞাই। গগৈয়ে কথাটো সঁচা-মিছা একো নকওঁতেই (বা ক'লেও) দাবীৰ সত্যাসত্যৰ প্ৰমাণৰ ভাৰ দিয়া হ'ল— অভিযুক্তকেই। বৰভূঞাই গগৈৰ বিৰুদ্ধে 'ফুটেজ' বা আন ধৰণৰ প্ৰমাণ দাঙি ধৰাৰ পাছত সেইবোৰ মিছা বুলি প্ৰমাণ কৰাৰ দায়িত্ব গগৈক দিলেও বেলেগ কথা।

বৰভূঞাৰ উদ্দেশ্যটো অৱশ্যেই স্পষ্ট— অখিল গগৈক জনমানসত হেয় কৰা তথা নিজৰ দালালগিৰিক ঢাকি ৰখাৰ ষড়যন্ত্ৰ। বৰভূঞাই জানিয়েই হওক বা নাজানিয়েই হওক ভাবিছিল যে lie detectorৰ নাম শুনিয়েই গগৈ চিত-ভোলোঙা খাই পৰিব আৰু সুৰসুৰকৈ বৰভূঞাৰ কথা মানি ল'ব; লগতে ৰাইজেও সত্যৰ সন্মুখীন হ'বলৈ ভয় কৰা গগৈক ধিক্কাৰ দিব। অখিল গগৈয়ে ইতিমধ্যেই ওলোটাই এসেকা দিছে আৰু বৰভূঞাইও বোধহয় নেজ কোঁচাই গাঁতত সোমাব বিচাৰিছে।

ৰাজনৈতিক ফলাফল যিয়েই নহওক, বৈজ্ঞানিক প্ৰযুক্তিৰে মিছা ধৰা পেলোৱাৰ যন্ত্ৰৰ কথা আহিছে যিহেতু যন্ত্ৰটোৰ ওচৰলৈকে যোৱা যাওক। যন্ত্ৰটো সম্পৰ্কে কাৰ কি ধাৰণা আছে সেয়া নাজানো, যদিহে কোনোবাই ভাবিছে যে 'যন্ত্ৰটোৰ সমুখত বহুৱাই দি অভিযোগকাৰীয়ে অভিযুক্তক প্ৰশ্ন সুধিব— শুদ্ধ উত্তৰ শুদ্ধকৈ দিলে যন্ত্ৰই 'সঁচা' বুলি ক'ব আৰু ভুল উত্তৰ দিলে যন্ত্ৰই মিছা বুলিব'— প্ৰকৃততে কথাটো তেনে নহয়।

**কুৰি শতিকাৰ দ্বিতীয় শতকতে মিছা ধৰা পেলোৱা যন্ত্ৰ (এল ডি) আৱিষ্কৃত হৈছিল, তাৰ পাছতো যন্ত্ৰৰ বহুতো উন্নতি সাধন হৈছে। তথাপি বেছিভাগেই যন্ত্ৰৰ ওপৰত আস্থা ৰখা নাই, কাৰণ সাধাৰণতে ৫৫ শতাংশ আৰু অতি বেছি দক্ষ পৰিচালকে ৯০ শতাংশলৈকে শুদ্ধ ফল পাব পাৰে, সম্পূৰ্ণ শুদ্ধ ফল পোৱাটো প্ৰায় অসম্ভৱৰ দৰেই**

কুৰি শতিকাৰ দ্বিতীয় শতকতে মিছা ধৰা পেলোৱা যন্ত্ৰ (এল ডি) আৱিষ্কৃত হৈছিল, তাৰ পাছতো যন্ত্ৰৰ বহুতো উন্নতি সাধন হৈছে। তথাপি বেছিভাগেই যন্ত্ৰৰ ওপৰত আস্থা ৰখা নাই, কাৰণ সাধাৰণতে ৫৫ শতাংশ আৰু অতি বেছি দক্ষ পৰিচালকে ৯০ শতাংশলৈকে শুদ্ধ ফল পাব পাৰে, সম্পূৰ্ণ শুদ্ধ ফল পোৱাটো প্ৰায় অসম্ভৱৰ দৰেই। আধুনিক কালত দেহৰ ভিতৰত পৰীক্ষাত ছ'ন'গ্ৰাফ, ইচিজি আদি লোৱাৰ দৰে আঙুলিত ইলেক্ট্ৰড্‌ সংযোগ কৰি দেহৰ ৰক্তচাপ, বুকুৰ ধপ্‌ধপনি, উশাহ-নিশাহৰ গতি, ছালৰ সংবেদনশীলতা ইত্যাদিৰ জোখবোৰ গ্ৰাফ কাগজত ৰেখাচিত্ৰৰ দৰে দেখুওৱা হয়। ধৰি লোৱা হয় যে সত্য ভাষণতকৈ অসত্য ভাষণত ৰক্তচাপ, ধপ্‌ধপনি আদিৰ সাধাৰণ অৱস্থাৰ তুলনাত হ্ৰাস-বৃদ্ধি হয়। যেনে— কমলক যদি সোধা হয়— 'তোমাৰ নাম কমলনে?' উত্তৰত 'হয়' বুলিলে ৰক্তচাপৰ জোখ যিমান হ'ব, নহয় বুলিলে এই মানৰ কিছু অস্বাভাৱিক বৃদ্ধি হ'ব। তেতিয়া গ্ৰাফত সেই বৃদ্ধি দেখুওৱাৰ লগতে কম্পিউটাৰত 'ৰঙা লাইট' জ্বলিব বা 'নহয়'ৰ বিশেষ শব্দ বাজিব। কথাটো দেখাত সহজ যেন লাগিলেও বাস্তৱত তেনে নহয়। মিছা কথা কোৱাত অভ্যস্ত লোকে মিছা ক'লেও দেহৰ সূচাংকবোৰৰ পৰিৱৰ্তন নহ'ব পাৰে। সেইদৰে সহজ-সৰল এজনে যন্ত্ৰত বহিলেই উত্তৰবোৰ খেলিমেলি কৰিব সাময়িক উত্তেজনাৰ বাবে। পৰীক্ষাত জনা উত্তৰো পাহৰি যোৱা বা সাক্ষাৎকাৰত জনা শুদ্ধ উত্তৰৰ ঠাইত ভুল উত্তৰ দিয়াৰ লগত মিছা যন্ত্ৰৰ প্ৰভাৱৰ মিল আছে।

কিছুমান মানুহে (যেনে আজি-কালিৰ বেছিভাগ ৰাজনৈতিক নেতাই) মিছা কথাৰ ইমানেই ফুলজাৰি মাৰে যে মিছা কথাবোৰ এসময়ত নিজেও সঁচা বুলি বিশ্বাস কৰিবলৈ লয়। প্ৰয়াত ইন্দিৰা গান্ধীয়ে জৰুৰী অৱস্থা ঘোষণা কৰাৰ পাছত মোচাহাবসকলৰ স্তুতি বাণী শুনি শুনি অতি বিবেচক প্ৰধানমন্ত্ৰীগৰাকীয়েও এসময়ত নিজে প্ৰচাৰ কৰা মিথ্যা— 'জৰুৰী অৱস্থা ভালৰ বাবে হৈছে'— নিজেই সঁচা বুলি ভাবিবলৈ ল'লে। এনেবোৰ ক্ষেত্ৰত মিছা কথা কৈও যন্ত্ৰত ধৰা নপৰা হয়গৈ। বহু উদাহৰণেৰে দেখুৱাব পৰা যায় যে মিছা কোৱা যন্ত্ৰৰ ফলাফল গ্ৰহণযোগ্য নহয়। সেয়েহে আদালতেও এনে প্ৰমাণক স্বীকৃতি নিদিয়ে। অপৰাধী বুলি ভবাজনৰ অসন্মতিত যন্ত্ৰ ব্যৱহাৰ কৰিব নোৱাৰে।

অখিল গগৈয়েও বৰভূঞাৰ কথা মতে মিছা ধৰা পেলোৱা যন্ত্ৰত নবহিলেও একো প্ৰমাণ নহ'লহেঁতেন, অৱশ্যে তেতিয়া বৰভূঞাৰ কু-অভিসন্ধি সফল হ'লহেঁতেন।

সাধাৰণতে মিছা ধৰা যন্ত্ৰ পৰিচালনা কৰাসকলে কম্পিউটাৰৰ 'শুদ্ধ', 'অশুদ্ধ' বা 'ৰঙা', 'সেউজীয়া' লাইটৰ ওপৰত নিৰ্ভৰ নকৰি 'পলিগ্ৰাফ'ৰ নিজাকৈ বিশ্লেষণ কৰে। তদুপৰি প্ৰথমে কেইটামান সাধাৰণ প্ৰশ্ন কৰি যন্ত্ৰত বহাজনৰ মানসিক অৱস্থা স্বাভাৱিক কৰি লোৱা হয়, যাতে যন্ত্ৰৰ প্ৰতি ভীতি নাইকিয়া হৈ প্ৰকৃত ফল দিয়ে। সেয়েহে পৰীক্ষাটোৰ ক্ষেত্ৰত কেইটামান প্ৰশ্নোত্তৰৰ বাবেই দুই-তিনি ঘণ্টা সময় লাগি যাব পাৰে। পৰীক্ষকজন কিমান অভিজ্ঞ তাৰ ওপৰতো পৰীক্ষাৰ ফল নিৰ্ভৰ কৰিব পাৰে। সাধাৰণতে প্ৰমাণ-শুংসূত্ৰ আদি গোটাব নোৱৰা অথচ কাৰোবাক অপৰাধী বুলি সন্দেহ কৰিলে এই যন্ত্ৰ বিশেষ ক্ষেত্ৰত ব্যৱহৃত হয়; পৰীক্ষকেও জানে যে এই পৰীক্ষাৰ ফলেৰে কোনো অপৰাধীৰ দোষ প্ৰমাণ কৰিব নোৱাৰি, কেৱল অপৰাধ অনুসন্ধানত এই যন্ত্ৰই কিছু পৰোক্ষ সহায় কৰিব পাৰে। প্ৰত্যক্ষ প্ৰমাণ থাকিলে মিছা কথা ধৰা পেলোৱা যন্ত্ৰ ব্যৱহাৰ কৰাৰ কোনো যুক্তি নাই।

বৰভূঞাৰ অভিযোগ মতে গগৈৰ বিৰুদ্ধে তেওঁৰ হাতত প্ৰমাণ আছে, সেয়েহে Lei detectorৰ বিষয়ে তেওঁৰ হয়তো ধাৰণা নাই বা থাকিলেও উদ্দেশ্যপ্ৰণোদিতভাৱে অখিল গগৈক বদনামী কৰি নিজৰ কুঅভিপ্ৰায় পূৰণ কৰিব খুজিছিল বৰভূঞাই। এনে অভিসন্ধিক সকলোৱেই গৰিহণা দিয়া উচিত।

ফোন ঃ ৮১৩৫৮৩৫২১৯

# বিহু প্ৰতিযোগিতামুখী কেনেকৈ হ'ল?

**অসমৰ** জাতীয় উৎসৱ বিহু হৈছে অসমীয়া জাতিৰ প্ৰাণ, হিয়াৰ আমঠু; যিয়ে অতীজৰে পৰা অসমীয়া জাতি জনজাতি সকলোকে বান্ধি আহিছে সমন্বয়ৰ এনাজৰীৰে। অসম আৰু অসমীয়া জনসমাজৰ নিৰ্ভুল দাপোণ এই বিহু। শান্তি তথা ঐক্যৰ প্ৰতীক বাপতিসাহোন বিহুটি অহাৰ লগে লগে যে অসমীয়াৰ গা হৈ পৰে সাতখন আঠখন। বিহুনাম, হুঁচৰি আদিয়ে ঐক্যতান বজাই ৰাখিছে অসমীয়াৰ চোতালত। এতিয়া চ'ত মাহৰ শেষৰচোৱা সময়। এখোজ দুখোজ কৰি ৰঙালী বিহুটিও আহি পাইছেহি অসমীয়াৰ পদূলি মূৰত। ক'ৰবাৰ পৰা ভাহি অহা ঢোলটোৰ মাতত যেন বতৰাহে পঠিয়াইছে বিহুটিয়ে।

বৰ্তমানৰ ৰঙালী বিহুত কিন্তু অতীজৰ সেই ৰং বিচাৰি পোৱা নাযায়। যদিওবা বিহু কৃষিভিত্তিক উৎসৱ, বৰ্তমান ই কৃষিভিত্তিক হৈ থকা নাই। বিহুটোক ব্যৱসায়িক কৰি তোলাৰ প্ৰক্ৰিয়াই হয়তো আগৰ সেই উৎসাহত যতি পেলাইছে। অতীজৰ কেৱল আনন্দৰ বাবে মিলিজুলি গাঁৱে গাঁৱে ধনী দুখীয়া নিবিচাৰি হুঁচৰি গাই ফুৰা সেই ডেকাৰ জুমটো আজি প্ৰতিযোগিতামুখী হ'ল। এতিয়া এই দলবোৰৰ লক্ষ্য হ'ল নগৰে চহৰে যিমানবোৰ বিহু প্ৰতিযোগিতা হয় সেইবোৰত অংশগ্ৰহণ কৰি পুৰস্কাৰ আঁজুৰি অনা। তদুপৰি এই দলসমূহে বিহু মাৰিবৰ বাবে গাঁও বা চহৰৰ চহকী ঘৰকেইটাক নিৰ্বাচন কৰে। এই দলসমূহত অংশ গ্ৰহণ কৰা প্ৰতিগৰাকী নাচনীয়ে নিৰ্দিষ্ট মাননি লাভ কৰে। গাঁৱৰ খেতি-বাতিকে উৎস কৰি জী উঠা বিহুটি যেন এতিয়া গাঁৱতে অনাদৰ।

বৰ্তমান সময়চোৱাত ছ'চিয়েল মিডিয়াৰ যোগেদিয়েই হওক বা অন্য কোনো মঞ্চৰ যোগেদিয়েই হওক বিহুগান বা বিহুনাচে বিশ্বৰ বিভিন্ন ঠাইত আদৰ লাভ কৰা দেখা গৈছে। ই অসমীয়া সংস্কৃতিৰ প্ৰসাৰ হোৱাৰ এটা ভাল লক্ষণ; কিন্তু ঠিক সেই একে সময়তে বিহুমঞ্চত বিহুগানৰ সলনি আধুনিক গীত আনকি হিন্দীগীতেও মুখ্য স্থান গ্ৰহণ কৰাত বিহুৰ সাংস্কৃতিক ৰূপটো যেন তেনেই সংকুচিত কৰি আনিছে। সহজ সৰলকৈ ৰীতি-নীতি মানি বিহু পতাৰ সলনি বহুতে জোৰ জুলুমকৈ তোলা চান্দাৰ জোৰত বিহু পতা দেখা যায়। তাতে আকৌ সকলোৰে বিহু অনুষ্ঠানবোৰতকৈ সাংস্কৃতিক সন্ধিয়াৰ প্ৰতিহে বেছি আগ্ৰহ দেখা দেখা যায়। ঠিক তেনেদৰেই বিহুনামতো কৃত্ৰিম ৰং



ৰহইচৰ পয়োভৰ আৰু জাকজমকতা আহি পৰিল। বিহুনামৰ বাদ্যযন্ত্ৰৰ সুষমাক জলাঞ্জলি দি গীতাৰ, ড্ৰাম আদিৰ দ্বাৰা সম্পূৰ্ণ ব্যৱসায়িক স্বাৰ্থত বিহুমঞ্চত বিহু গোৱা ব্যৱস্থাই জানো বিহুৰ প্ৰকৃত মৰ্যাদা ৰক্ষা কৰিব পাৰিব ?

আমি সকলোৰে দেখিছো যে অনাগত ৰঙালী বিহুৰ বাবে অসমীয়াৰ মাজত প্ৰস্তুতি কেনেধৰণৰ। অসমৰ ঠায়ে ঠায়ে বিহু কৰ্মশালা অনুষ্ঠিত কৰি কণমানিৰ পৰা ডাঙৰলৈকে ল'ৰা ছোৱালীবোৰক বিহুৰ প্ৰশিক্ষণ দিয়াৰ এক সুন্দৰ পদক্ষেপ পৰিলক্ষিত হৈছে। ইয়াৰ দ্বাৰা নৱপ্ৰজন্মক বিহুৰ স'তে চিনাকি কৰি দিয়াৰ এটা সুন্দৰ প্ৰচেষ্টা গ্ৰহণ কৰিছে; কিন্তু এই প্ৰচেষ্টা কেৱল যাতে প্ৰতিযোগিতামুখী হৈ নুঠে। কাৰণ বিহু কেৱল এটি পৰম্পৰা নহয়, ই সংস্কৃতিৰ মূল চানেকি, অসমীয়াৰ প্ৰেৰণা। অৱশ্যে মঞ্চ বিহুৰ সুফল নথকা নহয়, কিন্তু মঞ্চ বিহুৰ নামত কৰা বিহুৰ বাণিজ্যিকীকৰণে যে বিহুৰ মৰ্যাদা হ্ৰাস কৰিব সেইটো ধুৰুপ। একালৰ গাঁৱৰ পথাৰৰ, নদীঘাটৰ বিহু বৰ্তমান নগৰীয়া সভ্যতাৰ প্ৰসাৰৰ লগে লগে মঞ্চত প্ৰৱেশ কৰিলেও বিহুৰ স্বকীয়তা ৰক্ষা পৰাটো আমি আশা কৰোঁ।

অনন্তকাললৈ বিহু হৈ থাকক অসমীয়াৰ স্বাভিমানৰ প্ৰতীক, জাতি গঠনৰ নজহা-নপমা সংস্কৃতি। বিহুৰ এনে এটা পৰিস্থিতিত বিহুৰ স্বকীয়তাক অমলিন কৰি ৰখাৰ দায়িত্ব ল'ব লাগিব ইমানদিনে বিহুক হিয়াৰ উম দি নিৰ্বিঘ্নে-নিৰাপদে জীয়াই ৰখা অসমৰ চহা শ্ৰমজীৱী ৰাইজেই। বিহুৰ নিজস্বতা ধ্বংস হ'লে কেৱল চহা শ্ৰমজীৱী ৰাইজেই যে আত্ম পৰিচয়ৰ বাবে হাহাকাৰ কৰিব লাগিব তেনে নহয়, সমগ্ৰ অসমীয়া জাতিয়েই আত্ম পৰিচয়ৰ বাবে হাহাকাৰ কৰিব লাগিব ।

**সমুজ্জ্বল বৰুৱা**
কটন বিশ্ববিদ্যালয়
যোগাযোগ ৯১০১৫৪২৪৪০

# কি দৃষ্টান্ত ৰাখি থৈ যাম?

**যোৱা** ২৮ মাৰ্চ সোমবাৰে 'দৈনিক অগ্ৰদূত'ত প্ৰকাশিত 'কি দৃষ্টান্ত ৰাখি থৈ যাম?' শীৰ্ষক নিবন্ধটোৰ নিবন্ধকাৰ সম্পাদক প্ৰাঞ্জলসেন ডেকাই ৰাজনৈতিক নেতাসকলৰ আচাৰ-ব্যৱহাৰ, কৰ্ম-কাণ্ড আৰু জনসাধাৰণৰ প্ৰতি দায়বদ্ধহীনতা দেখি-শুনি মনত উদয় হোৱা ভাৱৰ ক্ৰিয়া এই নিবন্ধটোত মধুৰ ভাষাৰে প্ৰকাশ কৰিছে। এই নিবন্ধটোৰ আঁত ধৰি ময়ো দুআষাৰ লিখি মনৰ ভাব প্ৰকাশ কৰিলো।

কোনো এটা ৰাজনৈতিক দলৰ জন্ম হয় কিছুমান নীতি-নিয়ম আৰু আদৰ্শৰ আধাৰত। সমাজৰ প্ৰতি দায়বদ্ধতা, সেৱাৰ মনোভাৱ আৰু জনসাধাৰণৰ মংগল চিন্তা কৰি কাম কৰা ব্যক্তিসকলৰ ত্যাগ আৰু অশেষ কষ্টৰ বিনিময়ত একোটা ৰাজনৈতিক দল ঠন ধৰি উঠে। ভাৰতবৰ্ষত বহুতো ৰাজনৈতিক দলৰ জন্ম হ'ল আৰু তাৰ ভিতৰত বহুতো দল পাহৰণিৰ গৰ্ভত লীন গ'ল। ইয়াৰ বিশ্লেষণ কৰিলে দেখা যায় যে ক্ষমতাকেন্দ্ৰিক আভ্যন্তৰীণ অন্তৰ্কন্দলেই ৰাজনৈতিক দলবোৰৰ ধ্বংসৰ মূল কাৰণ। কোনো এজন ব্যক্তিৰ বিশেষ ব্যক্তিত্ব, আদৰ্শ, মহানুভৱতা, ত্যাগ, কৰ্মদক্ষতা, বিচক্ষণতা আদিৰ বাবে কোনো এটা দল কোনো সময়ত শীৰ্ষত আৰোহণ কৰে। পৰৱৰ্তী কালত সেই বিশেষ ব্যক্তিজনৰ নীতি-আদৰ্শ ধৰি ৰাখিব পাৰিলে দলটো সজীৱ হৈ জীয়াই থাকে; কিন্তু বাস্তৱ ক্ষেত্ৰত দেখা যায় যে বিশেষ ব্যক্তিজন আঁতৰি যোৱাৰ লগে লগে ক্ষমতাকেন্দ্ৰিক শীতল যুদ্ধ আৰম্ভ হৈ দলটো নিশকতীয়া হয় আৰু শেষত ধ্বংসৰ মুখলৈ ধাৱমান হয়। তথাপি কেইজনমান ক্ষমতা লিপ্সু ব্যক্তিয়ে মৰাশ ৰখাৰ দৰে পহৰা দি থাকে। ইয়াৰ পৰা এটা কথা অনুমান কৰিব পাৰি যে সেই বিশেষ ব্যক্তিজনৰ নীতি-আদৰ্শৰে গঢ়া দলটোৰ প্ৰতি তেওঁৰ অনুগামীসকলৰ দলটোৰ প্ৰতি আনুগত্য নাই, মাত্ৰ ক্ষমতা লাভৰ প্ৰতি লালায়িত হৈ সেই ব্যক্তিজনৰ আশিস লাভৰ বাবে দলত অন্তৰ্ভুক্ত হয়। সেইসকলে নীতি-আদৰ্শত খামোচ মাৰি ধৰি থকা লোকসকলক আওকাণ কৰি লাহে লাহে এলাগী কৰি পেলাই নিজেই উঠি ৰজা বহি ৰজা হৈ পৰে। প্ৰয়োজনত নতুন দলৰ জন্ম দিয়ে নাইবা আন শক্তিশালী দলৰ শৰণাপন্ন হয়। আন কিছুমান নেতাই সহজে ধন উপাৰ্জনৰ আশা, ক্ষমতাৰ প্ৰতি লোভ, আভিজাত্যৰ অভিমান আদিৰ বশৱৰ্তী হৈ মানৱ সেৱা বা জনসাধাৰণৰ সেৱাৰ ভাও জুৰি নিজৰ ব্যক্তি স্বাৰ্থ পূৰণৰ বাবে তৈলমৰ্দন কৰি দলৰ নীতি-আদৰ্শত আকৰ্ষিত হোৱা বুলি মিছাৰ আশ্ৰয় লৈ দলত যোগদান কৰে। দলৰ প্ৰতীকত জয়যুক্তও হয়; কিন্তু ইপ্সিত আশা পূৰ্ণ নোহোৱাৰ বাবে মধ্যভোগীৰ লগত যোগাযোগ কৰি গোপন বুজাবুজিৰ মাধ্যমত একে নাটক ৰচনা কৰি আনটো শক্তিশালী দললৈ লুটিবাগৰ মাৰে। এনেকুৱা ব্যক্তিয়ে জনসাধাৰণৰ সেৱা আগবঢ়াব পাৰিবনে? বৰ্তমানৰ কিছুমান নেতাৰ মইমতালি, আচাৰ-ব্যৱহাৰ, কথা-বতৰা, চাল-চলন, কৰ্মকাণ্ডই জনসাধাৰণক অতিষ্ঠ কৰি তুলিছে। এই নেতাসকলে নিজৰ স্বৰূপ পাহৰি গৈছে। এইসকল নেতাৰ আচৰণে গণতন্ত্ৰলৈ অশনি সংকেত কঢ়িয়াই আনিছে। প্ৰত্যেকটো দলৰে দলটো কিদৰে পৰিচালিত হ'ব, দলটোৰ উদ্দেশ্য, অনুশাসনমূলক ব্যৱস্থা আদি সন্নিবিষ্ট দলৰ এখন সংবিধান থাকে। দলটোৰ সদস্যসকলে দলৰ সংবিধান মানি চলাটো দলৰ সদস্যসকলৰ নৈতিক দায়িত্ব আৰু কৰ্তব্য; কিন্তু কিছুমান নেতাই দলৰ সংবিধান উলাই কৰি নিজৰ খেয়ালখুচি মতে দলৰ অনিষ্ট কৰে, তথাপি দলে কোনো অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰে। কাৰণ দলৰ সদস্যসকলৰ মাজত লবী পকাই দলটো বহুধা বিভক্ত কৰি তোলে।

**জ্যোতিষ চন্দ্ৰ দত্ত**, ফোন ঃ ৯৮৫৪০৪১৮১৫

খোলা মঞ্চ

# ভ্ৰষ্টাচাৰীৰ সলনি আমি সৎ নেতা পাম কেনেকৈ?



**সাম্প্ৰতিক** ৰাজনীতি ক্ষমতাকেন্দ্ৰিক, অৰ্থসৰ্বস্ব আৰু গণবিচ্ছিন্ন। প্ৰকৃত ৰাজনীতি (গণতন্ত্ৰৰ শংখধ্বনি সম্বলিত)ত গণতান্ত্ৰিক আদৰ্শ আৰু মানৱীয় মূল্যবোধ, ত্যাগ আৰু সততাৰ দুৰ্লভ দ্যুতি, দেশপ্ৰেম আৰু গণসেৱাৰ আৰ্তি বিৰাজমান। কিন্তু আজিৰ ৰাজনীতি হৈ পৰিছে যেন-তেন-প্ৰকাৰেণ ক্ষমতা দখল আৰু প্ৰদৰ্শনৰ এক অঘোষিত প্ৰতিযোগিতা। সাম্প্ৰতিক সমাজখনৰ মূল্যবোধবিহীন বিধ্বস্ত ৰূপ আৰু ভগ্ন অৰ্থনীতিৰ মূলতেই হ'ল ৰাজনীতিৰ নিৰ্মম পাশাখেল। এচাম দুৰ্বৃত্তৰ কৰাল গ্ৰাসত সোমাই পৰিছে ৰাজনীতি আৰু ইয়াৰ ৰঙীন অনুষংগ। এনে এখন ভয়াৱহ ছবিৰেই ভৱিষ্যদ্বাণী কৰিছিল বিশ্বখ্যাত ৰাজনৈতিক মনীষা উইনষ্টন চাৰ্চিলে 'স্বাধীনতা' শীৰ্ষক নাটকখনত ভাৰতীয়ৰ হাতত ক্ষমতা হস্তান্তৰৰ প্ৰাকক্ষণত— Power will go to the hands of rascals, rogues, freebooters. All Indian leaders will be of low caliber and men of strew.'

দুৰ্বৃত্ত আৰু অপৰাধীৰ গ্ৰাসৰ পৰা ৰাজনৈতিক ক্ষেত্ৰখনক ৰক্ষা কৰিবলৈ হ'লে এক বহল সামাজিক বিপ্লৱ আৰু ৰাজনৈতিক সংস্কাৰ অপৰিহাৰ্য। শিক্ষাই হ'ল সমাজ ৰূপান্তৰৰ আটাইতকৈ শক্তিশালী অস্ত্ৰ। প্ৰকৃত শিক্ষাৰ পোহৰেৰে জনসাধাৰণ প্ৰাজ্ঞ আৰু সচেতন হ'বই লাগিব। বিশেষ আইন প্ৰণয়ন কৰি ৰাজনীতিৰ ৰংগমঞ্চৰ পৰা দুৰ্বৃত্ত আৰু অপৰাধীবোৰক উৎখাত কৰিব লাগিব। সেৱাৰ মনোভাৱেৰে সৎ আৰু শিক্ষিত মানুহখিনি ৰাজনৈতিক ক্ষেত্ৰখনত প্ৰৱেশ কৰিব লাগিব।

গণতন্ত্ৰত জনগণেই যে শ্ৰেষ্ঠ দেৱতা— এই সত্য প্ৰতিপন্ন হ'ব লাগিব। লৌহমানৱ বল্লভ ভাই পেটেল, লালবাহাদুৰ শাস্ত্ৰী, অটল বিহাৰী বাজপেয়ী, গোপীনাথ বৰদলৈ, শৰৎ চন্দ্ৰ সিংহ আদি বৰেণ্য ৰাজনৈতিক মনীষাৰ ত্যাগৰ গৰিমা, সততাৰ পোহৰ আৰু মানৱীয় ৰাজনীতি যুগে যুগে বন্দিত হৈ ৰ'ব। তেওঁলোকৰ আলোক সন্ধানী আদৰ্শৰ পোহৰে নতুন পুৰুষক ৰূপান্তৰৰ নতুন বাট দেখুৱাব। মাতৃভূমিৰ প্ৰতি প্ৰেম আৰু সেৱাৰ মনোভাৱ আৰু গণকণ্ঠৰ স্বাধীনতাই নতুন ৰাজনৈতিক প্ৰেক্ষাপট সৃষ্টি কৰাৰ লগতে দেশ আৰু জাতিকো উত্তৰিত কৰিব বুলি ভবাৰ থল আছে।

**বনজিৎ বৰ্মন**, লেখক

ফোন ঃ ৯৫৭৭৩৫৮৪৫১

# সমূহীয়াকৈ ৰঙালী বিহু উদ্‌যাপন কৰক

**ৰাজ্যত** এতিয়া চাৰিওফালে আগন্তুক ৰঙালী বিহুৰ বতাহে আবৰি ধৰিবলৈ লৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ প্ৰতিখন ৰঙালী বিহু উদযাপন সমিতিৰ আজিৰ তাৰিখত ভাবিব নোৱাৰা ধৰণে ব্যস্ততা বাঢ়িছে তাত কোনো সন্দেহ নাই। নিজৰ নিজৰ স্থানীয় অঞ্চলত কোনে ৰাজ্যৰ বিশিষ্ট শিল্পীক সাংস্কৃতিক অনুষ্ঠানৰ বাবে নিমন্ত্ৰণ দিব তাৰ বাবে যেন অঘোষিত প্ৰতিযোগিতা হ'বলৈ গৈ আছে। লক্ষ্যণীয় বিষয় এইটোৱেই যে বেছিভাগ বিহু উদযাপন সমিতিয়ে একেখন ঠাইতে প্ৰতিটো চুবুৰিত পৃথকে পৃথকে বিহু অনুষ্ঠিত কৰে। নিজৰ স্থানীয় অঞ্চলতেই যদি বিহু উদযাপন সমিতিৰ সাংস্কৃতিক সন্ধিয়াৰ বিশেষ আকৰ্ষণক লৈ প্ৰতিযোগিতা হয় তেনেহলে এয়া সাম্প্ৰতিক সময়ছোৱাত চিন্তনীয় কথা নহয় নে? মোৰ নিজৰ জন্মস্থান সৰভোগত মুখ্যতঃ তিনিখন বিহু উদযাপন হয়। সেইকেইখন হ'ল ক্ৰমে— বৃহত্তৰ বৰনগৰ ৰঙালী বিহু সন্মিলনী, বৰনগৰ কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনী আৰু সাৰ্বজনীন ৰঙালী বিহু সন্মিলনী।

ইয়ালৈকে বাৰু ঠিকেই আছে; কিন্তু সৰভোগ অঞ্চলৰ অন্তৰ্গত যিবোৰ সৰু-বৰ গাওঁ আছে তাতো এৰাতিৰ ভিতৰতে পৃথকে পৃথকে তথাকথিত বিহু উদযাপন সমিতি গঠন কৰি লাখ লাখ টকাৰ বাজেটেৰে ৰমক জমককৈ সাংস্কৃতিক সন্ধিয়া আয়োজন কৰে। মোৰ ব্যক্তিগত দৃষ্টিভঙ্গীৰে চাবলৈ গ'লে একোখন এলেকাত কেৱলমাত্ৰ এখন সমিতি গঠন কৰি সকলোৱে সহায় সহযোগিতাৰে ধুনীয়াকৈ বিহু উদযাপন কৰাটো উচিত। কিয়নো সকলোৱে যদি পৃথক পৃথক বিহু উদযাপন কৰে তেনেহ'লে কোনো এখন ঠাইত মুখ্যভাৱে বিহু উদযাপন কৰাৰ কোনো প্ৰয়োজনীয়তা নাই বুলি কব পাৰি। আচলতে সকলোবোৰ স্থানীয় বিহু উদযাপন সমিতি একত্ৰিত হৈ যদি বিহু উদযাপন কৰিবলৈ লয় তেনেহ'লে উক্ত অনুষ্ঠানত জুবিন-পাপনৰ দৰে শিল্পীৰো আগমন ঘটিব বা নিমন্ত্ৰণ দিবলৈ নিশ্চয়কৈ সক্ষম হব। কিন্তু পৃথক পৃথককৈ অনুষ্ঠিত কৰিলে বাজেটত বিৰূপ প্ৰভাৱ পৰাটো তেনেই স্বাভাৱিক কথা। আনহাতে, নিজৰ নিজৰ অঞ্চলত বাস কৰা স্থানীয় শিল্পীবোৰকো অনুষ্ঠান পৰিৱেশন কৰাৰ সুযোগ সুবিধা দিয়াটো অতিকৈ দৰকাৰ, তেতিয়াহে সৰ্বসাধাৰণৰ জনতাৰ মাজলৈ তেওঁলোকৰ প্ৰতিভা ওলাই পৰিব। গতিকে, ৰঙালী বিহু উদযাপন সমিতিৰ প্ৰতিজন কৰ্মীয়ে উক্ত বিষয়টোৰ ওপৰত গুৰুত্ব আৰোপ কৰাটো অত্যন্ত জৰুৰী বুলি মই কব বিচাৰোঁ।

অভিমত

**চন্দন কুমাৰ নাথ,** সৰভোগ
ফোন ঃ ৯১৩২৮-৪৯৭২৬

## হিন্দুৰে নহয়, সন্ত্ৰাসৰ বলি মুছলমানো ঃ মৰ্মস্পৰ্শী ভিডিঅ’ প্ৰচাৰ কাশ্মীৰ আৰক্ষীৰ





**নিউজ ব্যুৰ’, শ্ৰীনগৰ, ৭ এপ্ৰিল ঃ** কাশ্মীৰ উপত্যকাত কেৱল কাশ্মীৰী পণ্ডিতৰ গণহত্যা সংঘটিত হোৱা নাছিল, ধৰ্ম-সম্প্ৰদায় নিৰ্বিশেষে সন্ত্ৰাসবাদীৰ আক্ৰমণৰ বলি হৈ আহিছে কাশ্মীৰৰ সাধাৰণ নাগৰিক। এই বক্তব্য উপস্থাপনৰ বাবে ৫৭ ছেকেণ্ডৰ এক ভিডিঅ’ প্ৰস্তুত কৰিলে কাশ্মীৰৰ আৰক্ষীয়ে। এই ভিডিঅ’ৰ নাম ৰখা হৈছে ‘দ্য আনট’ল্ড কাশ্মীৰ ফাইলছ’। জম্মু-কাশ্মীৰ আৰক্ষীয়ে যোৱা ৩১ মাৰ্চত টুইটাৰত এই ভিডিঅ’ শ্বেয়াৰ কৰিছিল। এই ভিডিঅ’ত একাধিক মৃতদেহ আৰু কান্দোনৰ দৃশ্যৰ স’তে এইদৰে কোৱা হৈছে, ‘এই ধৰণৰ ২০ হেজাৰ মৃত্যুৰ সাক্ষী হৈছে কাশ্মীৰ। এতিয়া ইয়াৰ বিৰুদ্ধে মাত মতাৰ সময় হৈছে। সন্ত্ৰাসবাদীয়ে হত্যা কৰিলে আৰক্ষী বিষয়া ইছফাক আহমেদ আৰু তেওঁৰ ভ্ৰাতৃ ওমৰ জানক। ভূস্বৰ্গৰ মানুহৰ বেদনা আমি অনুভৱ কৰো। আমি সকলোৱে একেলগে সংগ্ৰাম কৰিছো, এই কথা বুজাবলৈকে এই ভিডিঅ’ প্ৰস্তুত কৰা হৈছে।’ উল্লেখ্য যে অলপতে ‘দ্য কাশ্মীৰ ফাইলছ’ নামৰ এখন ছবিয়ে মুক্তি লাভ কৰিছিল আৰু এইখন ছবিত কাশ্মীৰী পণ্ডিতৰ গণহত্যাৰ প্ৰসংগটো দাঙি ধৰা হৈছে। জম্মু-কাশ্মীৰ আৰক্ষীয়ে ‘দ্য আনট’ল্ড কাশ্মীৰ ফাইলছ’ শীৰ্ষক চুটি ভিডিঅ’ প্ৰচাৰ কৰি স্পষ্ট কৰিলে যে কেৱল হিন্দুসকলে নহয়, সন্ত্ৰাসৰ বলি হৈ আহিছে কাশ্মীৰৰ মুছলমান সকলো।

## পঞ্জাৱৰ মুখ্যমন্ত্ৰী মানৰ চৰকাৰী হেলিকপ্টাৰ ব্যৱহাৰক লৈ বিতৰ্ক



**নিউজ ব্যুৰ’, লুধিয়ানা, ৭ এপ্ৰিল ঃ** পঞ্জাৱৰ মুখ্যমন্ত্ৰী ভগৱান মানে হিমাচল প্ৰদেশ আৰু গুজৰাটত দলৰ নিৰ্বাচনী প্ৰচাৰত চৰকাৰী হেলিকপ্টাৰ ব্যৱহাৰ কৰাক লৈ বিতৰ্কৰ সৃষ্টি হৈছে। মানে হিমাচল প্ৰদেশত এইদৰে আম আদমী পাৰ্টি (আপ)ৰ প্ৰচাৰত চৰকাৰী হেলিকপ্টাৰ ব্যৱহাৰ কৰাৰ কেইখনমান ফটোগ্ৰাফ সামাজিক মাধ্যমত চৰ্চিত হৈছে। এই সন্দৰ্ভত পঞ্জাৱৰ মুখ্যমন্ত্ৰীক জবাবদিহি কৰিলে শিৰোমণি আকালী দলৰ নেতা দলজিৎ সিং চিমাই। আকালী নেতাজনে মানে চৰকাৰী হেলিকপ্টাৰ দলীয় প্ৰচাৰত ব্যৱহাৰ কৰি ৰাজকোষৰ ধন অপচয় কৰা বুলি অভিযোগ উত্থাপন কৰিলে। বিজেপি নেতা মনজিন্দৰ সিং ছিৰছায়ো মানক কটাক্ষ কৰি কয় যে পূৰ্বে এইজন ব্যক্তিয়ে তদানীন্তন মুখ্যমন্ত্ৰী চৰণজিৎ সিং ছন্নীক হেলিকপ্টাৰত ভ্ৰমণ কৰাৰ বাবে তীব্ৰ সমালোচনা কৰিছিল। হিমাচল প্ৰদেশ আৰু গুজৰাটত দলৰ প্ৰচাৰত মানে চৰকাৰী হেলিকপ্টাৰ ব্যৱহাৰৰে পঞ্জাৱৰ ধন অপচয় কৰা বুলি বিজেপিয়ে অভিযোগ কৰে।

## এইবাৰ নেপালত বিদেশী মুদ্ৰাৰ সংকট, পৰ্যটন উদ্যোগৰ ব্যাপক ক্ষতি



**নিউজ ব্যুৰ’, কাঠমাণ্ডু, ৭ এপ্ৰিল ঃ** শ্ৰীলংকাৰ দৰে শেহতীয়াভাৱে ভাৰতৰ আন এখন প্ৰতিবেশী ৰাষ্ট্ৰ নেপালো বিত্তীয় সংকটৰ সন্মুখীন হৈছে। শ্ৰীলংকাৰ বৈদেশিক মুদ্ৰা ভাণ্ডাৰ যথেষ্ট হ্ৰাস পাইছে। বিদেশী মুদ্ৰাৰ ভাণ্ডাৰ সীমিত হোৱাৰ ফলত নেপালে সম্প্ৰতি অনাৱশ্যকীয় সামগ্ৰীৰ আমদানি বন্ধ ৰাখিছে। নেপালৰ কেন্দ্ৰীয় বেংকে এক নিৰ্দেশনা জাৰি কৰি চৰকাৰৰ বিভাগসমূহক যানবাহন, অনাৱশ্যকীয় সামগ্ৰী ক্ৰয়ৰ পৰা বিৰত থাকিবলৈ কৈছে। কেন্দ্ৰীয় বেংকে প্ৰকাশ কৰা অনুসৰি অনাৱশ্যকীয় ক্ৰয়ৰ পৰিৱৰ্তে দৰৱ তথা অত্যাৱশ্যকীয় সামগ্ৰী ক্ৰয়ৰ বাবে নেপালে বিদেশী মুদ্ৰা ভাণ্ডাৰ ৰাহি কৰিব লাগিব। প্ৰকাশিত বাতৰি অনুসৰি নেপালৰ পৰ্যটন উদ্যোগ ক’ভিড কালত যথেষ্ট ক্ষতিগ্ৰস্ত হ’ল আৰু ইয়াৰ পৰিণতিত দেশখনৰ বিদেশী মুদ্ৰাৰ ভাণ্ডাৰ হ্ৰাস পালে। জুলাইৰ ২০২১ত দেশখনৰ বিদেশী মুদ্ৰা ভাণ্ডাৰ ১১৭৫ কোটি ডলাৰৰ পৰা ১৭ শতাংশ হ্ৰাস পাই ৯৭৫ কোটি ডলাৰ হ’ল।

## পঞ্জাৱৰ বিদ্যালয়ৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত হ’ল কৃষকৰ আন্দোলন



**নিউজ ব্যুৰ’, চণ্ডীগড়, ৭ এপ্ৰিল ঃ** কেন্দ্ৰৰ বিজেপি চৰকাৰৰ তিনিখন কৃষি আইনৰ বিৰুদ্ধে দেশজুৰি কৃষকসকলে ব্যাপক বিক্ষোভ প্ৰদৰ্শন কৰিছিল। প্ৰায় এবছৰ ধৰি এই বিক্ষোভ অব্যাহত থকাৰ পাছত যোৱা বছৰত কেন্দ্ৰৰ নৰেন্দ্ৰ মোদী চৰকাৰে তিনিওখন বিতৰ্কিত কৃষি আইন প্ৰত্যাহাৰ কৰিছিল। এইবাৰ কৃষকৰ উক্ত আন্দোলনৰ তথ্য অন্তৰ্ভুক্ত হ’ল পঞ্জাৱৰ বিদ্যালয়ৰ পাঠ্যক্ৰমত। প্ৰকাশিত বাতৰি অনুসৰি পঞ্জাৱৰ কে’বাখনো বেচৰকাৰী বিদ্যালয়ৰ ষষ্ঠ শ্ৰেণীৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা হৈছে সাম্প্ৰতিক কৃষক আন্দোলন প্ৰসংগ। এই অধ্যায়ৰ নাম ৰখা হৈছে ‘কিষাণ আন্দোলন’। পাঁচ পৃষ্ঠাৰ কৃষক আন্দোলন বিষয়ক এই পাঠ অধ্যয়ন কৰিব লাগিব ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীয়ে। পাঠ্যক্ৰমৰ লেখক ড° জগজিৎ সিং ধুৰিয়ে জনোৱা অনুসৰি শিক্ষাৰ্থীসকলৰ উপযোগীকৈ ঐতিহাসিক কৃষক আন্দোলনৰ বিৱৰণ পাঠত দাঙি ধৰা হৈছে।

## সংকট দূৰ কৰিবলৈ শ্ৰীলংকালৈ দ্বিতীয়বাৰলৈ পেট্ৰ’ল-ডিজেল, দৰৱ প্ৰেৰণ ভাৰতৰ




**নিউজ ব্যুৰ’, কলম্বো, ৭ এপ্ৰিল ঃ** গভীৰ বিত্তীয় সংকটৰ সন্মুখীন হোৱা শ্ৰীলংকাক ভাৰতে সহায়-সহযোগিতা প্ৰদান অব্যাহত ৰাখিছে। শ্ৰীলংকাৰ ইন্ধন সংকট দূৰ কৰিবলৈ ভাৰতে দ্বিতীয়বাৰৰ বাবে দেশখনলৈ পেট্ৰ’ল-ডিজেল প্ৰেৰণ কৰিলে। মঙল আৰু বুধবাৰে ভাৰতৰ পৰা শ্ৰীলংকাত ৩৬ হেজাৰ মেট্ৰিক টন পেট্ৰ’ল আৰু ৪০ হেজাৰ মেট্ৰিক টন ডিজেল যোগান ধৰা হ’ল। ভাৰতে বৰ্তমানলৈকে ২.৭০ লাখ মেট্ৰিক টনৰো অধিক ইন্ধন শ্ৰীলংকালৈ প্ৰেৰণ কৰিছে। উল্লেখ্য যে শ্ৰীলংকাৰ দেউলীয়া অৰ্থনীতিৰ পুনৰুদ্ধাৰৰ বাবে ভাৰতে এক বিলিয়ন মাৰ্কিন ডলাৰৰ ঋণ প্ৰদানৰো ঘোষণা কৰিছে। ইফালে, শ্ৰীলংকাত অত্যাৱশ্যকীয় দৰৱৰ যথেষ্ট অভাৱ ঘটিছে। পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ভাৰতে প্ৰতিবেশী দ্বীপৰাষ্ট্ৰখনলৈ প্ৰয়োজনীয় ঔষধ প্ৰেৰণ কৰিলে। স্মৰ্তব্য যে ১৯৪৮ৰ পাছত শ্ৰীলংকাই সম্প্ৰতি সৰ্ববৃহৎ আৰ্থিক সংকটৰ সন্মুখীন হৈছে। সম্প্ৰতি দেশখনৰ বৈদেশিক ঋণৰ বোজা ৫১ বিলিয়ন ডলাৰলৈ বৃদ্ধি পাইছে।

**বুছা গণহত্যাৰ দৰেই আন এক ভয়াৱহ হত্যাকাণ্ড সংঘটিত কৰিলে ৰুছ সেনা বাহিনীয়ে**

# জেলেনস্কিৰ বিস্ফোৰক অভিযোগ ঃ মাৰিঅ’পল’ত সহস্ৰাধিকক হত্যা কৰি মৃতদেহ লুকুৱালে ৰুছ সেনাই

**নিউজ ব্যুৰ’ কীভ, ৭ এপ্ৰিল ঃ** বুছা গণহত্যাই সমগ্ৰ বিশ্বকে শিহঁৰিত কৰি তোলাৰ সময়তে এক চাঞ্চল্যকৰ দাবী কৰিলে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ জেলেনস্কিয়ে। ইউক্ৰেইনৰ ৰাষ্ট্ৰপতিয়ে দাবী কৰা অনুসৰি বুছা গণহত্যাৰ দৰেই আন এক ভয়াৱহ হত্যাকাণ্ড সংঘটিত কৰিলে ৰুছ সেনা বাহিনীয়ে। জেলেনস্কিয়ে দাবী কৰা অনুসৰি কেৱল বুছাতে নহয়, মাৰিঅ’প’লতো হেজাৰ হেজাৰ মৃতদেহ লুকুৱাই ৰাখিছে ৰাছিয়াৰ সেনাই। বুছাৰ দৰে ইউক্ৰেইনৰ এইখন চহৰতো ৰুছ সেনাই স্থানীয় বাসিন্দাক নিৰ্মম অত্যাচাৰ চলাই হত্যা কৰিছে বুলি ইউক্ৰেইনৰ ৰাষ্ট্ৰপতিয়ে দাবী কৰিলে। জেলেনস্কিৰ অভিযোগ অনুসৰি বন্দৰচহৰ মাৰিঅ’প’লত ৰুছ সেনাই সাহায্য সামগ্ৰী প্ৰেৰণত বাধা দিছে। চহৰখনত হেজাৰ হেজাৰ বাসিন্দাক হত্যা কৰি মৃতদেহ লুকুৱাই ৰখা হেতুকে ৰুছ সেনাই মাৰিঅ’প’লক সম্প্ৰতি ইউক্ৰেইনৰ পৰা বিচ্ছিন্ন কৰি ৰাখিছে। বৈদ্যুতিন সংবাদ মাধ্যমৰ আগত জেলেনস্কিয়ে অভিযোগ কৰি কয়, ‘সাহায্য সামগ্ৰীৰে আমাক মাৰিঅ’প’লত প্ৰৱেশ কৰিব দিয়া হোৱা নাই। কিয়নো ৰাছিয়াই ভয় খাইছে।




আমি চহৰখনত প্ৰৱেশ কৰিলে সমগ্ৰ বিশ্বই জানিব পাৰিব মাৰিঅ’প’লত কি চলিছে? আমি জানো এই চহৰক এতিয়া তেওঁলোকে নৰকত পৰিণত কৰিলে। মাৰিঅ’পলত হেজাৰ হেজাৰ সাধাৰণ নাগৰিকক হত্যা কৰা হৈছে। আহত হৈছে কে’বা হেজাৰ। বুছা চহৰত হত্যাৰ প্ৰমাণ নষ্ট কৰিবলৈ ৰাছিয়াই অপচেষ্টা চলাইছিল। অধিকৃত অঞ্চলত তেওঁলোকে বহু পৰিয়ালক জ্বলাই হত্যা কৰিছিল। সেয়েহে আমি তেওঁলোকক নাজি বুলি কওঁ।’



## বলিউডৰ জনপ্ৰিয় গীতিকাৰ মায়া গোবিন্দৰ মৃত্যু

**নিউজ ব্যুৰ’ মুম্বাই, ৭ এপ্ৰিল ঃ** বলিউডৰ জনপ্ৰিয় গীতিকাৰ তথা কবি মায়া গোবিন্দৰ মৃত্যু হ’ল। আজি পুৱা গোবিন্দে নিজ বাসগৃহত শেষ নিশ্বাস ত্যাগ কৰে। উল্লেখ্য যে গীতিকাৰ গৰাকী দীৰ্ঘদিন ধৰি ৰোগ আক্ৰান্ত হৈ আছিল। মস্তিষ্কত ৰক্ত জমা হোৱাৰ কাৰণত যোৱা জানুৱাৰীত তেওঁক চিকিৎসালয়ত ভৰ্তি কৰা হৈছিল। পাছত চিকিৎসালয়ৰ পৰা গোবিন্দক ঘৰলৈ অনা হৈছিল। গোবিন্দে ‘ৰেজিয়া চুলতানা’, ‘বাল ব্ৰহ্মচাৰী’, ‘আৰ য়া পাৰ’, ‘গৰ্ব’, ‘লাল বাদশ্বাহ’, ‘য়াৰানা’ৰ দৰে ৩৫০ খনৰো অধিক ছবিৰ বাবে গীত ৰচনা কৰিছিল।

## ভাৰতকো ধ্বংস কৰিব পশ্চিম বিশ্বই ঃ দাবী ৰুছপন্থী ড’নেৎস্ক প্ৰতিনিধিৰ



**নিউজ ব্যুৰ’, মস্কো, ৭ এপ্ৰিল ঃ** ৰাছিয়া-ইউক্ৰেইন যুদ্ধৰ সন্দৰ্ভত ভাৰতৰ স্থিতিক আমেৰিকাসহ বিশ্বৰ আন কে’বাখনো দেশে সমালোচনা কৰি আহিছে। অৱশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দাবী কৰা অনুসৰি আন্তৰ্জাতিক ক্ষেত্ৰত ভাৰতৰ শান্তিৰ নীতিক সকলো পক্ষই প্ৰশংসা কৰিছে। কালি সংসদত ভাৰতৰ বৈদেশিক মন্ত্ৰী এছ জয়শংকৰে মন্তব্য কৰি কৈছিল যে ভাৰত কেৱল শান্তিৰ পক্ষত। এনে পৰিস্থিতিকে ভাৰতক সতৰ্ক বাৰ্তা দিলে ড’নেৎস্ক অঞ্চলৰ প্ৰতিনিধি আলেকছন্দ্ৰ’ভিচ বাচুৰিনে। প্ৰতিনিধিগৰাকীয়ে কয় যে পশ্চিম বিশ্বৰ পৰা ভাৰত সাৱধানে থকা উচিত। কিয়নো পশ্চিম বিশ্বই ভাৰতকো ধ্বংস কৰিব পাৰে। সংবাদ মাধ্যমৰ আগত বাচুৰিনে কয়, ‘পশ্চিম বিশ্বৰ দেশসমূহে ৰাছিয়াক ধ্বংস কৰিব বিচাৰে। কিন্তু ইমানতে অন্ত পৰা নাই, পশ্চিম বিশ্বই ইয়াৰ পাছত ভাৰতৰ দিশলৈ অগ্ৰসৰ হ’ব।’ কিন্তু কিয় ভাৰতৰ স’তে কূটনৈতিক সম্পৰ্ক উন্নত হোৱাৰ পাছতো পশ্চিম বিশ্বৰ দিশে ভাৰতৰ ক্ষতি কৰিব বিচাৰিব বুলি উত্থাপিত প্ৰশ্নৰ উত্তৰ দি বাচুৰিনে পুনৰ কয়, ‘ৰাছিয়াৰ দৰে ভাৰতো বৈচিত্ৰ্যময় দেশ। ভাৰতত বহু ভাষা-ভাষী লোকে বাস কৰে আৰু তেওঁলোকৰ ধৰ্ম বিশ্বাসো বেলেগ। ভাৰত এখন বৃহৎ দেশ। এই দেশৰ বিভিন্ন অঞ্চলত স্থানীয় কিবা নহয় কিবা সমস্যা আছে। ইয়াৰে সুযোগ লৈ ভাৰতৰ ঐক্য ধ্বংস কৰিব পাৰে পশ্চিম বিশ্বই।’ উল্লেখ্য যে ৰাছিয়া-ইউক্ৰেইন যুদ্ধৰ পাছত ভাৰতে যথেষ্ট আন্তৰ্জাতিক হেঁচাৰ সন্মুখীন হোৱাৰ পাছতো নিৰপেক্ষ অৱস্থানত অটল আছে।



## বাংগালুৰুৰ ৩০১ মছজিদ, মন্দিৰলৈ আৰক্ষীৰ জাননী

**নিউজ ব্যুৰ’ বাংগালুৰু, ৭ এপ্ৰিল ঃ** বাংগালুৰু আৰক্ষীয়ে আজি চহৰখনৰ ৩০১ টা মছজিদ, মন্দিৰ, গিৰ্জা আৰু অন্যান্য প্ৰতিষ্ঠানলৈ উচ্চ গ্ৰামৰ লাউড স্পীকাৰ ব্যৱহাৰৰ সন্দৰ্ভত এক জাননী জাৰি কৰিলে। আৰক্ষীয়ে বাংগালুৰুত থকা ৫৯ খন পাব, পানশালা, ৰেস্তোৰাঁ, ১২ টা উদ্যোগ প্ৰতিষ্ঠান, ৮৩ টা মন্দিৰ, ২২ টা গিৰ্জা আৰু ১২৫ টা মছজিদলৈ জাননী প্ৰেৰণ কৰিছে। একাংশ দক্ষিণপন্থী লোকে শব্দ প্ৰদূষণৰ সন্দৰ্ভত আৰক্ষীক দিয়া অভিযোগৰ আধাৰত বাংগালুৰু আৰক্ষীয়ে এই পদক্ষেপ গ্ৰহণ কৰিলে। জামিয়া মছজিদৰ মৌলানাই আৰক্ষীৰ পৰা শব্দ প্ৰদূষণৰ সন্দৰ্ভত লাভ কৰা জাননীৰ কথা স্বীকাৰ কৰি কয় যে তেওঁলোকে লাউড স্পীকাৰ ব্যৱহাৰৰ ক্ষেত্ৰত উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনা পালন কৰিব।

## ইউক্ৰেইন যুদ্ধৰ পৰিণতিত ৰাছিয়াত ব্যাহত ইণ্টাৰনেট স্বাধীনতা

**নিউজ ব্যুৰ’, মস্কো, ৭ এপ্ৰিল ঃ** ৰাছিয়াৰ সেনাই যিদিনা ইউক্ৰেইনত প্ৰৱেশ কৰিছিল, সেইদিনা ৰাছিয়াৰ ৰাষ্ট্ৰীয় যোগাযোগ নিয়ন্ত্ৰক ৰ’ছক’মনাডজ’ৰে এক বিবৃতি প্ৰকাশ কৰি কৈছিল যে যিসমূহ সংবাদ প্ৰতিষ্ঠানে ইউক্ৰেইনত বিশেষ অভিযানৰ বাতৰি পৰিৱেশন কৰিব বিচাৰে তেওঁলোকে কেৱল ৰাছিয়াৰ চৰকাৰী উৎসহে ব্যৱহাৰ কৰিব পাৰিব। অন্যথা সংবাদ প্ৰতিষ্ঠানক ব্লক অথবা পাঁচ নিযুত ৰুবেলৰ জৰিমনা বিহা হ’ব পাৰে। ইয়াৰ পাছৰে পৰা ৰাছিয়াই সংবাদ মাধ্যমৰ বিৰুদ্ধে ‘চেন্সৰশ্বিপ’ দুগুণ বৃদ্ধি কৰিলে। যোৱা চাৰি মাৰ্চত ৰাছিয়াৰ সংসদত এই বিষয়ত সংশোধনী আইন গৃহীত কৰা হৈছিল। এই আইনত উল্লেখ কৰা অনুসৰি ৰাছিয়াৰ সশস্ত্ৰ বাহিনীক অসন্মান কৰিলে বা ৰাছিয়াৰ বিৰুদ্ধে নিষেধাজ্ঞাৰ দাবী জনালে সেয়া অপৰাধ হিচাপে গণ্য কৰা হ’ব। ভুৱা তথ্য প্ৰচাৰৰ বাবে বৃহৎ পৰিমাণৰ জৰিমনা ১৫ বছৰ পৰ্যন্ত কাৰাদণ্ড বিহা হ’ব বুলিও আইনত উল্লেখ কৰা হৈছে। এই আইন গৃহীত হোৱাৰ পাছত ৰাছিয়াই কে’বাটাও আন্তৰ্জাতিক সংবাদ মাধ্যমক দেশখনত বাতৰি পৰিৱেশন বন্ধ কৰিছিল। বি বি চি, ডয়েচভিলে, ভইচ অব্ আমেৰিকা, চি এন এন, ব্লুমবাৰ্গৰ দৰে সংবাদ মাধ্যমত ৰাছিয়াত নিষিদ্ধ কৰা হৈছে অথবা এইবোৰ প্ৰতিষ্ঠানে নিজে সাময়িকভাৱে অনুষ্ঠান পৰিৱেশন বন্ধ ৰাখিছে। ৰুছ প্ৰশাসনে ফে’চবুক, টুইটাৰৰ দৰে সামাজিক মাধ্যমৰ বিৰুদ্ধেও ব্যৱস্থা গ্ৰহণ কৰিছে। ইউক্ৰেইন যুদ্ধৰ পৰিপ্ৰেক্ষিতত এইদৰে ৰাছিয়াত সংবাদ মাধ্যম আৰু ইণ্টাৰনেট স্বাধীনতা ব্যাহত হৈছে।



## পুটিনৰ দুই কন্যাৰ বিৰুদ্ধে নিষেধাজ্ঞা আমেৰিকাৰ



**নিউজ ব্যুৰ’, ৱাশ্বিংটন, ৭ এপ্ৰিল ঃ** আমেৰিকাই কে’বাজনো ৰুছ নেতা আৰু বিষয়াৰ বিৰুদ্ধে নিষেধাজ্ঞা আৰোপৰ পাছত ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনৰ দুই কন্যা কটৰিনা তীখ’ন’ভা আৰু মাৰিয়া ব’ৰ’নস্ত’ভাৰ বিৰুদ্ধে নিষেধাজ্ঞা আৰোপৰ প্ৰস্তাৱত অনুমোদন জনালে। প্ৰকাশিত বাতৰি অনুসৰি কটৰিনাই এগৰাকী প্ৰযুক্তি বিষয়া হিচাপে কাম কৰে। আনহাতে, মাৰিয়াই চৰকাৰী জেনেটিক গৱেষণাৰ কামৰ স’তে জড়িত। হোৱাইট হাউছে পুটিনৰ দুই কন্যাৰ আমেৰিকাত প্ৰৱেশ নিষিদ্ধ ঘোষণা কৰিছে। ৰাছিয়াই ইউক্ৰেইনত চলোৱা আক্ৰমণৰ পৰিপ্ৰেক্ষিততে আমেৰিকাই পুটিন কন্যাৰ বিৰুদ্ধে এই সিদ্ধান্ত গ্ৰহণ কৰিলে।

## চি এ এ-এন আৰ চি বিবাদত হৈছিল ক্ষুব্ধ, নেপালৰ পৰা অস্ত্ৰ ক্ৰয় মূৰ্তজাৰ

**নিউজ ব্যুৰ’, গোৰখপুৰ, ৭ এপ্ৰিল ঃ** গোৰখনাথ মন্দিৰত নিৰাপত্তা কৰ্মীক আক্ৰমণ কৰি গ্ৰেপ্তাৰ হোৱা মূৰ্তজা আব্বাছীয়ে এ টি এছ আৰু উত্তৰ প্ৰদেশ আৰক্ষীৰ জেৰাত চাঞ্চল্যকৰ স্বীকাৰোক্তি দিলে। মূৰ্তজাক জেৰা কৰাৰ এক ভিডিঅ’ শেহতীয়াভাৱে সামাজিক মাধ্যমত প্ৰচাৰ হৈছে। আৰক্ষীৰ জেৰাত




মূৰ্তজাই স্বীকাৰ কৰা অনুসৰি তেওঁ সংশোধিত নাগৰিকত্ব আইন চি এ এ আৰু ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী (এন আৰ চি) সন্দৰ্ভত চৰকাৰৰ স্থিতিক লৈ ক্ষুব্ধ হৈছিল। তদুপৰি কৰ্ণাটকৰ হিজাব বিতৰ্ককলৈয়ো মূৰ্তজা অসন্তুষ্ট হৈছিল। এনে ক্ষোভৰ পৰিণতিতে মূৰ্তজাই গোৰখনাথ মন্দিৰত আক্ৰমণ সংঘটিত কৰা বুলি আৰক্ষীৰ জেৰাত প্ৰকাশ কৰিছে। ভিডিঅ’ত এ টি এছৰ জেৰাত মূৰ্তজাই লগতে কয় যে তেওঁ নেপাললৈ গৈছিল আৰু নেপাল সীমান্তত এখন দোকানৰ পৰা তেওঁ অস্ত্ৰ ক্ৰয় কৰিছিল। তাৰপাছত এখন টেম্প’ ভাড়া কৰি গোৰখনাথ মন্দিৰত উপস্থিত হৈছিল। ইয়াৰ পাছতে মন্দিৰৰ নিৰাপত্তা কৰ্মীক আক্ৰমণ কৰিছিল মূৰ্তজাই।



## কৰ’নাৰ ‘এক্স ই’ প্ৰজাতিৰ বিভ্ৰান্তিৰ মাজতে দেশত পুনৰ এহেজাৰৰ অধিক আক্ৰান্ত, মৃত্যু হ্ৰাস

**নিউজ ব্যুৰ’, নতুন দিল্লী, ৭ এপ্ৰিল ঃ** ভাৰতত কৰ’নাৰ ‘এক্স ই’ প্ৰজাতিৰ সন্ধান লাভ কৰা বুলি কালি বৃহনমুম্বাই পৌৰ নিগমে তথ্য সদৰী কৰিছিল। পৌৰ নিগমৰ তথ্য অনুসৰি মুম্বাইৰ এগৰাকী মহিলাই এই অতি সংক্ৰামক নতুন প্ৰজাতিৰ ক’ভিডত আক্ৰান্ত হৈছে। তদুপৰি কৰ’নাৰ কাপ্পা প্ৰজাতিৰ আক্ৰান্ত আন এজন ৰোগীৰ সন্ধান লাভ কৰা বুলিও তথ্য প্ৰকাশ কৰিছিল। কিন্তু কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ে প্ৰকাশ কৰা অনুসৰি ভাৰতত এতিয়ালৈকে ‘এক্স ই’ প্ৰজাতিৰ সন্ধান লাভ কৰা হোৱা নাই। মুম্বাইত আক্ৰান্ত মহিলাগৰাকী ‘এক্স ই’ প্ৰজাতিৰ আক্ৰান্ত হোৱাৰ সন্দৰ্ভত অধিক গৱেষণাৰ প্ৰয়োজন আছে বুলিও কেন্দ্ৰীয় চৰকাৰে জানিবলৈ দিয়ে। ইফালে, যোৱা ২৪ ঘণ্টাত দেশত ১,০৩৩ জন লোক কৰ’নাত আক্ৰান্ত হ’ল। বৰ্তমানে ভাৰতত ১১,৬৩৯ জন সক্ৰিয় ক’ভিড ৰোগী আছে। আনহাতে, যোৱা ২৪ ঘণ্টাত দেশত ক’ভিডত মৃতকৰ সংখ্যা ৪৩ জনলৈ হ্ৰাস পালে।



## দিল্লীত ২৪ ঘণ্টাত ১২৬ কৰ’না আক্ৰান্তক চিনাক্ত

**নিউজ ব্যুৰ’, নতুন দিল্লী, ৭ এপ্ৰিল ঃ** ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীত আকৌ এবাৰ ক’ভিডৰ সংক্ৰমণে উদ্বেগ বৃদ্ধি কৰিলে। যোৱা ২৪ ঘণ্টাত দিল্লীত নতুনকৈ ক’ভিডত সংক্ৰমিত হ’ল ১২৬ জন লোক। যোৱা চাৰি এপ্ৰিলৰ পৰা ৰাষ্ট্ৰীয় ৰাজধানীত ক’ভিডৰ সংক্ৰমণ ক্ৰমে বৃদ্ধি পালে। ক’ভিড বিধি শিথিল হোৱাৰ পাছত পুনৰ এইদৰে কৰ’নাৰ সংক্ৰমণ বৃদ্ধি পাবলৈ ধৰাত দিল্লীত নতুন আতংকই দেখা দিছে। যোৱা মঙলবাৰে দিল্লীত ১১২ জন ক’ভিড ৰোগীক চিনাক্ত কৰা হৈছিল। বৰ্তমানে ৰাষ্ট্ৰীয় ৰাজধানীত ৪৮৮ জন সক্ৰিয় ক’ভিড ৰোগী আছে। যোৱা ২৪ ঘণ্টাত দিল্লীত এজন কৰ’না ৰোগীৰ মৃত্যু হ’ল।

## আমেৰিকাত ভাৰতীয় ছাত্ৰৰ সংখ্যা বৃদ্ধি, হ্ৰাস পালে চীনৰ শিক্ষাৰ্থীৰ সংখ্যা

**নিউজ ব্যুৰ’, ৱাশ্বিংটন, ৭ এপ্ৰিল ঃ** ২০২১ বৰ্ষত আমেৰিকাত অধ্যয়নৰত ভাৰতীয় ছাত্ৰৰ সংখ্যা ১২ শতাংশ বৃদ্ধি পালে। অৱশ্যে যোৱা বছৰৰ চীনৰ পৰা আমেৰিকাত অধ্যয়ন কৰিবলৈ যোৱা শিক্ষাৰ্থীৰ সংখ্যা আঠ শতাংশ হ্ৰাস পালে। যোৱা বুধবাৰে ইউ এছ চিটিজেনশ্বিপ ইমিগ্ৰেচন ছাৰ্ভিচৰ সদ্যপ্ৰকাশিত বাৰ্ষিক প্ৰতিবেদনত এই তথ্য উল্লেখ কৰা হৈছে। এই প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি মহামাৰীৰ কাৰণত আমেৰিকালৈ অহা বিদেশী ছাত্ৰৰ সংখ্যা যথেষ্ট হ্ৰাস পাইছে। তথ্য অনুসৰি ২০২১ বৰ্ষত এফ ১ আৰু এম ১ ভিছাৰে ভাৰতৰ পৰা ১,২৩৬,৭৪৮ জন শিক্ষাৰ্থী আমেৰিকাত অধ্যয়ন কৰিবলৈ গৈছিল। ‘এফ ১’ ভিছাত আমেৰিকাত অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন সমাপ্তিৰ পাছত আমেৰিকাতে চাকৰি লাভ কৰাৰ সম্ভাৱনা থাকে। এই প্ৰতিবেদনত



উল্লেখ কৰা মতে এছিয়াৰ চীন আৰু ভাৰতৰ পৰা সৰ্বাধিক সংখ্যক শিক্ষাৰ্থীয়ে আমেৰিকালৈ ভ্ৰমণাৰ্থে গমন কৰি আহিছে। ২০২১ বৰ্ষত আমেৰিকাত চীনৰ শিক্ষাৰ্থীৰ সংখ্যা ২০২০ বৰ্ষৰ তুলনাত ৩৩,৫৬৯ জন কম আছিল। আনহাতে, ২০২১ বৰ্ষত ভাৰতৰ পৰা ২০২২ৰ তুলনাত ২৫,৩৯১ জন অধিক শিক্ষাৰ্থীয়ে আমেৰিকালৈ গৈছিল। আমেৰিকালৈ যোৱা ভাৰতীয় শিক্ষাৰ্থীৰ ৩৭ শতাংশই হৈছে মহিলা। ২০২১ বৰ্ষত চীনৰ পৰা আমেৰিকাত অধ্যয়ন কৰিবলৈ গৈছিল ৩,৪৮,৯৯২ জন ছাত্ৰ। আনহাতে, ভাৰতৰ পৰা গৈছিল ২,৩২,৮৫১ জন ছাত্ৰ। ২০২১ বৰ্ষত দক্ষিণ কোৰিয়াৰ ৫৮,৭৮৭, কানাডাৰ ৩৭,৪৭৩, ব্ৰাজিলৰ ৩৩,৫৫২, ভিয়েটনামৰ ২৯,৫৯৭, ছৌদি আৰবৰ ২৮,৬০০, টাইৱানৰ ২৫,৪০৬, জাপানৰ ২০,১৪৪ আৰু মেক্সিকোৰ ১৯,৬৮০ জন ছাত্ৰই আমেৰিকালৈ গৈছিল। আমেৰিকাত বিদেশী ছাত্ৰ-ছাত্ৰীৰ ৭১.৯ শতাংশই হৈছে চীন আৰু ভাৰতৰ শিক্ষাৰ্থী। আমেৰিকাৰ কেলিফৰ্ণিয়াত বিদেশৰ পৰা সৰ্বাধিক সংখ্যক শিক্ষাৰ্থীয়ে অধ্যয়ন কৰে।

## এহেজাৰ কোটিৰ ক্লাবত অন্তৰ্ভুক্ত হ’ল ‘আৰ আৰ আৰ’



**নিউজ ব্যুৰ’, চেন্নাই, ৭ এপ্ৰিল ঃ** ভাৰতীয় চলচ্চিত্ৰৰ ইতিহাসত নতুন অভিলেখ গঢ়িলে পৰিচালক এছ এছ ৰাজামৌলীৰ ‘আৰ আৰ আৰ’ ছবিখনে। ভাৰতৰ বক্স অফিচত ব্যৱসায়ৰ ক্ষেত্ৰত বৰ্তমানলৈকে ‘বাহুবলী ২’ ছবিখনে শীৰ্ষস্থান লাভ কৰিছিল। কিন্তু মুক্তিৰ প্ৰথম সপ্তাহতে বক্স অফিচত ‘বাহুবলী ২’ক অতিক্ৰম কৰিলে ‘আৰ আৰ আৰ’-এ। যোৱা ২৫ মাৰ্চত চিত্ৰগৃহত মুক্তি লাভ কৰিছিল দক্ষিণ ভাৰতৰ এইখন ছবিয়ে। ইতিমধ্যে এইখন ছবিয়ে সন্মানীয় এহেজাৰ কোটিৰ ক্লাবত স্থান লাভ কৰিলে। ‘আৰ আৰ আৰ’ হিন্দীসহ আটাইকেইটা সংস্কৰণে বক্স অফিচত এহেজাৰ কোটি টকাতকৈ অধিক সংগ্ৰহ কৰিলে। ছবিখনৰ হিন্দী সংস্কৰণে ২০০ কোটি টকাৰ অধিক ব্যৱসায় কৰিবলৈ সফল হ’ল।

## লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ ছাত্ৰ

তিনি পৃষ্ঠাৰ পৰা আশংকাত আজি ছাত্ৰ একতা সভাই অৱস্থান ধৰ্মঘট ৰূপায়ণ কৰে। শ্ৰীমন্ত শংকৰ সংঘৰ নামঘৰ, ইউৰো কীড আদি অনুষ্ঠান-প্ৰতিষ্ঠান থকাত পথটোৰ একেবাৰে কাষতে অফিচাৰ্চ ক্লাব নিৰ্মাণ কৰাত অহা-যোৱাত সমস্যাৰ সৃষ্টি হৈছে। ইয়াৰ প্ৰতিবাদত ছাত্ৰ একতা সভাই আজি হাতে হাতে প্লে-কাৰ্ড লৈ এই নিৰ্মাণ কাৰ্য বন্ধ কৰাৰ শ্ল'গানেৰে প্ৰতিবাদমুখৰ হৈ পৰে। ছাত্ৰ একতা সভাৰ সম্পাদক আজিজ আহমেদে উল্লেখ কৰা মতে, এই সন্দৰ্ভত পৌৰসভাৰ কাৰ্যবাহী বিষয়াক এক স্মাৰকপত্ৰ প্ৰেৰণ কৰে।

## ৰাজ্যৰ পশু চিকিৎসালয়ত চিকিৎসকৰ

তিনি পৃষ্ঠাৰ পৰা ১৭ খন ৰাজ্যিক পশু চিকিৎসালয় আছে। জিলা খনৰ ডুমডুমা, বিহগুৰি, মিছন চাৰিআলি, ঘোঁৰামাৰী আৰু ৰঙাপৰা পশু চিকিৎসালয়ত সুদীৰ্ঘদিন ধৰি পশু চিকিৎসকৰ পদ খালী হৈ আছে। ৰাজ্যচৰকাৰৰ পশুপালন আৰু পশু চিকিৎসা বিভাগৰ তথ্য অনুসৰি তেজপুৰৰ মিছন চাৰিআলি পশু চিকিৎসালয় অন্তৰ্গত অঞ্চলত নহেজাৰ গৰু, সাত হেজাৰ ছাগলী আৰু ভেড়া, চাৰি হেজাৰ গাহৰি, ১৯ শ ৰো অধিক হাঁহ আৰু কে'বা হেজাৰ কুকুৰা থকাৰ বিপৰীতে, ৰঙাপৰাৰ পশু চিকিৎসালয় অঞ্চলত প্ৰায় ৪৫ হেজাৰ গৰু, ১৪২ টা মহ, ৩৬ হেজাৰ ছাগলী আৰু ভেড়া, ১২ হেজাৰ গাহৰি, ৪০০ৰো অধিক হাঁহ আৰু কে'বা সহস্ৰাধিক কুকুৰা আছে। কিন্তু ৰঙাপৰাৰ পশু চিকিৎসালয়খনে অঞ্চলটোৰ ১৪০খন গাঁও সামৰি থকাৰ পাছতো চিকিৎসালয় খনত আজিলৈকে এজনো চিকিৎসক নথকাৰ অভিযোগ উঠিছে। আনহাতে, শোণিতপুৰৰ ডুমডুমা চিকিৎসালয় অঞ্চলত ৪২ হেজাৰ গৰু, প্ৰায় আঠ হেজাৰ ম'হ, ২৯ হেজাৰ ছাগলী, ভেড়া, ৩,৭০০ টা গাহৰি, প্ৰায় ১৮ হেজাৰ হাঁহ, কে'বা হেজাৰ কুকুৰা আছে। তদুপৰি বিহগুৰি পশু চিকিৎসালয় অঞ্চলত ৩০ হেজাৰ গৰু, ন শতাধিক ম'হ, প্ৰায় ১৯ হেজাৰ ছাগলী আৰু ভেড়া, ১৯ শতাধিক গাহৰি, ১৫ শতাধিক হাঁহ আৰু ১৪হসহস্ৰাধিক কুকুৰা থকাৰ উপৰি ঘোঁৰামাৰী পশুচিকিৎসালয় অঞ্চলত ১৩ হেজাৰৰো অধিক গৰু, ৩৭ ম'হ, প্ৰায় ১০ হেজাৰ ছাগলী আৰু ভেড়া, তিনি সহস্ৰাধিক গাহৰিৰ লগতে বৃহৎ সংখ্যাক হাঁহ কুকুৰা থকাৰ পাছতো ৰাইজে পশু চিকিৎসাৰ ক্ষেত্ৰত সমস্যাৰ সৃষ্টি হৈছে। বিহগুৰিত আনকি চিকিৎসা বিসংগতিৰ বাবে একাধিক পশুধনৰ মৃত্যু ঘটাৰ অভিযোগ উঠিছে। শোণিতপুৰৰ ১৭ খন ৰাজ্যিক পশু চিকিৎসালয়সমূহৰ অন্তৰ্গত অঞ্চলত তিনি লাখ ৮০ সহস্ৰাধিক অধিক গৰু, ন হেজাৰ পাঁচ শতাধিক ম'হ, এক লাখ ৯৪ হেজাৰৰ অধিক ছাগলী আৰু ভেড়াৰ লগতে ৬০ হেজাৰ গাহৰিকে ধৰি ছয় লাখ ৮৪ হেজাৰৰো অধিক বিভিন্নধৰনৰ পোহনীয়া জীৱ-জন্তু আছে। তদুপৰি জিলাখনৰ বিভিন্ন অঞ্চলত আছে ৯৮ হেজাৰ হাঁহ আৰু চাৰি লক্ষাধিক কুকুৰা। কিন্তু এতিয়াও কুকুৰা মঙহৰ ক্ষেত্ৰত বহিৰাজ্যৰ ওপৰত নিৰ্ভৰশীল ৰাজ্যখনৰ চৰকাৰৰ গুৰুত্বহীনতাৰ বাবেই শোণিতপুৰৰ পাঁচখন পশু চিকিৎসালয় অঞ্চলত কৃষক ৰাইজে গৰু, ম'হ, ছাগলী, ভেড়া, গাহৰি, হাঁহ, কুকুৰা বিভিন্ন ৰোগত আক্ৰান্ত হোৱাৰ সময়ত পশু চিকিৎসকৰ অভাৱত সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়। উল্লেখ্য যে শোণিতপুৰকে ধৰি অসমৰ জিলাই জিলাই দীৰ্ঘদিন ধৰি পশু চিকিৎসকৰ ১৬৪ টা পদ খালী হৈ আছে যদিও পশুপালন আৰু পশু চিকিৎসা বিভাগে নতুন পশু চিকিৎসক নিযুক্তি দিয়াৰ ক্ষেত্ৰত কোনোধৰণৰ পদক্ষেপ গ্ৰহণ কৰা নাই। অসম চৰকাৰৰ পশুপালন আৰু পশু চিকিৎসা বিভাগৰ এনে গুৰুত্বহীনতাত জিলা খনৰ কৃষক ৰাইজৰ লগতে পশুপালক সকল ক্ষুব্ধ হৈ পৰিছে। তদুপৰি শোণিতপুৰৰ কৃষক তথা গোপালকে পশুধনৰ চিকিৎসাৰ বাবে পশু চিকিৎসক এসপ্তাহ লৈকে অপেক্ষা কৰিব লগীয়া হয়। আনকি বহু সময়ত প্ৰয়োজনীয় চিকিৎসা অবিহনেই পশুধনৰ মৃত্যু হোৱা বুলিও অভিযোগ উঠিছে। বিশেষকৈ বানৰ সময়ত গৰু, মহ, ছাগলী আৰু গাহৰি আদি বিভিন্ন ৰোগত আক্ৰান্ত হয় আৰু তেতিয়া পশু চিকিৎসক বিচাৰি নেপাই কৃষকসকল অধিক সমস্যাৰ সন্মুখীন হয়। জিলাখনৰ চাপৰিসমূহত গৰু ম'হৰ বৃহৎ খুটি থকাৰ লগতে জৰীপৰ তুলনাত জিলাখনত বহু অধিক সংখ্যক পশুধন থকাৰ বাবেই মুষ্টিমেয় পশুচিকিৎসক একাংশয়েই পশুপালক সকলৰ ভৰষা হৈ আছে। আনহাতে, একাংশ পশুচিকিৎসকৰ বিৰুদ্ধে আকৌ চিকিৎসাকালত ধনদাবীৰো অভিযোগ উত্থাপিত হৈছে। সম্প্ৰতি পশু পাম আদি স্থাপনৰ লগতে দুগ্ধ উৎপাদনৰে জীৱিকাৰ পথ মোকলাবলৈ আগ্ৰহীসকলে পশু চিকিৎসকৰ অভাৱৰ বাবেই সমস্যাৰ সন্মুখীন হোৱা বুলি ক্ষোভ প্ৰকাশ কৰিছে।

## নাট্যকলা সাধনাত সাফল্যৰ বাবে

তিনি পৃষ্ঠাৰ পৰা মানুহৰ সোঁত বৈছিল, সাৰুৱা কৰিছিল ইয়াৰ মাটি, গঢ়ি থৈ গৈছিল ন ন ইতিহাস।' এই মন্তব্য অসম নাট্য সন্মিলনৰ সভাপতি কুমাৰ দীপক দাসৰ। নগাঁও চহৰৰ কলঙৰ বাকৰি নেহেৰুবালিত কালিৰে পৰা আৰম্ভ হোৱা অসম নাট্য সন্মিলনৰ ৬০ সংখ্যক অধিবেশনৰ আজি পতাকা উত্তোলন কৰি দিয়া ভাষণত সভাপতি দাসে এই মন্তব্য কৰি লগতেপুনৰ কয়, 'নাট্য ইতিহাসত অসমৰ স্থান একক আৰু অনন্য। ৫৫০ বছৰৰ পূৰ্বে অসমত প্ৰচেনিয়াম থিয়েটাৰৰ প্ৰচলন হৈছিল। এক প্ৰণালীবদ্ধ আৰু প্ৰশিক্ষণ ভিত্তিক এনে নাট্য চৰ্চা তাহানি গুৰুজনাই এই নগাঁৰৰ পৱিত্ৰ ভূমি বৰদোৱাত চিহ্ন যাত্ৰাৰে আৰম্ভ কৰি নাট্য আন্দোলনৰ ইতিহাসক অনন্য ৰূপ প্ৰদান কৰি থৈ গৈছে। এই যাত্ৰাৰ সূচনাৰ সময়ত শ্বেক্সপীয়েৰৰ দৰে নাট্যকাৰৰ জন্মই হোৱা নাছিল। প্ৰচেনিয়াম মঞ্চৰ ধাৰণা গুৰুজনাইহে বৰদোৱাৰ পৰা বিশ্বলৈ আগবঢ়াই থৈ গ'ল।' তেওঁ লগতে কয়, 'নাট্য কলা সাধনাত সফলতা লাভ কৰিবলৈ এক ঋষিসুলভ সাধনাৰ প্ৰয়োজন। নাটক এতিয়া এক বিজ্ঞান ভিত্তিক কলা। থিয়েটাৰ এক সংগ্ৰামী শিল্প।' নাটক আৰু নাট্যাভিনয়ৰ প্ৰতি নগাঁৰৰ অৱদানৰ কথা উল্লেখ কৰি দাসে কয় যে অসমৰ নাট্য আন্দোলনক নগাঁৱে সোণোৱালী ৰূপ প্ৰদান কৰিছে। অসম নাট্য সন্মিলনক অসমৰ জাতীয় অনুষ্ঠান বুলি উল্লেখ কৰি দাসে কয় যে ১৯৫৯ত অসমৰ অপেছাদাৰী নাট্য কৰ্মীসকলক একত্ৰিত কৰি কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাই অসম নাট্য সন্মিলনৰ ৰূপ ৰেখা প্ৰস্তুত কৰিছিল। এই অনুষ্ঠান আজি জাতীয় অনুষ্ঠানলৈ পৰ্যবসিত হৈছে। তেওঁ পুনৰ কয়, 'বৰ্তমানৰ নব্য পৰিৱেশত ন ন গণ মাধ্যমৰ সংযোগ ঘটিছে। আমি ইয়াৰ স'তে খোজ মিলাই আমাৰ নাট্য কৰ্মক সমৃদ্ধ কৰিব পৰাকৈ এই মাধ্যমসমূহক ব্যৱহাৰ কৰিব লাগিব।' অসমৰ পৰম্পৰাগত শিল্প কলাক পুনৰ সঞ্জীৱিত কৰিবলৈ সুনিৰ্দিষ্ট আঁচনিৰ প্ৰয়োজনৰ কথা উল্লেখ কৰি সভাপতিজনে ইয়াৰ বাবে অসম নাট্য সন্মিলনৰ মজিয়াখনক জাতীয় ক্ষেত্ৰ হিচাপে গঢ়ি তুলিবলৈ সকলোকে আহবান জনায়। ৬০ সংখ্যক অধিবেশনৰ স'তে সংগতি ৰাখি ৬০ খন পতাকা বিশিষ্ট লোকসকলে উত্তোলন কৰে। পতাকা উত্তোলন অনুষ্ঠানত নগাঁও সদৰ সমষ্টিৰ বিধায়ক তথা অধিবেশনৰ আদৰণি সমিতিৰ সভাপতি ৰূপক শৰ্মাই অংশগ্ৰহণ কৰি কয় যে এই অধিবেশনে নগাঁৱলৈ এক ইতিবাচক বাৰ্তা কঢ়িয়াই আনিছে। নগাঁৱৰ পৰাই নাট্য আন্দোলনৰ আৰম্ভ হৈছিল। অসম নাট্য সন্মিলনৰ বেবেজীয়াত থকা নাট তীৰ্থ প্ৰকল্পক আকৰ্ষণীয় ৰূপত গঢ়ি তুলিবলৈ প্ৰয়াস কৰা হৈছে। পতাকা উত্তোলনৰ পাছতে স্মৃতি তৰ্পণ অনুষ্ঠান মুকলি কৰে সন্মিলনৰ কাৰ্যকৰী সভাপতি দিলিপ চন্দ্ৰ বৰাই, বন্তি প্ৰজ্বলন কৰে সন্মিলনৰ উপ-সভাপতি ক্ৰমে বসন্ত বৰ্মন, হিৰণ্য হাজৰিকা, জয়ন্ত হাজৰিকা আৰু টুটু বৰুৱাই। দিনৰ ১১ বজাত পাঠৰী শাখাৰ সহযোগত শিশু নাট প্ৰদৰ্শন কৰা হয় আৰু সন্মিলনৰ আজীৱন সদস্যৰ অন্তৰংগ অনুষ্ঠান অনুষ্ঠিত হয়। বিয়লি সদৌ অসম ভিত্তিক কবিতা প্ৰতিযোগিতা, আবেলি পাঁচ বজাত নতুন দিল্লীৰ ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ নাটক প্ৰদৰ্শন আৰু সন্ধিয়া ছয় বজাত ডাঃ দিলীপ কুমাৰ বৰুৱাৰ সোঁৱৰণী মাণ্ডলিক নাটক প্ৰতিযোগিতা অনুষ্ঠিত হয়। কাইলৈ পুৱা নাটকৰ পৰ্যালোচনা, সন্মিলনৰ সাধাৰণ পৰিষদৰ সভা, একক অভিনয় প্ৰতিযোগিতা, বিয়লি শিশু নাট প্ৰদৰ্শন, সন্ধিয়া সংগীত নাটক একাডেমিৰ নাটক প্ৰদৰ্শন আৰু মাণ্ডলিক নাট প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। আজি অনুষ্ঠিত অনুষ্ঠানসমূহৰ আঁত ধৰে সন্মিলনৰ প্ৰধান সম্পাদক গিৰিধৰ ৰয়, আদৰণী সমিতিৰ মুখ্য সম্পাদক সন্তৰাম দাসৰ লগতে ৰাজীৱ বৰা আদিয়ে। অহা ১০ এপ্ৰিলত অধিবেশনৰ সামৰণি পৰিব।

## আজিৰ পৰা ৰঙালীৰ ষষ্ঠ সংস্কৰণ আৰম্ভ

তিনি পৃষ্ঠাৰ পৰা সংস্কৰণটোৰে ভ'কেল ফৰ ল'কেল ধাৰণাটোৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে আৰু সেই প্ৰেক্ষাপটত এখন প্ৰদৰ্শনীৰ ব্যৱস্থা কৰা হৈছে য'ত প্ৰায় দুশজন উদ্যোগী, আত্মসহায়ক গোট, ষ্টাৰ্ট-আপ, কৃষি-উদ্যোগী, শিপিনী, শিল্পী, কৃষক, উৎপাদনকাৰী কোম্পানী, চৰকাৰী সংস্থা আৰু ঔদ্যোগিক সংগঠনৰ বিভিন্ন ব্যক্তিসকল উপস্থিত থাকিব। ৰঙালীৰ মুখ্য আকৰ্ষণ হ'ব অসমৰ মুখ্যমন্ত্ৰী ড° শৰ্মাৰ দ্বাৰা অনুপ্ৰাণিত ভ'কেল ফৰ ল'কেল প্ৰদৰ্শনী। ৰঙালীয়ে অসমত তৈয়াৰ কৰা সামগ্ৰী যেনে গাহৰি ব্ৰেণ্ডৰ মাংস, বাহুবলী কণী, ৰিপ'জ, কন্যকা আৰু গৰুখুঁটি, ষ্টাৰ্টআপ উদ্যোগীসকলৰ প্ৰচুৰ সামগ্ৰীৰ প্ৰদৰ্শনী অনুষ্ঠিত কৰিব। ইয়াৰ লগতে থাকিব সমগ্ৰ অসমৰ শিপিনী আৰু শিল্পীসকলে প্ৰদৰ্শন কৰা আকৰ্ষণীয় অসম হস্ততাঁত সামগ্ৰীৰ লগতে বিভিন্ন ধৰণৰ কাৰু শিল্প আৰু এপিএআৰটিৰ দ্বাৰা কৃষি আৰু আনুষংগিক সামগ্ৰীৰ বৃহৎ প্ৰদৰ্শনী।

খাদ্য হৈছে ৰঙালীৰ এক মুখ্য উপাদান। খাদ্যই পৰ্যটকসকলক আকৰ্ষিত কৰে। অসমৰ বাৰেৰহণীয়া খাদ্যসম্ভাৰে পৰ্যটনত অৰিহণা যোগোৱাৰ সম্ভাৱনা প্ৰচুৰ। ৰঙালীত সমগ্ৰ ভাৰতৰ বিভিন্ন ৰন্ধন প্ৰণালীৰ লগতে অসমৰ বিভিন্ন জনজাতি আৰু সম্প্ৰদায়ৰ জাতিগত, স্থানীয় খাদ্য যেনে বড়ো, মিচিং, কাৰ্বি, তিৱা, ডিমাছা খাদ্য প্ৰদৰ্শন কৰা হ'ব। খাদ্য প্ৰদৰ্শনীখন খাদ্য ব্লগাৰ ড° গীতা দত্তই প্ৰস্তুত কৰিব, য'ত অসমৰ বিভিন্ন জনজাতি আৰু সম্প্ৰদায়ৰ অজস্ৰ ব্যঞ্জন উপস্থাপন কৰা হ'ব। প্ৰিয় বন্ধু নামৰ বেচৰকাৰী সংস্থাটোৱে সমগ্ৰ অসমৰ বৃহৎ সংখ্যক প্ৰতিযোগীৰ অংশগ্ৰহণৰ স'তে থলুৱা খাদ্য, নিৰামিষ, আমিষ আৰু মিঠা ব্যঞ্জনৰ এক খাদ্য প্ৰতিযোগিতা অনুষ্ঠিত কৰিব।

ৰঙালীৰ প্ৰসংগত মুখ্য সংগঠক শ্যামকানু মহন্তই কয়, 'আমি ২০১৫ত ৰঙালী আৰম্ভ কৰিছিলো। যাৰ উদ্দেশ্য আছিল অসমৰ জাতিগত বৈচিত্ৰ্য প্ৰদৰ্শন কৰা। ৰঙালীয়ে আকৰ্ষণীয় সংগীত, নৃত্য, হস্তশিল্প, কাৰুশিল্পৰ লগতে ৰাজ্যখনৰ খাদ্য সংস্কৃতি প্ৰচাৰত গুৰুত্ব দি আহিছে। বিগত বছৰবোৰত বিভিন্ন সম্প্ৰদায়ৰ মিলনভূমিৰে ৰঙালী অসমৰ বাৰেৰহণীয়া উৎসৱৰ মঞ্চত পৰিণত হৈছে। ৰঙালী উদীয়মান শিল্পী, উদ্যোগীসকলৰ এক উমৈহতীয়া মঞ্চ আৰু এই মঞ্চই পৰ্যটকৰ পৰাও যথেষ্ট মনোযোগ লাভ কৰিছে। ৰঙালী ২০২২ -এ সামগ্ৰিকভাৱে অসমৰ বিভিন্ন দিশক একেখন মঞ্চৰ তললৈ আনিব বিচাৰিছে। ৰঙালীত বড়ো, মিচিং, ডিমাছা, ৰাভা, গোৰ্খা, চাহ জনজাতি, মৰাণ, কাৰ্বি আদি বিভিন্ন সম্প্ৰদায়ে তেওঁলোকৰ বাৰেৰহণীয়া সংস্কৃতি প্ৰদৰ্শন কৰিব। ৰঙালীত প্ৰদৰ্শন কৰিবলৈ বিভিন্ন অঞ্চলৰ পৰা বৃহৎ সংখ্যক সংগীত বেণ্ড, ডিজাইনাৰ, শিল্পীসকল আহিব। 'ল'কেল ফৰ ভ'কেল' প্ৰদৰ্শনীৰ জৰিয়তে চাহ জনজাতি সম্প্ৰদায়ৰ বিশেষ প্ৰদৰ্শনী এক মুখ্য আকৰ্ষণ হ'ব। যিসকল শিল্পীৰ জীৱিকা কʼভিড মহামাৰীৰ সময়ত বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছিল আমি তেনে উদ্যোগীসকলৰ বাবে এক বজাৰ সৃষ্টি কৰিবলৈ চেষ্টা কৰিছো। প্ৰতিবাৰেই ৰঙালীত ভিন্ন ৰন্ধন প্ৰণালীৰ খাদ্য প্ৰদৰ্শনী এক মুখ্য আকৰ্ষণ হৈ আহিছে। এইবাৰ থলুৱা অসমীয়া খাদ্যৰ সম্প্ৰসাৰণৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিয়া হৈছে। ইয়াৰ উপৰি ৰঙালীত অসম আৰু ভাৰতীয় খাদ্যৰ আকৰ্ষণীয় থালীৰ ব্যৱস্থা কৰা হৈছে। বসন্তকালত অসম নাচনী-ঢোলৰ মাতেৰে ৰজনজনাই থাকে সেয়ে ৰঙালীয়ে বিশেষভাৱে বিহু হুঁচৰি আৰু বিহুৱতী প্ৰতিযোগিতাৰ আয়োজন কৰিছে। সমগ্ৰ অসমৰ শ্ৰেষ্ঠ বিহু হুঁচৰি দলবোৰে ইয়াত অংশ ল'ব। বিহুৱতী প্ৰতিযোগিতাত এক লাখৰ প্ৰথম পুৰস্কাৰৰ স'তে বিভিন্ন আকৰ্ষণীয় পুৰস্কাৰ ধাৰ্য কৰা হৈছে। ৰঙালীৰ বাকৰিত সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ অসমীয়া মহাপুৰুষ শংকৰদেৱৰ সৃষ্ট ৫০০ বছৰ পুৰণি ৰাম বিজয়, ৰুক্মিণী হৰণ, পাৰিজাত হৰণ আদি অংকীয়া ভাওনাৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব। ৰঙালীয়ে সদায়েই সৃজনশীলতাৰ ওপৰত গুৰুত্ব আৰোপ কৰি আহিছে। বিগত বছৰবোৰত ৰঙালীয়ে নতুন প্ৰতিভাক এখন মঞ্চ প্ৰদান কৰিছে। শান্তনু হাজৰিকা আৰু তেওঁৰ দৰে সম্ভাৱনাপূৰ্ণ শিল্পী সৃষ্টি কৰিছে। প্ৰায় ৫০জন শিল্পীয়ে এইবাৰ ৰঙালীত তেওঁলোকৰ শিল্পকৰ্ম প্ৰদৰ্শন কৰিব।

অসমৰ সম্ভাৱনাময় যুৱ চামক এখন মঞ্চ দিবলৈ ৰঙালীয়ে হিপ হপ, অপেন মাইক আদি অনুষ্ঠানৰ আয়োজন কৰিছে। এই মঞ্চত সংগীত, কবিতা, নৃত্যকে ধৰি অন্যান্য কাৰ্যকলাপ প্ৰদৰ্শন হ'ব। শিল্পীসকলে লোকসংগীত, স্বতন্ত্ৰ সংগীত আদিও উপস্থাপন কৰিব। ভাষা যিয়েই নহওক সংগীতে মানুহক একেডাল সূতাৰে বান্ধি ৰাখে। 'ৰঙালী গুড ভাইবছ মিউজিক য'ত নবীন-প্ৰবীণ বিভিন্ন শিল্পীয়ে প্ৰদৰ্শন কৰিব যাৰ ভিতৰত আছে সন্নিধ্যা ভূঞা, ভাস্কৰ অপছৰেল, দীপাক্ষী কলিতা, প্ৰবীণ বৰা, দীপ্তানিল বৰুৱা, ভগ্নীদ্বয় অপৰূপা-শতৰূপা আৰু জুবিন গাৰ্গ, বিপুল ছেত্ৰী, ৰঘু দিক্ষীত আৰু বিভিন্নজন। ৰঙালীয়ে অসম চলচ্চিত্ৰ বিত্ত আৰু উন্নয়ন নিগমৰ সহযোগত হিয়া দিয়া নিয়া, মিছন চাইনা, ৰত্নাকৰ আদি ব্লকবাষ্টাৰ চিনেমাৰ বিশেষ প্ৰদৰ্শনৰ আয়োজন কৰিছে। আঠ সন্ধিয়া জুবিন গাৰ্গৰ অনুষ্ঠান পৰিৱেশনৰ পূৰ্বে এ এম টেলিভিছনৰ দ্বাৰা প্ৰযোজিত ড° বেজবৰুৱা ছবিৰ সংগীত আৰু পোষ্টাৰ মুকলি কৰা হ'ব। হস্ততাঁত অসমৰ এক বৃহৎ শক্তি আৰু সম্পদ। ৰঙালীৰ মঞ্চত শ্ৰেষ্ঠ ডিজাইনাৰ, মডেল আৰু শ্ব' ষ্টপাৰসকলৰ দ্বাৰা প্ৰদৰ্শিত পোছাকে অঞ্চলটোৰ সমৃদ্ধ হস্ততাঁত আৰু কাপোৰ প্ৰদৰ্শন কৰিব। এইবাৰ ৰঙালীৰ অন্যতম মুখ্য আকৰ্ষণ হৈছে বলিউদৰ তাৰকা আৰু সংগীতজ্ঞ শ্ৰুতি হাছান, যি অসম সন্তান শান্তনু হাজৰিকাৰ দৰে প্ৰতিভাশালী শিল্পীৰ স'তে ৰঙালীত উপস্থিত থাকিব। যথেষ্ট সংখ্যক পৰ্যটক, ট্যুৰ অপাৰেটৰসকলে ৰঙালী ভ্ৰমণ কৰিব বুলি আশা কৰা হৈছে। ৰঙালীৰ মঞ্চত বহুকেইজন যুৱ উদ্যোগীক সম্বৰ্ধনা জনোৱা হ'ব। আনহাতে, ৰঙালীৰ ৰেম্পত বহুতো বিখ্যাত ব্যক্তিত্বই খোজ দিব। অসমৰ অন্যতম বৃহৎ উৎসৱ ৰঙালীৰ অনুষ্ঠানৰ সময় পুৱা ১১ বজাৰ পৰা নিশা ১০ বজালৈ। প্ৰৱেশ বিনামূলীয়া।

## বায়ু-পানীবিহীন পৃথিৱী কল্পনা কৰিব নোৱাৰি

**অগ্ৰদূত বাৰ্তা**

**কনিহা, ৭ এপ্ৰিল ঃ** মাটি, পানী, বৃক্ষ আৰু বায়ুই প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা কৰে। মাটি, বায়ু আৰু পানী বিহীন পৃথিৱী কোনেও কল্পনা কৰিব নোৱাৰে। জীৱ শ্ৰেষ্ঠসকলে এই ভাৰসাম্য বিনষ্ট কৰা উচিত নহয়। ৰঙিয়া মহকুমাৰ অন্তৰ্গত কনিহা

## কেলিফৰ্ণিয়াৰ ইণ্ডিছ ফিল্ম এণ্ড

তিনি পৃষ্ঠাৰ পৰা তথ্যচিত্ৰখনৰ বিষয়বস্তু আছিল এলজিবিটিকিউ সম্প্ৰদায়ৰ লোকসকলৰ ওপৰত। আমাৰ সমাজখনলৈ যদি আমি চাওঁ (অসমীয়া সমাজেই হওঁক বা ভাৰতীয় সমাজেই হওঁক) এলজিবিটিকিউ সম্প্ৰদায়ৰ যিসকল লোক আছে তেওঁলোকক অবজ্ঞাৰ চকুৰে চোৱা হয়। যদি কোনো এটা ল'ৰাই ছোৱালীৰ নিচিনাকৈ খোজকাঢ়ে অথবা যদি কোনো এজনী ছোৱালীয়ে ল'ৰাৰ নিচিনাকৈ খোজকাঢ়ে আমাৰ সমাজৰ লোকসকলে তেওঁলোকক ভাল দৃষ্টিৰে নাচায়। মোৰ তথ্যচিত্ৰখনত ঈশ্বৰৰ সন্তানৰ মাধ্যমেৰে সমাজলৈ এটা বাৰ্তা প্ৰেৰণ কৰিব বিচাৰিছো। বাৰ্তাটো হ'ল সকলো ঈশ্বৰৰ সন্তান। এই সম্প্ৰদায়ৰ লোকসকলক আমি ক'তোৱেই তাচ্ছিল্য কৰা উচিত নহয়। এই তথ্যচিত্ৰখন কেৰালাত চলি থকা আন্তঃৰাষ্ট্ৰীয় ছায়েন্স ফিল্ম ফেষ্টিভেলতো ডকুমেন্টৰী শাখাত প্ৰদৰ্শিত হোৱাৰ লগতে যথেষ্ট সমাদৃত হোৱা বুলি বৰুৱাই জনাইছে। স্মৰ্তব্য যে পাৰ্থজিৎ বৰুৱা এজন শিক্ষাবিদ আৰু সুলেখকো। নগাঁও চহৰৰ ৰেণেছা জুনিয়ৰ কলেজৰ স্বত্বাধিকাৰী বৰুৱা নগাঁৱৰ বিভিন্ন সামাজিক-সাংস্কৃতিক অনুষ্ঠানৰ স'তে জড়িত।

## বিহুৰ সাহায্য প্ৰদানত

তিনি পৃষ্ঠাৰ পৰা জাতীয় মঞ্চৰ স্থায়ী প্ৰাংগণত বিগত ৩২ বছৰ ধৰি ব'হাগ বিহু পালন কৰি অহা হৈছে। অসম চৰকাৰৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কৰা ঘোষণাৰ পৰিপ্ৰেক্ষিতত দেউৰী জাতীয় মঞ্চ সাংস্কৃতিক কেন্দ্ৰই যোৱা ১৯ ফেব্ৰুৱাৰীতে বিহু উদ্‌যাপনৰ বাবে উল্লিখিত ডেৰ লাখটকীয়া এককালীন সাহায্য বিচাৰি মুখ্যমন্ত্ৰীৰ ওচৰত আবেদন জনাইছিল; কিন্তু মুখ্যমন্ত্ৰীৰ সাহায্য প্ৰদানৰ তালিকাত দেউৰী জাতীয় মঞ্চক বৈষম্যমূলকভাৱে বঞ্চিত কৰা হ'ল। চৰকাৰৰ এনে আচৰণ দুৰ্ভাগ্যজনক।'

আজিৰ সভাত কেন্দ্ৰৰ সভাপতি দেউৰীয়ে কাৰ্যনিৰ্বাহকৰ প্ৰস্তাৱ মৰ্মে বৈষম্য পৰিহাৰ কৰি দেউৰী জাতীয় মঞ্চ প্ৰমুখ্যে অন্যান্য পুৰণি জনজাতীয় বিহু অনুষ্ঠানসমূহকো উল্লিখিত এককালীন সাহায্য প্ৰদান কৰিবলৈ মুখ্যমন্ত্ৰীৰ প্ৰতি আহ্বান জনায়।

## প্ৰধানমন্ত্ৰী মোদীৰ আগমনক লৈ

তিনি পৃষ্ঠাৰ পৰা বৰা, বিত্তমন্ত্ৰী অজন্তা নেওগ, শক্তিমন্ত্ৰী বিমল বৰা, শ্ৰমমন্ত্ৰী সঞ্জয় কিষাণসহ উজনিৰ সকলো বিধায়ক উপস্থিত থাকে। এই বৈঠকত বিভিন্ন বিভাগৰ প্ৰশাসনিক মুৰব্বী আৰু বিষয়াই অংশগ্ৰহণ কৰে। উল্লেখ্য যে ডিব্ৰুগড়ত অহা ২৮ এপ্ৰিলত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ডিব্ৰুগড়ৰ কেঞ্চাৰ কেয়াৰ হাস্পতাল উদ্বোধন কৰিব আৰু এই প্ৰস্তুতিৰ সন্দৰ্ভত গুৰুত্বপূৰ্ণ বৈঠক ডিব্ৰুগড় জিলা উপায়ুক্ত কাৰ্যলয়ত আজি অনুস্থিত হয়। অসম চিকিৎসা মহাবিদ্যালয়ৰ চৌহদত নিৰ্মীয়মাণ অত্যাধুনিক কেঞ্চাৰ হাস্পতালৰ উদ্বোধন কৰিব। আনহাতে, ডিব্ৰুগড়ৰ খনিকৰত এক বিশাল ৰাজহুৱা সভাত অংশগ্ৰহণ কৰাৰ লগতে ৰাজ্যৰ কে'বাস্থানত নিৰ্মাণ হোৱা কেঞ্চাৰ হাস্পতালৰ উদ্বোধন কৰিব প্ৰধানমন্ত্ৰীয়ে। আনহাতে, ভাৰ্চুৱেলী আন আঠখন কেঞ্চাৰ হাস্পতালৰ পুনৰ আধাৰশিলা কৰাৰ কথা প্ৰধানমন্ত্ৰীয়ে। প্ৰধানমন্ত্ৰীৰ আগমনক লৈ সভাৰ স্থান আৰু অন্যান্য প্ৰস্তুতি সম্পৰ্কে জিলা উপযুক্ত কাৰ্যালয়ত দীঘলীয়া বৈঠকত মিলিত হয় মন্ত্ৰী, বিষয়া তথা জনপ্ৰতিনিধিসকল। টাটা ট্ৰাষ্ট আৰু অসম চৰকাৰৰ যৌথ প্ৰচেষ্টাত অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেছনৰ উদ্যোগত অসম মেডিকেল কলেজ চৌহদত এখন লেভেলৰ কেঞ্চাৰ হাস্পতাল নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিছে। দেশৰ ভিতৰতে অন্যতম এই ২০০ খন বিছনাযুক্ত অত্যাধুনিক কেঞ্চাৰ হাস্পতালখন উদ্বোধন কৰিবলৈ আহিব দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। আনহাতে, ডিব্ৰুগড়ৰ পৰাই প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰ্চুৱেলী তেজপুৰ, লখিমপুৰ, বৰপেটা, দৰং, যোৰহাট আৰু গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ কৰ্কট চিকিৎসালয় উদ্বোধন কৰাৰ কথা।

## বৰ্ণিল কাৰ্যসূচীৰে সামৰণি পৰিল

তিনি পৃষ্ঠাৰ পৰা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে শোভাযাত্ৰাত গায়ন-বায়ন, বিহুকে ধৰি বিভিন্ন জনগোষ্ঠীৰ কৃষ্টি প্ৰদৰ্শন, ভাওনা সংস্কৃতি, প্ৰকৃতি ৰক্ষা, বাঁহ শিল্প, অসমীয়াৰ দাপোণৰূপত গামোচা, সূতাৰ উৎপাদন প্ৰক্ৰিয়া, শৈশৱ কাল, বিবাহ অনুষ্ঠান, ধৰ্মীয় উপাসনাস্থলী, নাওখেল, ভ্ৰাম্যমাণ পুথিভঁৰাল, মৎস্য কুৰ্ম নৰসিংহ অৱতাৰ, বিচ্ছিন্নতাবাদী মনোভাৱত বিধ্বস্ত অসমকে ধৰি বিভিন্ন প্ৰতীকী দৃশ্য উপস্থাপন কৰি ৰাইজক মুগ্ধ কৰে। কমল দুৱৰা কলেজৰ সন্মুখৰ পৰা উলিওৱা শোভাযাত্ৰাটো নগৰৰ মূল চাৰিআলিয়েদি আহি পুনৰ কলেজ পোৱালৈ নগৰখনত যান-বাহন চলাচল একপ্ৰকাৰ স্থবিৰ হৈ পৰে। শোভাযাত্ৰাৰ অন্তত মহাবিদ্যালয়ৰ হৰকান্ত মহন্ত প্ৰেক্ষাগৃহত অনুষ্ঠিত হয় মহোৎসৱৰ সামৰণি অনুষ্ঠান। উক্ত অনুষ্ঠানৰ আৰম্ভণিতে অধ্যক্ষ ড° ৰঞ্জিত কুমাৰ বৰদলৈয়ে মহোৎসৱৰ সফলতাত সকলোৰে সহযোগিতাৰ বাবে সকলোৰে প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে। উক্ত অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশ লোৱা মৰাণ কলেজৰ প্ৰাক্তন অধ্যক্ষ ড° অনিল শইকীয়াই মহোৎসৱৰ সুন্দৰ অনুভৱ ব্যক্ত কৰি ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যৎ জীৱনলৈ এই অভিজ্ঞতা সাহ হৈ থিয় দিব বুলি মন্তব্য কৰে। বিশিষ্ট লোকসংস্কৃতিৰ গৱেষকজনে গীত-নৃত্যৰে মনোগ্ৰাহীকৈ দিয়া ভাষণত ছাত্ৰ-ছাত্ৰীসকলক তেওঁ গাঁৱৰ মাজলৈ গৈ সাংস্কৃতিক সমল বোটলাৰো আহ্বান জনায়। উক্ত অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ডীন নিৰোদ বৰুৱা, ডিকেডি মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° দেৱেন্দ্ৰ নাথ বৰা, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ক্ৰীড়া বিষয়া দিব্যজ্যোতি গগৈ প্ৰমুখ্যে বিশ্ববিদ্যালয়ৰ ক্ৰীড়া পৰিষদৰ বিষয়া কৰ্মচাৰীসকলে অংশগ্ৰহণ কৰে। মহোৎসৱৰ অনুভৱ সম্পৰ্কত সভাত গড়গাঁও কলেজৰ এজন শিক্ষক, ডুমডুমা, মৰাণ আৰু যোৰহাট আইন কলেজৰ এগৰাকীকৈ শিক্ষাৰ্থীয়ে বক্তব্য আগবঢ়ায়। পৰৱৰ্তী সময়ত বিশ্ববিদ্যালয়ৰ ক্ৰীড়া পৰিষদৰ সদস্য জিতুৰঞ্জন চেতিয়াই মহোৎসৱৰ বিভিন্ন প্ৰতিযোগিতাৰ বঁটাসমূহ ঘোষণা কৰে।

## ঢোলৰ ওজা, লেখক

তিনি পৃষ্ঠাৰ পৰা হয়। মিছামৰা হাবিগাঁও নিবাসী, বিশিষ্ট শিল্পী বৰুৱা অসম চৰকাৰৰ সাংস্কৃতিক পেঞ্চনাৰ আছিল। বিহু সুৰক্ষা সমিতি, অসমৰ প্ৰতিষ্ঠাপক তথা মৃত্যু পৰ্যন্ত কেন্দ্ৰীয় কৰ্ণধাৰ সদস্য হৈ থকা বৰুৱা অসম ঢুলীয়া শিল্পী সন্মিলনৰ প্ৰাক্তন সভাপতি আছিল। সৰুৰে পৰা মেধাসম্পন্ন দণ্ডেশ্বৰ বৰুৱা সেইসময়ৰে সন্মান সহ স্নাতক ডিগ্ৰীধাৰী আছিল। ঢোল আৰু ঢুলীয়া সংস্কৃতিক এক নতুন গতি প্ৰদান কৰোতা শিল্পীজনক বিহু সুৰক্ষা সমিতি, অসমে ঢোলৰ যাদুকৰ মঘাই ওজা বঁটাৰে সন্মানিত কৰিছিল। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ একনিষ্ঠ সেৱক বৰুৱা শংকৰী সংস্কৃতি প্ৰচাৰ, প্ৰসাৰৰ অন্যতম গুৰিধৰোতা আছিল। তাৰ বাবে তেওঁক সংঘই প্ৰদান কৰিছিল জয়ৰাম নাথ প্ৰচাৰ বঁটা। আজীৱন কলা, সাহিত্য-সংস্কৃতিৰ সাধক, সুবক্তা, লেখক বৰুৱাই বিভিন্ন কাকত-আলোচনীত বহুবোৰ প্ৰবন্ধ লিখাৰ লগতে তেওঁ ৰচনা কৰা ঢোলৰ মালিতা সংকলন 'শান্তিদূত ঢোলৰ মালিতা' পুথি প্ৰকাশ কৰিছিল। গোলাঘাট মহকুমা পৰিষদৰ প্ৰাক্তন কাউন্সিলাৰ দণ্ডেশ্বৰ বৰুৱা পূৰ্বৰ জনতা দলৰ কৰ্মী আছিল। মিছামৰা সমবায় সমিতিৰ ১৫ বছৰ ধৰি সভাপতি পদত কাৰ্যনিৰ্বাহ কৰাৰ উপৰি বিভিন্ন সামাজিক সাংস্কৃতিক অনুষ্ঠানৰ গুৰিধৰোতা আছিল। গাঁওৰক্ষী বাহিনীৰ দেৰগাঁও থানা সমিতিৰ প্ৰাক্তন সভাপতি, দেৰগাঁও কমল দুৱৰা কলেজ পৰিচালনা সমিতিৰ প্ৰাক্তন সদস্য, অসম সাহিত্য সন্মিলনৰ দেৰগাঁও শাখাৰ প্ৰাক্তন সভাপতি আদিকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ বিভিন্ন দায়িত্বত থকা বৰুৱা মৃত্যু পৰ্যন্ত সভাপতিৰ দায়িত্বত আছিল। গোলাঘাট উত্তৰ ব্লক কংগ্ৰেছৰ সভাপতি জাতীয় কংগ্ৰেছৰ কৰ্মীজনৰ বিয়োগত সাংসদ গৌৰৱ গগৈ, খুমটাইৰ প্ৰাক্তন বিধায়িকা, প্ৰাক্তন মন্ত্ৰী বিস্মিতা গগৈ প্ৰমুখ্যে বিভিন্ন ব্যক্তি, বিহু সুৰক্ষা সমিতি, অসম সাহিত্য সন্মিলনৰ গোলাঘাট জিলা সমিতি, কৃষক মুক্তি সংগ্ৰাম সমিতি, দেৰগাঁও সাংবাদিক সংস্থা, দেৰগাঁও নাগৰিক সংস্থা, দাধৰা, মিছামৰা, কুৱালগুৰি সাহিত্য সভা, বৰুৱাবামুণ গাঁও প্ৰেছ ক্লাব, দেৰগাঁও কেন্দ্ৰীয় বিহু, আছুৰ মুকলি বিহু উদ্‌যাপন সমিতি আদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰিছে। তদুপৰি অসম চৰকাৰৰ শিল্পী পেঞ্চনাৰ, লোক সংস্কৃতিৰ একনিষ্ঠ সেৱক, বিশিষ্ট ঢুলীয়া শিল্পী, লেখক, সমাজকৰ্মী তথা দেৰগাঁও আঞ্চলিক সাহিত্য সন্মিলনীৰ প্ৰাক্তন সভাপতি দণ্ডেশ্বৰ বৰুৱাৰ পৰলোক প্ৰাপ্তিত অসমীয়া সাহিত্য সন্মিলনীৰ কেন্দ্ৰীয় উপসভাপতি ৰাজেন পূজাৰী, জিলা সমিতিৰ সভাপতি ড° অজন্তা ৰাজখোৱা, সম্পাদক প্ৰনৱ চক্ৰৱৰ্তীয়ে গভীৰ শোক প্ৰকাশ কৰে।

## কনিহাত বিশ্ব স্বাস্থ্য দিৱস

ৰাজ্যিক চিকিৎসালয়ত আজি অনুষ্ঠিত বিশ্ব স্বাস্থ্য দিৱসত উত্তৰ গুৱাহাটীৰ সৰ্বভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ অধ্যাপক ড° অৰূপ কুমাৰ শৰ্মাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি এইদৰে কয়। পূব বড়িগোগ কনিহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ৰমেন চৌধুৰীৰ সভাপতিত্বত অনুষ্ঠিত বিশ্ব স্বাস্থ্য দিৱসত অধ্যাপকগৰাকীয়ে কয় যে প্ৰদূষণৰ ফলত মানুহৰ হোৱা ৰোগসমূহ নেদেখা শত্ৰু বেক্টেৰিয়াৰ দ্বাৰা সৃষ্টি হোৱাৰ ফলত মানুহৰ স্বাস্থ্য ৰক্ষাত ভীষণ সমস্যাৰ সৃষ্টি হয়। ৰঙিয়াৰ মহকুমা স্বাস্থ্য বিষয়া ডাঃ গুণগোবিন্দ শৰ্মাই অনুষ্ঠানত অংশগ্ৰহণ কৰি স্বচ্ছতা পষেক উদ্‌যাপন কৰি থকা সময়তে বিশ্ব স্বাস্থ্য দিৱস উদ্‌যাপন কৰা হৈছে বুলি মন্তব্য কৰি দুয়োটা অনুষ্ঠানৰ মাজত সংহতি আছে বুলি কয়। সাংবাদিক জয়ন্ত কুমাৰ শৰ্মাই আঁত ধৰা অনুষ্ঠানৰ আৰম্ভণিতে কনিহা ৰাজ্যিক চিকিৎসালয়ৰ চিকিৎসা বিষয়া ডাঃ যোগেশ বৰুৱাই বিশ্ব স্বাস্থ্য দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰি কনিহা ৰাজ্যিক চিকিৎসালয়খনৰ অতীত আৰু বৰ্তমানৰ স্থিতি জনোৱাৰ লগতে কায়কল্প আঁচনিত চিকিৎসালয়খনে দ্বিতীয় স্থান লাভ কৰিবলৈ সক্ষম হৈছে বুলি জানিবলৈ দিয়ে। পুৱা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ লগতে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ উদ্যোগত এটি বিনামূলীয়া ৰক্তদান শিবিৰ অনুষ্ঠিত হয়।

## কোকৰাঝাৰত পুনৰ পৃথক বড়ো ৰাজ্যৰ দাবীৰ উকমুকনি

**অগ্ৰদূত বাৰ্তা**

**কোকৰাঝাৰ, ৭ এপ্ৰিল ঃ** পুনৰ সুকীয়া বড়ো ৰাজ্যৰ দাবীত উকমুকনি আৰম্ভ হৈছে। ২০২০ৰ ২৭ জানুৱাৰীত সম্পাদিত হোৱা বিটিআৰ চুক্তিক লৈ বহুধাবিভক্ত হোৱা বড়ো দল-সংগঠনৰ মাজত অসন্তুষ্টি বিৰাজ কৰাৰ সময়তে কোকৰাঝাৰত আজি পুনৰ উচ্চাৰিত হ'ল সুকীয়া বড়ো ৰাজ্যৰ দাবী। উল্লেখ্য যে কোকৰাঝাৰ চহৰত চলিত বৰ্ষৰ সাত ফেব্ৰুৱাৰীত বহু বিতৰ্কৰ মাজতে ভূমিষ্ঠ হোৱা নৱগঠিত ছাত্ৰ সংগঠন বড়ো নেছনেল ষ্টুডেণ্ট ইউনিয়ন (বনছু) ৰ উদ্যোগত আজি কোকৰাঝাৰ ক্ৰীড়া সন্থাৰ খেলপথাৰত সুকীয়া বড়ো ৰাজ্যৰ দাবীত এক জনসমাৰোহৰ আয়োজন কৰে। অৱশ্যে ছাত্ৰ সংগঠনটোৱে আজি কোকৰাঝাৰ চহৰত সুকীয়া বড়ো ৰাজ্যৰ দাবীত সমদল উলিওৱাৰ সিদ্ধান্ত লৈছিল; কিন্তু জিলা প্ৰশাসনে সমদলৰ অনুমতি প্ৰদান নকৰিলে। পাছত ছাত্ৰগোটটোৰ এটি সঁজাতী দল সুকীয়া বড়ো ৰাজ্যসহ চাৰিদফীয়া দাবী সম্বলিত এক স্মাৰকপত্ৰ জিলা উপায়ুক্তৰ যোগেদি ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীলৈ প্ৰেৰণ কৰে। পাছত সাংবাদিকৰ আগত 'বনছু'ৰ সভাপতি বঞ্জিত মঞ্জিল বসুমতাৰীয়ে বড়ো জনগোষ্ঠীৰ দীৰ্ঘদিনীয়া দাবী সুকীয়া বড়ো ৰাজ্য আৰু উক্ত দাবী পূৰণ নোহোৱালৈ ক্ষান্ত নহয় বুলি মন্তব্য কৰে। তেনে ক্ষেত্ৰত চৰকাৰে বড়ো জনগোষ্ঠীলৈ আগবঢ়োৱা বিএচি, বিটিচি আৰু শেহতীয়াকৈ বিটিআৰ চুক্তিয়ে বড়ো জনগোষ্ঠীৰ জ্বলন্ত সমস্যা সমাধান কৰিব নোৱাৰে বুলি প্ৰতিক্ৰিয়া ব্যক্ত কৰি বড়ো জনগোষ্ঠীৰ আত্মনিয়ন্ত্ৰণ আৰু স্বাধিকাৰৰ হকে পৃথক বড়ো ৰাজ্য বিনে গত্যন্তৰ নাই বুলি বুলি তেওঁ মন্তব্য কৰে।

## তেজপুৰত ৰাষ্ট্ৰীয় স্বেচ্ছামূলক ৰক্তদান দিৱস উদ্‌যাপন

**ষ্টাফ ৰিপʼৰ্টাৰ**

**তেজপুৰ, ৭ এপ্ৰিল ঃ** তেজপুৰ কনকলতা অসামৰিক চিকিৎসালয়ৰ উদ্যোগত আৰু ভাৰতীয় চিকিৎসা সন্থা, তেজপুৰ শাখাৰ সহযোগিতাত আজি ৰাষ্ট্ৰীয় স্বেচ্ছামূলক ৰক্তদান দিৱস ২০২১ উদ্‌যাপন কৰা হয়। তদুপলক্ষে বাহিৰ কৰা সজাগতা শোভাযাত্ৰা উদ্বোধন কৰে শোণিতপুৰৰ বিদায়ী উপায়ুক্ত ভূপেশ চন্দ্ৰ দাসে। বিভিন্ন অনুষ্ঠানৰ প্ৰতিনিধি তথা চিকিৎসক কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰা শোভাযাত্ৰাত উপস্থিত থাকে স্বাস্থ্য বিভাগৰ শোণিতপুৰ জিলাৰ যুটীয়া সঞ্চালক ডাঃ জে আহমেদ, ভাৰপ্ৰাপ্ত অধীক্ষক ডাঃ টি বি ছেত্ৰী, ভাৰতীয় চিকিৎসা সন্থা তেজপুৰ শাখাৰ সভাপতি ডাঃ এ কে কলিতা, ৰক্তভাণ্ডাৰ অধিকাৰী ডাঃ জে বেজবৰুৱাৰ লগতে জ্যেষ্ঠ চিকিৎসক তথা নাৰ্ছিং স্কুলৰ শিক্ষয়িত্ৰী তথা ছাত্ৰীসকলৰ উপৰিও তেজপুৰ কনকলতা অসামৰিক চিকিৎসালয়ৰ কৰ্মচাৰীসকল। এই অনুষ্ঠানৰে সংগতি ৰাখি অনুষ্ঠিত কৰা সজাগতা আৰু সম্বৰ্ধনা সভাখন অনুষ্ঠিত হয় ভাৰতীয় চিকিৎসা সন্থাৰ তেজপুৰস্থিত প্ৰেক্ষাগৃহত। ডাঃ টেক বাহাদুৰ ছেত্ৰী আৰু ডাঃ জিতুমনি বেজবৰুৱাই আঁত ধৰা সভাত সভাপতিত্ব কৰে আই এম এ তেজপুৰৰ সভাপতি ডাঃ অতুল কুমাৰ কলিতাই। সম্বৰ্ধনা অনুষ্ঠান আৰম্ভণি কৰি যুটীয়া সঞ্চালক ডাঃ জিয়াউদ্দিন আহমেদে বক্তব্য ৰাখি ৰক্তদান আৰু ৰক্তদাতা সম্পৰ্কে আলোকপাত কৰে । বিগত বৰ্ষৰ সমূহ ৰক্তদাতা সংস্থাক অনুষ্ঠানত বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। সমল ব্যক্তি ডাঃ কমল নাৰায়ণ কলিতাৰ লগতে ডাঃ হেমেন্দ্ৰ কুমাৰ বৰা, ডাঃ লক্ষেশ্বৰ ভূঞা, ডাঃ প্ৰদীপ শৰ্মা আৰু বিভিন্ন অনুষ্ঠানৰ প্ৰতিনিধিসকলেও সভাত ভাষণ দিয়ে।

### ■ কে'বাটা বিষয়ৰ ওপৰত বিৰোধ কৰি সংবাদমেল

## আফস্পাৰ বিৰোধিতা জেচিচিপিএৰ


**ডিফু, ৭ এপ্ৰিল ঃ** আজি পাহাৰীয়া জিলাৰ সদৰ চহৰ ডিফুস্থিত কাৰ্বি আংলং জিলা প্ৰেছ ক্লাবত কো-অৰ্ডিনেচন (জইন্ত কোৰ্ডিনেছন কমিটী প্ৰটেকচন অটোনমি) সংক্ষেপে জেচিচিপিএ জিলাখনৰ কে'বাটা বিষয়ৰ বিৰোধিতাৰে এক সংবাদমেল সম্বোধন কৰে। সংগঠনটোৰ নেতৃবৰ্গই কয় যে জিলাখনৰ প্ৰথম আঞ্চলিক দল হিচাপে পৰিচিত আৰু পাহাৰীয়া জিলাৰ সুদীৰ্ঘ সাংবিধানিক অধিকাৰ ৰূপায়ণৰ বাবে দাবী কৰি অহা এএছডিচি দলৰ বৰ্তমান সময়ত ৰাজনৈতিক দল হিচাপে কোনো পৰিচয় নাই বুলি এপিএইছএলচিৰ সভাপতি জে আই কাথাৰৰ মন্তব্যক সংগঠনটোৰ নেতৃবৰ্গই কঠোৰ বাবে বিৰোধিতা কৰে জে আই কাথাৰক কটাক্ষ কৰি কয় যে এজন প্ৰাক্তন প্ৰশাসনিক বিষয়া কোনো এটা বিষয়ৰ ওপৰত মন্তব্য কৰাৰ আগতে সঠিক জ্ঞানৰ প্ৰয়োজন নিজৰ ৰাজনৈতিক স্বাৰ্থ আদায়ৰ বাবে যি ইচ্ছা তাকে কৈছে। আফস্পা সন্দৰ্ভত সংগঠনটোৰ নেতৃবৰ্গই প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয় যে ৰাজ্যৰ ২৩ খন জিলাতে এই আইন প্ৰত্যাহাৰ কৰা হৈছে যদিও তিনিখন পাহাৰীয়া জিলা পূব আৰু পশ্চিম কাৰ্বি আংলং আৰু ডিমা হাছাওৰ লগতে নখন জিলাত বৰ্তমানলৈকে এই আইন বলৱৎ হৈ আছে। বিজেপি শাসনাধীন কাৰ্বি পৰিষদে যোৱা বৰ্ষৰ চাৰি ছেপ্টেম্বৰত দিল্লীত ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ স'তে জিলাখনৰ ছয় সশস্ত্ৰ সংগঠনে শান্তি চুক্তি স্বাক্ষৰিত কৰি জিলাখনত শান্তি ঘূৰাই আনিছে বুলি শাসক দলে দাবী কৰে এনে অৱস্থাত জিলাখনত আফস্পা বলৱৎ হৈ থকাটো কিমান যুক্তিসংগত বুলিও সংবাদমেলত প্ৰশ্ন উত্থাপন কৰে। আনহাতে এনে কেডাৰৰ জৰিয়তে পৰিষদৰ কৰ্মৰতসকলক ৰাজ্য চৰকাৰে দা-দৰমহা দিয়াৰ যি প্ৰস্তাৱ উত্থাপন হৈছে এনে নীতিয়ে পৰিষদৰ ক্ষমতা হ্ৰাস কৰাৱ বুলিও সকীয়াই দিয়ে। উল্লেখ্য যে কেইদিন পূৰ্বে সীমা সমস্যা সমাধান কৰাৰ ক্ষেত্ৰত অসম-মেঘালয় দুয়োজন মুখ্যমন্ত্ৰীয়ে দিল্লীত গৃহমন্ত্ৰী অমিত শ্বাহৰ উপস্থিতিত এখন চুক্তি স্বাক্ষৰ হয়। ১৯৫১ৰ চৰকাৰী অধিসূচনাত দুয়োখন ৰাজ্যৰ বাবে যিমান সীমা নিৰ্ধাৰিত কৰা হৈছে সেইটোৱে বাহাল থাকিব লাগে বুলিও দাবী জনায়। চৰকাৰৰ গিভ এণ্ড টেক নীতি মানি লোৱা নহ'ব, কাৰ্বি আংলঙৰ এক ইঞ্চি মাটিও এৰি দিয়া নহ'ব। ব্লক-১ আৰু ব্লক-২ কাৰ্বি আংলং জিলাৰ সীমাত অন্তৰ্ভুক্ত হয় বুলিও সংগঠনটোৱে দাবী কৰে। অষ্টম অনুসূচী প্ৰসংগত সংগঠনটোৱে অসন্তুষ্টি ব্যক্ত কৰি কয় যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কাৰ্বি সাহিত্য সভাত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি কয় যে কাৰ্বি ভাষা অষ্টম অনুসূচীত অন্তৰ্ভুক্ত হ'বলৈ হলে অসমীয়া, বাংলা আৰু দেবনাগিৰি লিপি ল'ব লাগিব। সকলো ভাষাৰ নিজৰ লিপি থকাৰ কোনো প্ৰৱধান নাই বুলি দাবী কৰি সংগঠনটোৱে উল্লেখ কৰে যে ৰোমান লিপি কাৰ্বিসকলৰ বাবে সহজ। মুখ্যমন্ত্ৰীৰ এনে মন্তব্য কাৰ্বিসকলক ভুল পথে পৰিচালনা কৰিব বুলিও কয়। আয়োজিত এই সংবাদমেলত সংগঠনটোৰ আহ্বায়ক ছইছই ৰংপি, খৰছিং তেৰনৰ লগত সাধাৰণ সম্পাদক ৰবীন্দ্ৰ ৰংপি উপস্থিত থাকে।

## শোণিতপুৰৰ শ্ৰীশ্ৰীৰঘুনাথ সত্ৰত অনুষ্ঠিত নাম-প্ৰসংগত ভক্তৰ সমাগম



**ষ্টাফ ৰিপʼৰ্টাৰ,**

**তেজপুৰ,৭ এপ্ৰিল ঃ** গুৰুজনাৰ নাম প্ৰসংগত মুখৰিত হ'ল বৰছলা বিধানসভা সমষ্টিৰ বুন্দাইজাৰণী গাঁৱৰ আকাশ-বতাহ। বিশ্বজুৰি অস্থিৰতাৰ সৃষ্টি কৰা অপশক্তিৰ বিনাশ ঘটাই বিশ্বত ঐক্য, শান্তি, প্ৰগতি, ভ্ৰাতৃত্ববোধ প্ৰতিষ্ঠা কৰাৰ মানসেৰে পিৰাকটা গাঁও পঞ্চায়ত অঞ্চলৰ বুন্দাইজাৰনী গাঁৱৰ ৰঘুনাথ সত্ৰত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হয় । গুৰুজনাৰ নাম-প্ৰসংগ। নাম-প্ৰসংগৰ সমান্তৰালকৈ নিশাৰ ভাগত বুন্দাইজাৰণী ৰঘুনাথ সত্ৰ প্ৰাংগণত পৰিচালনা সমিতিয়ে আয়োজন কৰে ভাওনাৰ। ১৯৫৫ তে পিৰাকটা আৰু চিৰাজুলি গাঁও পঞ্চায়ত অঞ্চলৰ বুন্দাইজাৰণী গাঁৱৰ বাসিন্দা প্ৰয়াত বলিৰাম দৈমাৰী, বিমল বসুমতাৰী, নুৰ্ব দৈমাৰী, টিকাৰাম বৰমহলীয়া, ভোলা ৰাভা আৰু সুকুমাৰ বসুমতাৰী আৰু বৃহত্তৰ অঞ্চলটোৰ ধৰ্মপ্ৰাণ ৰাইজৰ নেৰানেপেৰা প্ৰচেষ্টাত স্থাপিত হৈছিল শ্ৰীশ্ৰীৰঘুনাথ সত্ৰ। ৬৭ বছৰ গৰকা শ্ৰীশ্ৰীৰঘুনাথ সত্ৰত বিগত বৰ্ষবোৰৰ দৰে এই বৰ্ষতো ৰাইজৰ সহায় সহযোগিতাৰে যোৱা তিনি এপ্ৰিলৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হয় নাম-প্ৰসংগৰ। যোৱা তিনি এপ্ৰিলৰ পৰা আৰম্ভ হোৱা নাম-প্ৰসংগ আৰু ভাওনাৰ ছয় এপ্ৰিলত বহুতো ভক্তৰ উপস্থিতিত আনন্দ-উলাহৰ মাজত সফল সামৰণি পৰে। বুন্দাইজাৰণীৰ শ্ৰীশ্ৰীৰঘুনাথ সত্ৰ পৰিচালনা সমিতিৰ আমন্ত্ৰণ ৰক্ষা কৰি গুৰুজনাৰ নাম-প্ৰসংগ সামৰণি অনুষ্ঠানত কৃষক শ্ৰমিক সুৰক্ষা সংগ্ৰাম সমিতি অসমৰ সভাপতি প্ৰশান্ত বৈশ্য উপস্থিত হৈ সেৱা জনাই কয় যে বুন্দাইজাৰণীস্থিত ৰঘুনাথ সত্ৰ পৰিচালনা সমিতিৰ মহৎ চিন্তাধাৰা সঁচাকৈয়ে প্ৰশংসনীয়। কৃষক শ্ৰমিক নেতা বৈশ্যই লগতে কয় যে যি সময়ত দেশজুৰি হিংসা, অত্যাচাৰ, হত্যাৰ দৰে অপৰাধজনিত ঘটনা প্ৰতিদিনে বৃদ্ধি পাইছে, জনতাৰ মনত আক্ৰোশ, অশান্তি, প্ৰতিশোধৰ দৰে মানসিকতা ভৰি পৰিছে তেনে সময়ত পিৰাকটাৰ বুন্দাইজাৰণী গাঁৱৰ শ্ৰীশ্ৰীৰঘুনাথ সত্ৰত অনুষ্ঠিত গুৰুজনাৰ নাম-প্ৰসংগই সকলোৰে মনলৈ শান্তিৰ বাৰ্তা কঢ়িয়াই আনক। লগতে অপশক্তিৰ বিনাশ ঘটাই সকলোকে সঠিক পথত গতি কৰিবলৈ গুৰুজনাই সকলোকে সুমতি প্ৰদান কৰক। ৰঘুনাথ সত্ৰত নাম-প্ৰসংগ আৰু ভাওনাৰ সামৰণি অনুষ্ঠানত বুন্দাইজাৰণী গাঁৱৰ শ্ৰীশ্ৰীৰঘুনাথ সত্ৰ পৰিচালনা সমিতিৰ সভাপতি তীৰ্থ দৈমাৰী, সম্পাদক গগন চন্দ্ৰ বিষ্মিৎ, সহকাৰী সম্পাদক সুভন মুছাহাৰী, উপদেষ্টা বিপিন দৈমাৰী, ডিম্বেশ্বৰ বসুমতাৰী, পোনাৰাম বসুমতাৰী, সদস্য ক্ৰমে সুমিত দৈমাৰী, দৈমালু বসুমতাৰী, উপেন্দ্ৰ বসুমতাৰী, ৰাজেন দৈমাৰী, চন্দন বসুমতাৰী, সুৰেশ বড়ো, চন্দন বৰমহলীয়া, সুবিন বসুমতাৰী, চানচুমা বৰমহলীয়াৰ লগতে পৰিচালনা সমিতিৰ প্ৰতিগৰাকী সদস্যই উক্ত ধৰ্মীয় অনুষ্ঠানত সহযোগিতা আগবঢ়ায়।



# প্ৰাৰ্থনা আৰু ভক্তি

## শ্ৰীমন্ত শংকৰদেৱৰ প্ৰসংগত

**ড° গিৰীশ বৰুৱা**

**প্ৰাৰ্থনাৰ** অৰ্থ হ'ল কোনো বস্তু খোজা। আমি যেনেকৈ কওঁ চাকৰি প্ৰাৰ্থী ঠিক তেনেকৈ বস্তু, সা-সম্পদ আদিৰো প্ৰাৰ্থী থাকিব পাৰে। সেইদৰে বিবাহৰ ক্ষেত্ৰত আমি পাণি প্ৰাৰ্থীৰ কথা কওঁ। ভগৱানক বস্তু খুজিও আমি প্ৰাৰ্থনা কৰিব পাৰো।

প্ৰকৃত ভক্তিৰ ক্ষেত্ৰত প্ৰাৰ্থনা কথাটো নাহে, কাৰণ ভক্তিত প্ৰাৰ্থনা অৰ্থাৎ বস্তু আদি খোজা ভাব নাথাকে। ভগৱানক বস্তু খোজাৰ কোনো অৰ্থ নাই। মোৰ ওচৰলৈ যদি কোনোবা এজন মোৰ কুশল মংগলৰ বাতৰি ল'বলৈ আহে মই ভাল পাওঁ। কিন্তু কোনো লোকে যদি মোক পইচা আদি খুজিবলৈ আহে মই বেয়া পাওঁ। সেইদৰে ভগৱানেও বস্তু খুজিলে বেয়া পায়। গতিকে ভগৱানক ভক্তি কৰিবলৈ যাওঁতে নিৰ্লিপ্ত আৰু নিষ্কামভাৱে ভক্তি কৰাই শ্ৰেয়।

মানুহে সম্পদ আহৰণ কৰিব লাগে কৰ্মৰ দ্বাৰা, ভক্তিৰ দ্বাৰা নহয়। ভক্তি ভক্তিৰ বাবেই কৰিব লাগে। আনকি মুক্তিৰ বাবেও ভক্তি কৰা অনুচিত। ধৰ্ম, অৰ্থ আৰু কামৰ (ভোগ) বাবেই নহয়, মুক্তি নামৰ পুৰুষাৰ্থৰ বাবেও ভক্তি কৰিবলৈ শাস্ত্ৰই হাক দিছে। মুক্তিক পৰম পুৰুষাৰ্থ বুলি ধৰা হয়। গতিকে মুক্তিকে খুজিব নালাগে, ধৰ্ম অৰ্থ কামৰ কথা বাদেই।

ভগৱানক একো নুখুজি ভক্তি কৰা নামেই নিষ্কাম ভক্তি। শংকৰদেৱৰ বৈষ্ণৱ দৰ্শনক ভক্তিবাদ বুলি সাধাৰণতে জনা যায়। কিন্তু ভক্তি সকলো ধৰ্মতে আছে। এনেকুৱা ধৰ্ম নাই য'ত ভক্তি নাই। গতিকে শংকৰদেৱৰ দৰ্শনক ভক্তিবাদ বোলাৰ অৰ্থ কি?

নিশ্চিয় অৰ্থ আছে। অৰ্থটো হ'ল যে ই নিষ্কাম ভক্তিত বিশ্বাসী আৰু কেৱল ভক্তিৰ বাবেই ভক্তি কৰাত বিশ্বাসী। আনবোৰ ধৰ্মত ভক্তি কৰা হয় কিবা বস্তু খুজি, জ্ঞান খুজি, আয়ুস খুজি, পুত্ৰ পৰিবাৰ খুজি, ধন-সোণ খুজি, সা-সম্পত্তি খুজি, ক্ষমা খুজি ইত্যাদি। কিন্তু শংকৰদেৱৰ ধৰ্মত এইবোৰ খোজাৰ কথা নাই আৰু যদি খুজিবলৈ যোৱা যায় তেন্তে সি শংকৰ আদিষ্ট ভক্তিধৰ্ম নহ'ব।

**আমি ভণ্ড বৈষ্ণৱ হোৱাটো নিবিচাৰো। সেয়ে প্ৰাৰ্থনা অৰ্থাৎ বস্তু খোজা ধাৰণাটো বৈষ্ণৱ ধৰ্মৰ পৰা অপসাৰণ কৰাটোৱেই জ্ঞানীৰ লক্ষণ। যিসকলে বস্তু খুজি নাম-গোৱা পাতে তেওঁলোকৰ এই নাম-গোৱা শাক্তৰ কালী পূজা পতাৰ দৰেই হয়।**

যিসকল বৈষ্ণৱে ওপৰত উল্লেখ কৰা বস্তু আদি খুজি ভগৱানক ভক্তি কৰে তেওঁলোক আচল বৈষ্ণৱ নহয়। তেওঁলোক শাক্তসকলতকৈও অধইচ। কাৰণ শাক্ত সকলে দেখা-শুনাকৈ ভগৱতীক বস্তু খোজে। এইটো তেওঁলোকৰ ধৰ্মতে আছে। গতিকে বস্তু আদি খোজাত তেওঁলোকৰ ধৰ্মই বাধা নিদিয়ে। কিন্তু শাক্তৰ দৰেই যদি বৈষ্ণৱসকলে বস্তু আদি খোজে তেন্তে তেওঁলোক প্ৰকৃত বৈষ্ণৱ নহ'ব, কাৰণ বস্তু খোজাটো শংকৰৰ বৈষ্ণৱ ধৰ্মত নাই।

আমি ভণ্ড বৈষ্ণৱ হোৱাটো নিবিচাৰো। সেয়ে প্ৰাৰ্থনা অৰ্থাৎ বস্তু খোজা ধাৰণাটো বৈষ্ণৱ ধৰ্মৰ পৰা অপসাৰণ কৰাটোৱেই জ্ঞানীৰ লক্ষণ। যিসকলে বস্তু খুজি নাম-গোৱা পাতে তেওঁলোকৰ এই নাম-গোৱা শাক্তৰ কালী পূজা পতাৰ দৰেই হয়। সেইদৰে যিসকলে বস্তু খুজি আঠখেলীয়া বা ঢেকীয়াখোৱা নামঘৰত শৰাই দিয়ে তেওঁলোকৰ এই শৰাই দিয়া কাম কামাখ্যাত ছাগলী বলি দিয়াৰ নিচিনাই হয়। বৈষ্ণৱ ধৰ্মৰ বিশুদ্ধতা ৰক্ষা কৰিবলৈ হ'লে বস্তু খোজাৰ অভ্যাসটো বাদ দিব লাগিব। নিষ্কাম ভক্তিক অনুশীলন কৰা প্ৰকৃত বৈষ্ণৱ ভক্তৰহে প্ৰয়োজন। নহ'লে ধৰ্মৰ নামত ভণ্ডামিহে কৰা হ'ব।

*ফোন : ৭০০২৩৭৬৫০৫*

# পৱিত্ৰ ৰমজান মাহ

## তাৎপৰ্য আৰু মৰ্যাদা

**মুহাম্মাদ ফাৰুক আব্দুল্লাহ নূৰী**

**হিয্ৰী** বৰ্ষৰ নৱম মাহ ৰমজানুল মোবাৰক। এই পৱিত্ৰ মাহৰ মৰ্যাদা আৰু মাহাত্ম্য কোৱাৰ প্ৰয়োজন নাই। এই মাহত আল্লাহতাআ'লাৰ অধিকৰ পৰা অধিকতৰ নৈকট্য লাভৰ উত্তম সময়, পৰকালীন পাথেয় অৰ্জনৰ উৎকৃষ্ট সময়। ইবাদত (উপাসনা) বন্দেগী, জিকিৰ-আজকাৰ, তাজকিয়া আৰু আত্মশুদ্ধিৰে ভৰা বসন্ত। মুমিন বান্দাহৰ বাবে ৰমজান মাহ আল্লাহৰ ওচৰত অনেক ডাঙৰ নিঅ'মত। তেওঁ এই মাহৰ প্ৰতিটো দিন-ৰাতিতে দান কৰিছে অশেষ ৰস্‌মত-বৰকত আৰু অফুৰন্ত কল্যাণ। মুছলমানসকলৰ কৰ্তব্য এই মহা নিঅ'মতৰ বাবে কৃতজ্ঞ আৰু আনন্দিত হোৱাৰ লগতে ইয়াৰ সন্মান কৰা।

এই মাহত বান্দাই পাৰ্থিৱ সকলো চাহিদা বিসৰ্জন দি আল্লাহৰ দয়া আৰু ৰস্‌মত লাভ কৰিব। অতীতৰ সকলো পাপাচাৰৰ পৰা ক্ষমা বিচাৰি নতুনভাৱে ঈমানী (বিশ্বাসী) জিন্দেগীৰ উত্তাপ গ্ৰহণ কৰিব, তাকওৱা (খোদাভিৰুতা)ৰ অনুশীলনৰ মাধ্যমত সমগ্ৰ বছৰৰ ইবাদত (উপাসনা)ৰ শক্তি লাভ কৰিব, চিন্তা-চেতনা আৰু কৰ্ম-সাধনাত আল্লাহৰ আনুগত্যৰ দ্বাৰা নিজক সমৰ্পিত কৰিব। এয়াই হৈছে মুমিন মুছলমানৰ আনন্দ।

পৱিত্ৰ ক্কুৰ্‌আনৰ বিভিন্ন আয়াত আৰু হাদীচ শ্বৰীফৰ বিস্তৃত বৰ্ণনাত ৰমজান মাহৰ যি গুৰুত্ব আৰু বৈশিষ্ট্য বৰ্ণিত হৈছে তাৰ কিছু দৃষ্টান্ত ইয়াত উল্লেখ কৰা হ'ল। এই মাহটি ইমান গুৰুত্বপূৰ্ণ হোৱাৰ অনেক কাৰণ আছে।

**ছিয়াম (ৰোজা) আৰু কিয়ামৰ মাহ ঃ**

ৰমজান মাহৰ আগমন ঘটে প্ৰধানতঃ ৰোজা আৰু তাৰাৱীহৰ বাৰ্তা লৈ। এইটো ৰমজান মাহৰ বিশেষ আমোল। সেয়ে প্ৰত্যেক মুছলমানৰ এই দুটি বিষয়ত যত্নৱান হোৱা কৰ্তব্য। আল্লাহে ঘোষণা কৰিছে, "হে বিশ্বাসীসকল! তোমালোকৰ বাবে ৰোজা ফৰজ কৰা হৈছে, যেনেদৰে ফৰজ কৰা হৈছিল তোমালোকৰ পূৰ্বৱৰ্তীসকলৰ ওপৰত, যাতে তোমালোকে তাকওৱা অৱলম্বনকাৰী হ'ব পাৰা।" (ছূৰা- ২ বাকাৰাহ, আয়াত ১৮৩)

অন্য আয়াতত ঘোষণা কৰিছে, "সেয়ে তোমালোকৰ মাজত যি ব্যক্তিয়ে এই মাহ (ৰমজান) পাব, তেওঁ যেন অৱশ্যেই ৰোজা ৰাখে আৰু তোমালোকৰ ভিতৰত কোনোবা যদি অসুস্থ হয় বা চফৰত থাকে তেনেহ'লে অন্য সময়ত সেই সমান সংখ্যা পূৰণ কৰিব।" (ছূৰা- ২ বাকাৰাহ, আয়াত ১৮৫)

হজৰত আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু তাআ'লা আ'নহুৱে বৰ্ণনা কৰিছে, যেতিয়া ৰমজান মাহৰ আগমন ঘটিল তেতিয়া দয়াৰ নবী স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামে জনাইছে, "তোমালোকৰ ওচৰত বৰকতময় মাহ ৰমজান আহিছে। আল্লাহপাকে তেমালোকৰ ওপৰত এই মাহৰ ৰোজা ফৰজ কৰিছে।" (মুচনাদে আহমদ)

মানুহৰ প্ৰত্যেকটি আমোল এই মাহত বৃদ্ধি কৰি দিয়া হয়। এটি নেকী (পুণ্য) দহ গুণৰ পৰা সাতশ গুণ পৰ্যন্ত বৃদ্ধি কৰা হয়। আল্লাহপাকে ঘোষণা কৰে, "কিন্তু ৰোজাৰ বিষয়টি ভিন্ন। কাৰণ ৰোজা মোৰ বাবে। সেয়ে তাৰ প্ৰতিদান মই নিজেই প্ৰদান কৰিম।" (বুখাৰী শ্বৰীফ)

জান্নাতত ৰাইয়ান নামৰ এখন বিশেষ দৰ্জা আছে। যিখনেৰে একমাত্ৰ ৰোজাদাৰসকলেই প্ৰৱেশ কৰিব। অন্য কোনোৱে সেই দৰ্জাখনেৰে প্ৰৱেশ কৰিব নোৱাৰিব। (মুছলিম শ্বৰীফ) যি ব্যক্তিয়ে ৰাইয়ান গেটখনেৰে প্ৰৱেশ কৰিব তেওঁ কেতিয়াওঁ পিপাসিত নহ'ব।

হজৰত আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু তাআ'লা আ'নহুৱে বৰ্ণনা কৰিছে, "ৰমজান মাহ লাভকাৰী ব্যক্তি, যিয়ে উত্তমৰূপে ছিয়াম (ৰোজা) আৰু কিয়াম পালন কৰিব তাৰ প্ৰথম পুৰস্কাৰ ৰমজানৰ শেষত গুনাহ (পাপ)ৰ পৰা এই দিনৰ দৰে পৱিত্ৰ হয় যিদিনা মাৰ গৰ্ভৰ পৰা ভূমিষ্ঠ হৈছিল।" (মুচান্নাফে ইবনে আবি শ্বায়বা)

ইছলামি শ্বৰীঅ'ত সাপেক্ষ ওজৰ (কাৰণ)ৰ বাহিৰে ইচ্ছাকৃত ৰোজা ভঙ্গকাৰী মৌলিক ফৰজ লংঘনকাৰী আৰু ইছলামৰ ভিত্তি বিনিষ্টকাৰীৰূপে গণ্য। হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামে জনাইছে, "যি ব্যক্তিয়ে কোনো ওজৰ বা অসুস্থতা বাহিৰে ৰমজানৰ এটি ৰোজা পৰিত্যাগ কৰিব, সি যদি সেই ৰোজাৰ পৰিৱৰ্তে আজীৱন ৰোজা ৰাখে তথাপি সেই এক ৰোজাৰ ক্ষতিপূৰণ নহ'ব। (তিৰমিজী শ্বৰীফ)

**পৱিত্ৰ ক্কুৰ্‌আন অৱতীৰ্ণৰ মাহ ঃ**

ৰমজান মাহ ক্কুৰ্‌আন নাজিলৰ মাহ। এই মাহত পূৰ্ণ ক্কুৰ্‌আন লাওহে মাহফুজৰ পৰা একেলগে প্ৰথম আচমানত 'বাইতুল ইজ্জত'ত অৱতীৰ্ণ হয় আৰু ৰছুলে পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামৰ ওপৰত ৰহি অৱতৰণৰ সূচনাও হয় এই মাহতেই। ইৰ্শ্বাদ হৈছে, ৰমজান মাহ, যাতে ক্কুৰ্‌আন নাজিল হৈছে, যি মানুহৰ বাবে হিদায়ত আৰু সুপথ প্ৰাপ্তিৰ সুস্পষ্ট পথ-নিৰ্দেশ আৰু হক-বাতিলৰ মাজত পাৰ্থক্যকাৰী। (ছূৰা বাকাৰাহ, আয়াতঃ ১৮৫ )

কেৱল ক্কুৰ্‌আন নহয়, হজৰত ইব্ৰাহিম আ'লাইহিচ্ছালামৰ চহিফা, তাওৰাত, জাবুৰ, ইঞ্জিলসহ সকলো আচমানি কিতাপ এই মাহতেই অৱতীৰ্ণ হৈছে।

**পৱিত্ৰ ক্কুৰ্‌আন তিলাৱাত (পাঠ) ঃ**

এইটো যিদৰে ক্কুৰ্‌আন নাজিলৰ মাহ তেনেদৰে ক্কুৰ্‌আন তিলাৱাত (পাঠ)ৰো মাহ। ক্কুৰ্‌আন শিকা আৰু শিকোৱাৰ মাহ। ক্কুৰ্‌আন মুখস্থ কৰাৰ মাহ। ক্কুৰ্‌আন শুনা আৰু শুনোৱাৰ মাহ।

ৰছুলে পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামে জনাইছে, "ৰোজা আৰু ক্কুৰ্‌আন কিয়ামতৰ দিনা বান্দাহৰ বাবে চুপাৰিচ কৰিব। ৰোজাই ক'ব, হে আল্লাহ! মই তাক দিনৰ বেলাত পানাহাৰ আৰু যৌনসম্ভোগৰ পৰা পূৰ্ণ বিৰত ৰাখিছো। তাৰ ক্ষেত্ৰত মোৰ চুপাৰিচ ক্কবুল (গৃহীত) কৰক। আৰু ক্কুৰ্‌আনে ক'ব, মই তাক ৰাতি নিদ্ৰাৰ পৰা বিৰত ৰাখিছো। সেয়ে তাৰ ক্ষেত্ৰত মোৰ চুপাৰিচ ক্কবুল কৰক। পিছত তেওঁলোকৰ চুপাৰিচ গ্ৰহণ কৰা হ'ব।" (মুচনাদে আহমদ)

**মাহবিলাকৰ ভিতৰত শ্ৰেষ্ঠ মাহ ৰমজান। বাৰ মাহৰ চৰ্দাৰ ৰমজান মাহ। নবীপাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামে জনাইছে, "আল্লাহৰ কচম! মুছলমানসকলৰ বাবে ৰমজানতকৈ উত্তম কোনো মাহ অহা নাই আৰু মুনাফিকসকলৰ বাবে ৰমজান মাহতকৈ অধিক ক্ষতিৰ মাহ আৰু অহা নাই। কিয়নো মুমিনসকলে এই মাহত (সমগ্ৰ বছৰৰ বাবে) ইবাদতৰ শক্তি আৰু পাথেয় সংগ্ৰহ কৰে আৰু মুনাফিকসকলে মানুহৰ উদাসীনতা আৰু দোষত্ৰুটি অন্বেষণ কৰে**

বুযুৰ্গানে দ্বীনসকলৰ জীৱনী আলোচনা কৰিলে দেখা যায় তেওঁলোকে ৰমজানত বহুবাৰ ক্কুৰ্‌আন খতম কৰিছিল।



**আ'মলৰ চাৱাব (পুণ্য) বহুগুণ বৃদ্ধি ঃ**

এই মাহত ঈমানদাৰ (বিশ্বাসীসকল)ৰ নেক আ'মলৰ প্ৰতিদান বৃদ্ধিৰ মাহ। আখিৰাতৰ নেকী কৰাৰ শ্ৰেষ্ঠ সময়। ব্যৱসায়ী সকলৰ যেনেদৰে বিশেষ বিশেষ মৌচুম থাকে সেই সময়ত বছৰৰ অন্য সময়ৰ তুলনাত আয়-উপাৰ্জন বেছি হয় তেনেদৰে আখিৰাতৰ ব্যৱসায়ীসকলৰ বাবে ব্যৱসায়ৰ শ্ৰেষ্ঠ মৌচুম ৰমজান মাহ। নবীজী স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামে জনাইছে, "ৰমজান মাহৰ যিকোনো নফল ইবাদত (উপাসনা) অন্য মাহৰ ফৰজ ইবাদতৰ সমান আৰু যি কোনো ফৰজ ইবাদত অন্য মাহৰ ৭০ টি ফৰজৰ সমান।"

**কল্যাণৰ ঘোষণা ঃ**

এই মাহত জান্নাতৰ দৰজাবিলাক খুলি দিয়া হয়। জাহান্নামৰ দৰজাবিলাক বন্ধ কৰি দিয়া হয়। নবীপাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামে জনাইছে, "যেতিয়া ৰমজান মাহৰ প্ৰথম ৰাতিৰ আগমন ঘটে, তেতিয়া দুষ্ট জ্বিন আৰু শ্বয়তানক কাৰাৰুদ্ধ কৰা হয়। জাহান্নামৰ দৰ্জাবিলাক বন্ধ কৰি দিয়া হয়, তাৰ এখন দৰ্জাও খোলা নহয় আৰু জান্নাতৰ দৰ্জাবিলাক খুলি দিয়া হয়, তাৰ এখন দৰ্জাও বন্ধ কৰা নহয়। এজন ঘোষকে ঘোষণা কৰে, হে কল্যাণৰ প্ৰত্যাশী! অগ্ৰসৰ হোৱা। হে অকল্যাণৰ প্ৰাৰ্থী বিৰত থকা। আল্লাহতাআ'লাই এই মাহৰ প্ৰতি ৰাতি অসংখ্য জাহান্নামীক মুক্তি দান কৰে।" (তিৰমিজী শ্বৰীফ)

**দুআ' ক্কবুল জাহান্নামৰ পৰা মুক্তি ঃ**

এই মাহত অসংখ্য মানুহৰ দুআ' ক্কবুল কৰা হয়। আবেদন মঞ্জুৰ কৰা হয়। জাহান্নামীৰ নাম জাহান্নামৰ তালিকাৰ পৰা মচি দিয়া হয়। দোজখৰ পৰা মুক্তিৰ ঘোষণা দিয়া হয়। সেয়ে এই মাহত বেছি বেছি নেক আ'মল কৰিব। তাওবা-ইস্তিগ্‌ফাৰ কৰিব। জাহান্নামৰ পৰা মুক্তিৰ বাবে দুআ' কৰিব।

ৰছুলেপাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামে জনাইছে, "অৱশ্যেই আল্লাহতাআ'লা ৰমজান মাহৰ প্ৰত্যেক দিন আৰু ৰাতি অসংখ্য ব্যক্তিক জাহান্নামৰ পৰা মুক্তি দান কৰে আৰু প্ৰত্যেক মুমিন বান্দাহৰ এটিকৈ দুআ' ক্কবুল কৰে।" (মুচনাদে আহমদ)

তিনিজন ব্যক্তিৰ দুআ' ঘূৰাই দিয়া নহয়। ৰোজাদাৰৰ দুআ', ন্যায়পৰায়ণ শাসকৰ দুআ' আৰু মজলুমৰ দুআ'। (চহিহ ইব্‌নে হিব্বান)

**ক্ষমা লাভ কৰা ঃ**

এটি পাপমোচন আৰু গুনাহৰ পৰা ক্ষমা লাভৰ মাহ। ৰছুলেপাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামে জনাইছে, "পাঁচ ওৱাক্ত নামাজ, এক জুম্মাৰ পৰা পৰৱৰ্তী জুম্মা আৰু এক ৰমজানৰ পৰা আৰু ৰমজানৰ মধ্যৱৰ্তী সময়ৰ গুনাহবিলাক মচি দিয়া হয় যদি সি কবিৰা গুনাহৰ পৰা বাচি থাকে।" (মুছলিম শ্বৰীফ)

**সমগ্ৰ বছৰৰ বাবে ইবাদতৰ শক্তি আৰু পাথেয় সংগ্ৰহ ঃ**

মাহবিলাকৰ ভিতৰত শ্ৰেষ্ঠ মাহ ৰমজান। বাৰ মাহৰ চৰ্দাৰ ৰমজান মাহ। নবীপাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামে জনাইছে, "আল্লাহৰ কচম! মুছলমানসকলৰ বাবে ৰমজানতকৈ উত্তম কোনো মাহ অহা নাই আৰু মুনাফিকসকলৰ বাবে ৰমজান মাহতকৈ অধিক ক্ষতিৰ মাহ আৰু অহা নাই। কিয়নো মুমিনসকলে এই মাহত (সমগ্ৰ বছৰৰ বাবে) ইবাদতৰ শক্তি আৰু পাথেয় সংগ্ৰহ কৰে আৰু মুনাফিকসকলে মানুহৰ উদাসীনতা আৰু দোষত্ৰুটি অন্বেষণ কৰে। এই মাহ মুমিনৰ বাবে গনিমত আৰু মুনাফিকসকলৰ বাবে ক্ষতিৰ কাৰণ।" (মুচনাদে আহমদ)

**দানশীলতাৰ অপূৰ্ব সুযোগ ঃ**

হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামে প্ৰচুৰ দান কৰিছিল। এই মাহত দানৰ পৰিমাণ আৰু বহুগুণে বঢ়াই দিছিল। হজৰত আব্দুল্লাহ ইবনে আব্বাছ ৰাদ্বিয়াল্লাহু তাআ'লা আ'নহুয়ে কৈছে, ৰছুলে আকৰম স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লাম আছিল মানুহৰ মাজত সৰ্বশ্ৰেষ্ঠ দাতা। তেখেতৰ দানশীলতা ৰমজান মাহত অধিকতৰ বৃদ্ধি পাইছিল।

হুজুৰ পাক স্বাল্লাল্লাহু আ'লাইহি ৱা ছাল্লামে জনাইছে, যি ব্যক্তিয়ে কোনো ৰোজাদাৰক ইফতাৰ কৰাব তেওঁ ৰোজাদাৰৰ অনুৰূপ প্ৰতিদান লাভ কৰিব। ইয়াৰ কাৰণে ৰোজাদাৰৰ চাৱাবত কোনো পৰিৱৰ্তন বা কম কৰা নহ'ব।" (তিৰমিজী শ্বৰীফ)

**লাইলাতুল কদৰ তালাচ কৰা ঃ**

এই মাহত আছে হাজাৰ মাহতকৈও শ্ৰেষ্ঠ ৰাতি লাইলাতুল কদৰ। এই ৰাতি ইবাদত কৰিলে হাজাৰ ৰাতি ইবাদত কৰাতকৈও বেছি চাৱাব পোৱা যায়। ইৰ্শ্বাদ হৈছে, "লাইলাতুল কদৰ এক হাজাৰ মাহতকৈও উত্তম। এই ৰাতি ফিৰিস্তাসকল আৰু ৰূহ (জিব্ৰাঈল আ'লাইহিচ্ছালাম) পালনকৰ্তাৰ আদেশক্ৰমে প্ৰত্যেক কল্যাণময় বস্তু লৈ পৃথিৱীত অৱতৰণ কৰে। যি ৰাতি সম্পূৰ্ণ শান্তি যি ফজৰ হোৱা পৰ্যন্ত অব্যাহত থাকে।" (ছূৰা কদৰ, আয়াত ৩-৫)

*ফোন : ৯৯৫৭৩১০৪৩৬*

# সপ্ত আকাশ

## ধাৰণা আৰু বিভ্ৰান্তি

**ইকবাল হুছেইন**

**ফজল** আলীয়ে কৈছে যে আজিৰ বিজ্ঞানীসকলে হেনো অন্ধকাৰকো এক অদৃশ্য শক্তি বুলি অভিহিত কৰিছে (পৃষ্ঠা-৯৩)। বিজ্ঞানীসকলে কেতিয়াও মহাশূন্যৰ অন্ধকাৰক শক্তি বুলি কোৱা নাই। আজিৰ বিজ্ঞানীসকলে মহাকাশ সম্পৰ্কে অবিৰতভাৱে গৱেষণা চলাই গ'লেও বৰ্তমান পৰ্যন্ত মহাকাশৰ বিস্তৃতি অবিশ্বাস্যভাৱে প্ৰসাৰিত হৈ থকাৰ লক্ষণ দেখি তেওঁলোকে অনুমান কৰিব পাৰিছে যে মহাকাশ সম্পৰ্কে আহৰণ কৰা জ্ঞান বিশ্বৰ তুলনাত দুই শতাংশও নহয়। এজন মানুহে গুৱাহাটী মহানগৰৰ নিশাৰ দৃশ্য উপভোগ কৰিবলৈ যিকোনো পাহাৰৰ টিলাত উঠি চাই পঠিয়ালে চাৰিওফালে অজস্ৰ বৈদ্যুতিক পোহৰৰ চিকমিকনি দেখিবলৈ পাব। কিন্তু মহানগৰত থকা বৈদ্যুতিক পোহৰৰ চাকি দৰ্শকজনে কিমান শতাংশ দেখিবলৈ পাব? অন্ততঃ ৯০ শতাংশ বাল্ব তেওঁৰ দৃষ্টিৰ অগোচৰে থাকিব। ঠিক সেইদৰে মহাবিশ্বৰ মুঠ পদাৰ্থ জগত আৰু শক্তি জগতৰ ৯৮ শতাংশ মানুহৰ জ্ঞানৰ অন্তৰ্ভুক্ত হোৱা নাই। অদৃশ্য জগতৰ এই পদাৰ্থ আৰু শক্তিক Dark Matter আৰু Dark Energy বুলি অভিহিত কৰা হৈছে। সেই বুলি তেওঁ ভবাৰ দৰে অন্ধকাৰক শক্তি বুলি কোৱা হোৱা নাই।

ফজল আলী ৫৮ পৃষ্ঠাত লিখিছে যে পায়'নিয়াৰ--১০ মহাকাশ যানখনে সুদীৰ্ঘ ৩৫ বছৰতকৈ অধিক কাল ভ্ৰমণ কৰি মহাকাশৰ কূল-কিনাৰ বিচাৰি পোৱা নাই, সেয়ে কোৰানে যি অসীম আকাশৰ উল্লেখ কৰিছিল সেয়া শেষত সত্যত পৰিণত হ'ল আৰু লিখিছে যে যানখনে হেনো বৃষ নক্ষত্ৰ ৰাশি মণ্ডলত উপস্থিত হৈছে। ফজল আলী আহমেদে বিজ্ঞাপনৰ সীমিত জ্ঞানৰ দ্বাৰা মুছলিম সমাজত বিজ্ঞানৰ প্ৰতি ঘৃণাৰ ভাব জগাই তোলাত সফল হৈছে কাৰণ পায়'নিয়াৰ-১০, ভয়েজাৰ-1,11 আদি মহাকাশ যানসমূহে অত বছৰে খুব বেছি ২৫০০ কোটি কিলোমিটাৰ দূৰত্ব অতিক্ৰম কৰিছে। যি হয়তো পানী জাহাজসমূহ বিশাল দূৰত্বৰ মহাসাগৰলৈ যাত্ৰা কৰিবলৈ লংগৰ এৰি দিয়াৰ ক্ষন্তেক মূহূৰ্ত পাৰ কৰিছে মাথোন, যিয়ে বন্দৰৰ সীমাৰেখা অতিক্ৰম কৰা নাই। ই সৌৰজগত বা সূৰ্যৰ মহাকৰ্ষণিক ক্ষেত্ৰফল কোনোমতে অতিক্ৰম কৰিবলৈ সক্ষম হৈছে। যানখনে যি বেগেৰে যাত্ৰা কৰিছে সেই বেগেৰে অবিৰতভাৱে গৈ থাকিলেও সূৰ্যৰ নিচেই ওচৰত থকা নক্ষত্ৰ প্ৰক্সিমা ছেন্টাউৰি পাবলৈ ইয়াক ৭৫ হেজাৰ বছৰ সময়ৰ প্ৰয়োজন হ'ব। আনহাতে তেওঁ উল্লেখ কৰিছে যে পায়'নিয়াৰ-১০ যানখন বৃষৰাশিত উপস্থিত হৈছে, আচলতে ই বৃষৰাশিত উপস্থিত হোৱাৰ কোনো লক্ষণেই দেখা দিয়া নাই, ই কেৱল মাত্ৰ সেই দিশত ধাৱিত হৈছে। বৃষৰাশিৰ প্ৰধান আৰু উজ্জ্বল নক্ষত্ৰটোৰ নাম ৰোহিণী যাৰ দূৰত্ব ৬৮ আলোকবৰ্ষ আৰু পায়'নিয়াৰ মহাকাশ যান তাত উপস্থিত হ'বলৈ কমেও ১২ লাখ বছৰৰ প্ৰয়োজন হ'ব। গতিকে ফজল আলী আহমেদে 'নাছা'ৰ উদ্ধৃতি দি মিথ্যাৰ আশ্ৰয় লৈ আভুৱা ভাঁৰিছে।

ফজল আলী আহমেদৰ দৰে ড° আতোৱাৰ ৰহমানে (আল কোৰান জ্ঞান বিজ্ঞান আৰু মুছলমান-পৃষ্ঠা-৬২) চুৰা আৰ ৰহমান, আয়াত নম্বৰ-৩৩ৰ উদ্ধৃতি লিখিছে—'হে জ্বিন আৰু মানুহ সম্প্ৰদায়। আকাশমণ্ডলী আৰু পৃথিৱী সীমা তোমালোকে যদি অতিক্ৰম কৰিব পাৰা, অতিক্ৰম কৰা, কিন্তু তোমালোকে আমাৰ অনুমতি নোহোৱাকৈ নিজ শক্তিত অতিক্ৰম কৰিব নোৱাৰিবা'। আকৌ আল্লাই চুৰা হিজৰৰ ১৪, ১৫ নম্বৰ আয়তত কয়—' 'আমি যদি সিহঁতৰ বাবে আকাশৰ কোনো দুৱাৰ মেলি দিওঁ আৰু যদি সিহঁতে দিন দুপৰতে (গোটেইদিন) সেই ফালেদি উঠি গৈ থাকে। তথাপি সিহঁতে ক'ব যে আমাৰ চকু জলক-তবক লাগিছে বৰঞ্চ আমাক যাদুগ্ৰস্ত কৰা হৈছে।'

আল্লাই জ্বিন আৰু মানৱ জাতিক প্ৰত্যাহ্বান জনাই কৈছে যে আল্লাৰ দয়া বা সাহায্য অবিহনে মানুহে কেতিয়াও পৃথিৱী আৰু আকাশৰ সীমা অতিক্ৰম কৰিব নোৱাৰিব। কোনো মানুহে প্ৰত্যাহ্বান জনাই যদি কয়, 'তোমাৰ ক্ষমতা আছে যদি তুমি হিমালয় পৰ্বতখনকে দাঙি দেখুওৱা?' এনেধৰণৰ প্ৰশ্নৰ দ্বাৰা প্ৰশ্নকৰ্তাৰ অজ্ঞানতাহে প্ৰকাশ পাব। এই বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টিকৰ্তাই নিশ্চয় বিশ্বৰ বিশালতা সম্পৰ্কে অৱগত, তেনে ক্ষেত্ৰত ৪০-৭০ বছৰ আয়ুস প্ৰদান কৰা মানুহক এই সীমা অতিক্ৰম কৰিবলৈ আহ্বান জনোৱাটো নিশ্চয় বাতুলতা, কাৰণ বৰ্তমান পৰ্যন্ত মানুহে বিশ্বৰ পৰিধি ১১শ কোটি আলোকবৰ্ষ দূৰত্বলৈ বিয়পাই দিবলৈ সক্ষম হৈছে। (নিশ্চয় তাৰো সিপাৰে আৰু বহু দূৰলৈ পদাৰ্থ জগত বিয়পি থকা সম্ভৱ) সেয়ে সেই দূৰত্ব বৰ্তমানৰ মহাযানেৰে অতিক্ৰম কৰিব বিচাৰিলে কোটি কোটি কোটি বছৰ লাগিব তাত সন্দেহ নাই, যদিও আল্লাই কৈছে, তেওঁৰ দয়া অবিহনে, কিন্তু আল্লাই দয়াৰে উপচাই দিলেও সেয়া কেতিয়াও সম্ভৱ নহয়। গতিকে আল্লাই উক্ত আয়াত নাজিল কৰি নিজৰ অজ্ঞতা প্ৰকাশ কৰিছে। কোৰান যিহেতু মানৱ জাতিলৈ প্ৰেৰণ কৰা হৈছে সেয়ে মানুহৰ ক্ষেত্ৰত প্ৰযোজ্য হোৱাকৈ উক্ত কথাখিনি কোৱা হ'ল। জ্বিন জাতিৰ কিমান ক্ষমতা আছে মোৰ জনা নাই।

বিজ্ঞানীসকলে কেতিয়াও কোনো তত্ত্ব, সূত্ৰ বা কোনো যান্ত্ৰিক উদ্ভাৱন আল্লাৰ ওপৰত ভৰষসা কৰি আৱিষ্কাৰ নকৰে। আল্লাই কোৱা মতে আল্লাই যদি আকাশৰ দুৱাৰ খুলি দিয়ে আৰু তেওঁলোকে ওপৰলৈ গৈ থাকে তেন্তে তেওঁলোকৰ দৃষ্টিশক্তি বিভ্ৰান্তিত পৰিব আৰু তেওঁলোক যাদুগ্ৰস্ত কৰা হৈছে বুলি তেওঁলোকে ভাৱিব। আল্লাই দুৱাৰ মেলি দিয়াৰ প্ৰতি বাট নাচাই মানুহৰ সৃষ্টি মহাকাশ যান ইতিমধ্যে বহু দূৰ আগবাঢ়িছে আৰু নিউটনৰ গতিৰ প্ৰথম সূত্ৰক সন্মান প্ৰদৰ্শন কৰি কিয়ামতৰ আগলৈ গতি কৰি থাকিব।

সকলো অনুবাদকে কৈছে যে পাৰিলে তোমালোকে পৃথিৱী আৰু আকাশৰ সীমা অতিক্ৰম কৰা, কিন্তু ড° মুৰিচ বুকাইলে পৃথিৱীৰ সীমাৰ সলনি কৈছে যে পাৰিলে মানুহে পৃথিৱীৰ ভূ-গৰ্ভৰ দিশত গতি কৰি ইপিঠি-সিপিঠি ভেদ কৰি পাৰ হৈ যাওক, যাৰ জৰিয়তে কোৰানৰ প্ৰশংসা বৃদ্ধি পাইছে।

'ঈশ্বৰৰ অস্তিত্বৰ বিপক্ষে (বনাম সপক্ষে) কিছু যুক্তি' নামৰ কিতাপৰ ৪৬-৪৭পৃষ্ঠাত মঃ আমিনুদ্দিন আহমদ চাহাবে কোৰানত উল্লেখিত সাতখন আকাশ বা সাতোটা স্তৰৰ বিষয়ে বৰ্ণনা কৰি লিখিছে যে অতি পৰমাণুটোৰ (মহাজাগতিক ডিম্ব) বিস্ফোৰণ নিৰৱচ্ছিন্নভাৱে হোৱা নাছিল, বৈ বৈ কিছু নিৰ্দিষ্ট সময়ৰ ব্যৱধানত বিস্ফোৰণটো সংঘটিত হৈছিল আৰু প্ৰথমবাৰ বিস্ফোৰণৰ ফলত মহাজাগতিক কণিকা চাৰিওফালে ছিটিকি পৰি যি গোলকীয় স্তৰ সৃষ্টি হৈছিল, সেয়াই আছিল কোৰানত উল্লেখ থকা প্ৰথম আকাশ বা প্ৰথমস্তৰ। সেইদৰে দ্বিতীয়টো বিস্ফোৰণৰ বাবে কিছু বিৰতিৰ প্ৰয়োজন আছিল। এই বিৰতিৰ সময়ছোৱাত অতি পৰমাণুটোৰ বহিঃপৃষ্ঠত এখন ডাঠ চামনি তৈয়াৰ হৈছিল। আভ্যন্তৰীণ চাপ আৰু অপকেন্দ্ৰিক বলৰ ফলত দ্বিতীয়টো বিস্ফোৰণ সংঘটিত হৈ দ্বিতীয়টো উপ-গোলকীয় স্তৰ সৃষ্টি হৈছিল। এইদৰে মহাজাগতিক ডিম্বটোৰ বৈ, বৈ সাতবাৰ বিস্ফোৰিত হৈ সাতোটা উপ-গোলকীয় স্তৰ সৃষ্টি হৈছিল যিবোৰ তাৰকাৰাজ্য বা ৰাশি চক্ৰৰে পৰিপূৰ্ণ হৈ আছিল। তেওঁ দাবী কৰা মতে এই উপ-গোলকীয় স্তৰসমূহকেই কোৰানত বাৰে বাৰে সাতোখন আকাশ বা স্তৰ বুলি উল্লেখ কৰিছিল। তেওঁ Big Bang Theory টোক কোৰানৰ আলোকত সংশোধন কৰি নতুন ৰূপ 'আমি মহান বিস্ফোৰণবোৰৰ সূত্ৰ' (Theory of great Explosions) নামেৰে নামাকৰণ কৰিব বিচাৰিছে।



আল্লাই কোৰানৰ ছাফাত, হা, মিস, ছাজদা, ফোৰকান আদিৰ দৰে সাতোটা ছুৰাত কেৱল পৃথিৱীৰ আকাশ (নিম্নতম আকাশ বা প্ৰথম আকাশ) গ্ৰহ নক্ষত্ৰৰ দ্বাৰা অলংকৃত কৰা হৈছে বুলি উল্লেখ আছে। আমিনুদ্দিন আহমদৰ মতে প্ৰথম বিস্ফোৰণৰ ফলত যি উপ-গোলকীয় স্তৰ সৃষ্টি হৈছিল সেয়াই হ'ল কোৰানৰ প্ৰথম আকাশ। তেওঁৰ মতে প্ৰথমবাৰ বিস্ফোৰণৰ যি উপ-গোলকীয় স্তৰ সৃষ্টি হৈছিল সেই স্তৰ বিশ্বৰ একেবাৰে শেষপ্ৰান্ত পাইছে, অৰ্থাৎ সেই প্ৰথম স্তৰৰ গোলকীয় পদাৰ্থ জগত তাৰ মূল অভিকেন্দ্ৰৰ পৰা আটাইতকৈ দূৰতম পদাৰ্থ জগত, যত আমাৰ হাতীপটি তাৰকাৰাজ্য অৱস্থিত। কাৰণ আমি কেৱল পৃথিৱীৰ পৰা হাতীপটি কাৰকাৰাজ্যৰ গ্ৰহ-নক্ষত্ৰ দেখা পাওঁ। আমাৰ নিজস্ব হাতীপটি তাৰকাৰাজ্যৰ পৰা তাৰ অভিকেন্দ্ৰৰ দিশত পদাৰ্থ জগতৰ ঘনত্ব বৃদ্ধি আৰু একেবাৰে বহিঃতম পৃষ্ঠৰ দিশত পদাৰ্থ জগতৰ ঘনত্ব হ্ৰাস পোৱা উচিত আছিল। বিজ্ঞানীসকলৰ মতে হাতীপটিৰ অৱস্থান বিশ্বৰ কোনটো চোকত আছে, সেয়া তেওঁলোকে নাজানে। আমাৰ পৃথিৱীৰ পৰা কোটি কোটি আলোকবৰ্ষ দূৰত্বলৈ চাৰিওফালে পদাৰ্থ জগত সুষমভাৱে বিস্তাৰিত হৈ থকা দেখা যায়। তেওঁৰ উপ-গোলকীয় প্ৰতিস্তৰতে অসংখ্য তাৰকাৰাজ্য আছে য'ত গ্ৰহ-নক্ষত্ৰৰে পৰিপূৰ্ণ হৈ আছে, তেনেহ'লে আল্লাই যে ক'লে কেৱল পৃথিৱীৰ আকাশ গ্ৰহ-নক্ষত্ৰ বা প্ৰদীপ মালাৰে সুসজ্জিত কৰা হৈছে, আল্লাৰ কথাৰ কিবা মূল্য থাকিলনে? বিগ্‌ বেং থিয়ৰি নতুন ৰূপত সজাব বিচাৰিছে, সেয়া অতি আদৰণীয় কিন্তু নিজাববীয়াকৈ তত্ত্ব উদ্ভাৱন কৰি ঘৰত সজাই থলেতো, সেয়া বিজ্ঞানৰ থিয়ৰি হৈ নুঠিব, ইয়াক আন্তঃৰাষ্ট্ৰীয় বিজ্ঞান মঞ্চ অথবা নেচাৰৰ দৰে গৱেষণামূলক প্ৰবন্ধ পাতি প্ৰকাশ পাব পৰা আলোচনীসমূহত উপস্থাপন কৰিব লাগিব, লগতে সম্ভাব্য হেজাৰটা প্ৰশ্নৰ উত্তৰ দিবলৈ ৰাজী থাকিব লাগিব। আল্লাৰ তৰফৰ পৰা অহা তত্ত্ব এটা নিশ্চয় বিজ্ঞান মহলে অকপটে গৃহীত নকৰি নোৱাৰে। তেওঁ ভাবিব পাৰে আল্লাৰ তত্ত্বই মানুহৰ পৰা স্বীকৃতি দিছে কাৰণে তাৰ মূল্য আৰু সন্মান অটুট আছে। (আগলৈ)

## মৰাণত পোনাৰাম মহন ফুকন দ্বাদশ বাৰ্ষিক স্মাৰক বক্তৃতানুষ্ঠান সম্পন্ন

# একেলগে আগুৱাই নিব পাৰিলেহে জাতিৰ ঐতিহ্য বৰ্তি থাকিব

অগ্ৰদূত বাৰ্তা

**মৰাণ, ৭ এপ্ৰিল ঃ** 'এটা জাতিৰ ঐতিহ্য ধৰি ৰখাটো অতি কঠিন কাম। জাতি আৰু জ্ঞাতি দুয়োটা মিলি এক সমন্বয় সৃষ্টি হৈছে। এই জাতি আৰু জ্ঞাতি দুয়োটাকে একেলগে কৰি আগুৱাই নিব পাৰিলেহে এটা জাতিৰ ঐতিহ্য বৰ্তি থাকিব।' আজি মৰাণৰ তাই অধ্যয়ন আৰু গৱেষণা প্ৰতিষ্ঠানত 'তাই আহোমৰ ঐতিহ্য আৰু অসমীয়া জাতি গঠন প্ৰক্ৰিয়া' শীৰ্ষক এক বক্তৃতানষ্ঠানত বক্তৃতা প্ৰদান কৰি বুৰঞ্জীবিদ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° চন্দন শৰ্মাই এইদৰে কয়। তেওঁ পুনৰ কয় যে জাতি এটাৰ গঠন প্ৰক্ৰিয়াত বীৰ-বীৰাংগনাসকলৰ দিৱসে বহুত সহায় কৰে। এনে দিৱসে মানুহৰ মনত জাতীয়তাবাদৰ ভাববিলাক সজীৱ কৰে। ড° শৰ্মাই অসমীয়া জাতিৰ গঠনত তাই আহোমৰ ছশ বছৰীয়া শাসন কালত আগবঢ়োৱা বহু অৰিহণাৰ বিষয়ে উল্লেখ কৰে। বুৰঞ্জীবিদ পোনাৰাম মহন ফুকনৰ দ্বাদশ বাৰ্ষিক উক্ত বক্তৃতানুষ্ঠান সঞ্চালনা কৰে জীৱেশ্বৰ মহনে। দীপেন গগৈয়ে আঁত ধৰা অনুষ্ঠানটোত প্ৰতিষ্ঠানটোৰ সঞ্চালক ড° গিৰিণ ফুকন, সম্পাদক ডাঃ বিৰিঞ্চি কুমৰ গগৈয়ে অংশগ্ৰহণ কৰে। উক্ত অনুষ্ঠানতে তাই সংস্কৃতিৰ সাধক পদ্মছাঙবুন ফুকনক মানপত্ৰসহ নগদ ১০ হেজাৰ টকাৰে স্মাৰক বঁটা প্ৰদান কৰা হয়।

# বোকাখাতত গঁড়ৰ আক্ৰমণত বনকৰ্মী আহত

অগ্ৰদূত বাৰ্তা

**বোকাখাত, ৭ এপ্ৰিল ঃ** কাজিৰঙা ৰাষ্ট্ৰী উদ্যানৰ অগৰাতলী বনাঞ্চলৰ কিংকোৱা বায়ন শিবিৰৰ সমীপত আজি গঁড়ৰ আক্ৰমণত এজন বনকৰ্মী গুৰুতৰভাৱে আহত হয়। উল্লেখ্য যে বনকৰ্মীৰ এটা তিনিজনীয়া দলে পহৰা দি থকা অৱস্থাত এজনী পোৱালি থকা মাইকী গঁড়ে দলটোক হঠাৎ আক্ৰমণ কৰে। ফলত ৰূপম চেতিয়া নামৰ বিশেষ গঁড় সুৰক্ষা বাহিনীৰ জোৱানজনে ভৰিত আঘাত পায়। তেওঁক ততালিকে বোকাখাতৰ ছহিদ কমলা মিৰি অসামৰিক চিকিৎসালয়ত অনা হয় যদিও প্ৰাথমিক চিকিৎসা দিয়াৰ পাছত যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ হাস্পতাললৈ উন্নত চিকিৎসাৰ বাবে প্ৰেৰণ কৰা হয়।

## পথৰ ওপৰত গাঁত খান্দি জনজীৱনলৈ ভাবুকি কঢ়িয়াই আনিছে জলজীৱন আঁচনিয়ে

# থাওৰা সমষ্টিত জল জীৱন আঁচনিত লুণ্ঠন



অগ্ৰদূত বাৰ্তা

**ডিমৌ, ৭ এপ্ৰিল ঃ** 'ঘৰ ঘৰ নল ,ঘৰ ঘৰ জল' ভাৰত চৰকাৰৰ এখন অভিলাষী আঁচনি হৈছে জলজীৱন মিছন। এতিয়া এই আঁচনিৰ নামত থাওৰা সমষ্টিত লুণ্ঠনৰ অবিৰত প্ৰতিযোগিতা চলিছে। সমষ্টিটোত এই আঁচনিৰ সৰহসংখ্যক ঠিকাদাৰে কামত পাল মৰাৰ লগতে হকে-বিহকে অতি নিম্ন মানৰ সামগ্ৰী ব্যৱহাৰ কৰি ধন লুণ্ঠন কৰাৰ লগতে জনজীৱনলৈ ভাবুকি কঢ়িয়াই পথৰ ওপৰত গাঁত খান্দি একো একোটা পথ মৃত্যুদূতলৈ পৰিণত কৰাৰ গুৰুতৰ অভিযোগ উঠিছে। অভিযোগ অনুসৰি, ডিমৌৰ কাষৰে কলিয়াপানী চাহ বাগিচাৰ শ্ৰমিকসকলক বিশুদ্ধ খোৱা পানী যোগান ধৰাৰ বাবে জলজীৱন মিছনৰ জৰিয়তে ঠিকাদাৰে যোৱা কে'বা মাহ ধৰি কাম কৰি আছে যদিও আজি পৰ্যন্ত এটুপি বিশুদ্ধ খোৱা পানী যোগান ধৰাটো দুৰৰে কথা নিৰ্ধাৰিত সময়ত কামকে সম্পূৰ্ণ কৰি পৰা নাই । ঠিকাদাৰ, বিভাগীয় কৰ্তৃপক্ষৰ গোপন বুজাবুজি আৰু চূড়ান্ত মইমতালিৰ বাবে বহুদিন ধৰি যমৰ যতনা ভোগ কৰিবলৈ বাধ্য হৈ পৰিছে জনসাধাৰণ। সামান্য এজাক বৰষুণৰ ফলত হোৱা বোকা-পানীৰ বাবে দৈনিক এই অঞ্চলবোৰত সৰু-বৰ দুৰ্ঘটনা সংঘটিত হোৱাৰ লগতে জৰুৰীকালীন অৱস্থাত কোনো লোক ঘৰৰ পৰা ওলাই যাবলৈ সক্ষম নহয় বুলি ৰাইজে অভিযোগ কৰিছে। 'ঘৰ ঘৰ নল ,ঘৰ ঘৰ জল' দিয়াৰ নামত ব্যাপক অনিয়মৰ আশ্ৰয় গ্ৰহণ কৰি সকলো নীতি-নিৰ্দেশনা ভৰিৰে মোহাৰি ঠিকাদাৰে নিজৰ খেয়াল-খুচিমতে কলিয়াপানী অঞ্চলত পানী যোগানৰ পাইপ সংযোগ কৰাৰ নামত অঞ্চলটোৰ বিভিন্ন পথৰ ওপৰত খননকাৰ্য চলায় মুকলিকৈ এৰি দিয়াৰ ফলত ১০-১২ দিনে যাতায়াতৰ ক্ষেত্ৰত ৰাইজ বিভিন্ন ধৰণৰ সমস্যাৰ সন্মুখীন হৈছে । ইফালে, জলজীৱন মিছনৰ বিভাগীয় কৰ্তৃপক্ষৰ নিৰ্দেশনা অনুসৰি পানী যোগানৰ মূল পাইপ তিনি ফুট দ'কৈ পুতিব লাগে আৰু প্ৰতি ঘৰ ব্যক্তিৰ ঘৰত পানী যোগান ধৰাৰ ব্যৱস্থা কৰিব লাগে যদিও ঠিকাদাৰে নিজৰ খেয়াল-খুচিমতে পথৰ ওপৰত মাত্ৰ ছয় ইঞ্চি গাঁত খান্দি পাইপ পোতাৰ লগতে হিতাধিকাৰীৰ ঘৰত পানী যোগান ধৰাৰ সলনি ৰাস্তাৰ কাষতে পানী টেপ দিয়াৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। স্থানীয় ৰাইজে অভিযোগ কৰা অনুসৰি, ঠিকাদাৰে অধিক মুনাফা আদায় কৰাৰ বাবে প্ৰধানমন্ত্ৰীৰ সপোনৰ অভিলাষী আঁচনি জলজীৱন মিছন আজি ৰাইজৰ বাবে কালৰূপ ধাৰণ কৰিছে ।

# টিহু কেন্দ্ৰীয় ৰঙালী বিহু উদ্‌যাপনৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**টিহু, ৭ এপ্ৰিল ঃ** টিহু কেন্দ্ৰীয় ৰঙালী বিহু উদ্‌যাপন সমিতিৰ উদ্যোগত অহা ১৪, ১৫, ২০ আৰু ২১ এপ্ৰিলত টিহু হাইস্কুল খেলপথাৰত পাঁচদিনীয়া বৰ্ণিল কাৰ্যসূচীৰে ৰঙালী বিহু উদ্‌যাপন কৰা হ'ব। কাৰ্যসূচী অনুসৰি, ১৪ এপ্ৰিলৰ পুৱা ৬৩ সংখ্যক টিহু কেন্দ্ৰীয় ৰঙালী বিহু উদ্‌যাপন সমিতিৰ সভাপতি সঞ্জীৱ পাঠকে বিহু পতাকা উত্তোলনেৰে ৰঙালী বিহুৰ কাৰ্যসূচী মুকলি কৰিব। ইয়াৰ পাছত সাহিত্য পতাকা উত্তোলন কৰিব টিহু মহাবিদ্যালয়ৰ উপাধ্যক্ষ বাবুল ডেকাই, সাংস্কৃতিক পতাকা উত্তোলন কৰিব বাঁহীবাদক হৰেকৃষ্ণ তালুকদাৰে, আনহাতে, ক্ৰীড়া পতাকা উত্তোলন কৰিব প্ৰাক্তন ৰাজ্যিক ভলীবল খেলুৱৈ ৰতন মেধিয়ে, শান্তি সমন্বয়ৰ পতাকা উত্তোলন কৰিব টিহু ৩০ খন বিছনাযুক্ত প্ৰাথমিক প্ৰেৰণ গোটৰ উপ-অধীক্ষক ডাঃ তপন তালুকদাৰে। স্মৃতি তৰ্পণ অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰিব টিহু কেন্দ্ৰীয় ৰঙালী বিহু উদ্‌যাপন সমিতি কাৰ্যকৰী সভাপতি মন্টু কলিতাই। তদুপৰি মাল্যাৰ্পণ ১৩ পৃষ্ঠাত চাওক

# বৰপূল্লাত কম্পিউটাৰ প্ৰশিক্ষণ কেন্দ্ৰ উদ্বোধন

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ৭ এপ্ৰিল ঃ** আজি পশ্চিম বড়িগোগ মৌজাৰ বৰপূল্লাত এটি কম্পিউটাৰ কেন্দ্ৰ উদ্বোধন কৰা হয়। টেকভিছন নামৰ অত্যাধুনিক কম্পিউটাৰ কেন্দ্ৰটো উদ্বোধন কৰে জনপ্ৰিয় ইউটিউবাৰ ময়ূৰ মানসে। উক্ত কেন্দ্ৰটোত সম্পূৰ্ণ বিনামূলীয়াকৈ নাম ভৰ্তিৰ সুবিধা আছে বুলি প্ৰশিক্ষকজনে সদৰী কৰিছে।

# মাজুলী মহাবিদ্যালয়ত গ্ৰন্থমেলাৰ গ্ৰন্থ উন্মোচন, আলোচনাচক্ৰ

অগ্ৰদূত বাৰ্তাঃ

**কমলাবাৰী ৭ এপ্ৰিল ঃ** প্ৰথম মাজুলী মহাবিদ্যালয় গ্ৰন্থমেলাৰ কালি দ্বিতীয় দিনা অনুষ্ঠিত হয় এখন মনোগ্ৰাহী আলোচনাচক্ৰ। 'নৱ প্ৰজন্ম আৰু গ্ৰন্থৰ ভৱিষ্যৎ' শীৰ্ষক আলোচনাখনৰ সঞ্চালক হিচাপে উপস্থিত থাকে অৱসৰী অধ্যাপক তথা লেখক দিলীপ কুমাৰ ফুকন। নিজা ভাষণত তেওঁ ঐতিহ্যমণ্ডিত ভাৰতীয় সংস্কৃতি কিদৰে গ্ৰন্থেৰে চহকী সেই বিষয়ে উল্লেখ কৰি নৱপ্ৰজন্মক গ্ৰন্থৰ প্ৰতি আকৰ্ষণৰ ক্ষেত্ৰত কৰণীয়খিনি পালন কৰিবলৈ সকলোকে আহ্বান জনায়। আলোচনাচক্ৰৰ আলোচক হিচাপে উপস্থিত থাকি নৰ্থ লখিমপুৰ মহাবিদ্যালয় (স্বতন্ত্ৰ)ৰ অধ্যাপক, বিশিষ্ট লেখক ড° অৰবিন্দ ৰাজখোৱাই নিজৰ মনোগ্ৰাহী ভাষণেৰে সকলোকে আপ্লুত কৰি তোলে। ভাষণ প্ৰসংগত তেওঁ গ্ৰন্থ অধ্যয়নৰ ক্ষেত্ৰত অনীহাৰ বাবে নৱপ্ৰজন্মক সততেই দোষাৰোপ কৰা অনুচিত বুলি উল্লেখ কৰে। নৱপ্ৰজন্মক অধ্যয়নৰ প্ৰতি আগ্ৰহী কৰিবলৈ বৌদ্ধিক সমাজে ভাল গ্ৰন্থৰ লগত সেইসকলক পৰিচয় কৰাটো অধিক প্ৰয়োজনীয় বুলি মন্তব্য আগবঢ়ায়। ১৩ পৃষ্ঠাত চাওক

## টুকটুকীৰ পোনা মাছ কেন্দ্ৰই আশাৰ বতৰা কঢ়িয়াই আনিছে নিবনুৱা যুৱক-যুৱতীলৈ

অগ্ৰদূত বাৰ্তা

**ধিং, ৭ এপ্ৰিল ঃ** মাছৰ পোনা উৎপাদনৰ ক্ষেত্ৰত অসমৰ ভিতৰতে এক সুকীয়া স্থান দখল কৰিবলৈ সক্ষম হোৱা এখন কৃষিপ্ৰধান গাঁও টুকটুকী। নগাঁও জিলাৰ বটদ্ৰৱা সমষ্টিৰ অন্তৰ্গত এই গাঁওখনৰ নিবনুৱা যুৱক-যুৱতীসকলে চাকৰিৰ পৰিৱৰ্তে সম্প্ৰতি আত্মনিয়োগ কৰিছে স্বনিৰ্ভৰশীলতাত, আত্মনিয়োগ কৰিছে 'হেচ্ছাৰিৰ' জৰিয়তে মাছৰ পোনা উৎপাদনত। এই মাছৰ পোনা উৎপাদনেৰে গাঁওখনলৈ কঢ়িয়াই আনিছে আশাৰ বতৰা। বিগত কে'বা দশক ধৰি গাঁওখনৰ ঘৰে ঘৰে স্থাপন কৰিছে মাছৰ পোনা উৎপাদন কেন্দ্ৰ। উল্লেখ্য যে আধুনিক বিজ্ঞানসন্মত পদ্ধতিৰে 'হেচ্ছাৰি' স্থাপন কৰি শিক্ষিত যুৱক-যুৱতীসকলে মাছৰ পোনা উৎপাদন কৰি স্থানীয় মীনপালকসকলৰ লগতে ৰাজ্যৰ বিভিন্ন জিলাৰ উপৰি বহিঃৰাজ্য নগালেণ্ড, অৰুণাচল, মেঘালয়, মিজোৰাম আদিত এই মাছৰ পোনা যোগান ধৰিছে। ফলত ইয়াৰ দ্বাৰা স্বাৱলম্বী হৈ পৰিছে বহু সংখ্যক নিবনুৱা শিক্ষিত যুৱক-যুৱতী। গাঁওখনত সম্প্ৰতি শতাধিক এনে পোনা উৎপাদন কেন্দ্ৰ স্থাপন কৰিছে উদ্যোগী যুৱকসকলে। ইপিনে, ইয়াৰ প্ৰতিটো কেন্দ্ৰতেই প্ৰায় ১০-১২ জনকৈ শিক্ষিত নিবনুৱা যুৱকে সংস্থাপন লাভ কৰিছে। উল্লেখ্য যে উক্ত গাঁওখনৰ প্ৰায় ৯০ যুৱকেই জড়িত হৈ পৰিছে এই পোনা মাছ উৎপাদনত। আনহাতে, গাঁওখনৰ এই যুৱকসকলে আজিলৈকে কোনো ধৰণৰ চৰকাৰী সাহায্য অথবা কোনো প্ৰশিক্ষণ লাভ কৰিবলৈ সক্ষম নোহোৱাকৈ নীৰৱে ব্ৰতী হৈ পৰিছে পোনা উৎপাদনত।

# নৱগঠিত নাজিৰা-শিমলুগুৰি পৌৰসভাৰ পৌৰপতি-ৱাৰ্ড সদস্যৰ শপতগ্ৰহণ



অগ্ৰদূত বাৰ্তা

**নামতি, ৭ এপ্ৰিল ঃ** নৱগঠিত নাজিৰা আৰু শিমলুগুৰি পৌৰসভাৰ প্ৰথমখন বৈঠক আজি নাজিৰা মহকুমাধিপতি কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয়। বৈঠকত নাজিৰা আৰু শিমলুগুৰি পৌৰসভাৰ নৱনিৰ্বাচিত ৱাৰ্ড কমিছনাৰসকলে শপতগ্ৰহণ কৰে। উক্ত বৈঠকৰ আৰম্ভণিতে নৱনিৰ্বাচিত ৱাৰ্ড কমিছনাৰসকলক অতিৰিক্ত উপায়ুক্ত তথা নাজিৰা মহকুমাৰ ভাৰপ্ৰাপ্ত মহকুমাধিপতি সব্যসাচী কাশ্যপে শপতবাক্য পাঠ কৰোৱায়। পৰৱৰ্তী কাৰ্যসূচীত সকলো সদস্যকে সম্বৰ্ধনা জনোৱা হয়। লগতে নাজিৰা আৰু শিমলুগুৰিৰ নৱনিৰ্বাচিত পৌৰপতি আৰু উপ-পৌৰপতিদ্বয়েও শপতগ্ৰহণ কৰে। উক্ত শপতগ্ৰহণ অনুষ্ঠানত নাজিৰা আৰু শিমলুগুৰি পৌৰসভাৰ নৱনিৰ্বাচিত ১৩ পৃষ্ঠাত চাওক

# কাঁহিকুছি বজাৰত নিয়ম বহিৰ্ভূতভাৱে শৌচাগাৰ নিৰ্মাণৰ অভিযোগ



অগ্ৰদূত বাৰ্তা

**আজাৰা, ৭ এপ্ৰিল ঃ** আজাৰা ৰাজহ চক্ৰ অঞ্চলৰ ঐতিহাসিক কাঁহিকুছি বজাৰত কামৰূপ মহানগৰ জিলা পৰিষদৰ উদ্যোগত আধুনিক শৌচাগাৰ এটা নিৰ্মাণৰ বেলিকা নীতি-নিৰ্দেশনা অৱমাননা কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। আনকি ইয়াৰ উচিত তদন্ত কৰি ব্যৱস্থা গ্ৰহণ কৰিবলৈ বজাৰ উন্নয়ন সমিতিৰ তৰফৰ পৰা কামৰূপ মহানগৰ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াৰ ওচৰত দাবী জনোৱা হৈছে। উল্লেখ্য যে কামৰূপ মহানগৰ জিলা পৰিষদৰ অনুদানেৰে কাঁহিকুছি বজাৰ অঞ্চলত এটি আধুনিক শৌচাগাৰ নিৰ্মাণৰ কাম আৰম্ভ কৰা হৈছে। পিছে উক্ত কামৰ বেলিকা কিমান টকাৰ অনুদান, কি ধৰণৰ শৌচাগাৰ আদি বিষয়সমূহৰ বিষয়ে কোনেও ভূকে নাপায়। এনে ক্ষেত্ৰত শৌচাগাৰ নিৰ্মাণৰ বেলিকা বিভিন্ন অনীতি-অনিয়ম হোৱাৰ অভিযোগ তুলিছে বজাৰ উন্নয়ন সমিতিয়ে। কাঁহিকুছি বজাৰ উন্নয়ন সমিতিৰ সভাপতি আৰু সম্পাদক ক্ৰমে তপন জগৰীয়া আৰু কমলেশ্বৰ হালৈয়ে কামৰূপ মহানগৰ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াৰ ওচৰত যোৱা ২৫ মাৰ্চত তদন্ত বিচাৰি লিখিত অভিযোগ দাখিল কৰিছে।

# অসম কবিতা একাডেমীৰ উদ্যোগত বঁটা প্ৰদান, গ্ৰন্থ উন্মোচনৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**হাজো, ৭ এপ্ৰিল ঃ** অসম কবিতা অকাডেমীৰ উদ্যোগত ১০ এপ্ৰিলত দিছপুৰ লাষ্টগেটস্থিত শ্ৰীমন্ত শংকৰদেৱ নামঘৰ সভাগৃহত প্ৰবীণ সাংবাদিক-সাহিত্যিক ধীৰেন্দ্ৰনাথ চক্ৰৱৰ্তীৰ অধ্যক্ষতাত 'কাব্যাচাৰ্য উপাধি, অসম কবিতা অকাডেমী বঁটা' প্ৰদানৰ লগতে কবি সন্মিলন আৰু গ্ৰন্থ উন্মোচনী অনুষ্ঠান অনুষ্ঠিত হ'ব। বিশিষ্ট কবি-গীতিকাৰ ড° পৰাগ কুমাৰ ভট্টাচাৰ্যক ২০২০-২১ বৰ্ষৰ 'কাৰ্ব্যাচাৰ্য' ১৩ পৃষ্ঠাত চাওক

# কোকৰাঝাৰ জিলাৰ চিথিলাত বিজেপিৰ প্ৰতিষ্ঠা দিৱস পালন

অগ্ৰদূত বাৰ্তা

**চিথিলা, ৭ এপ্ৰিল ঃ** সমগ্ৰ দেশৰ লগতে কোকৰাঝাৰ জিলাতো কালি বিজেপিৰ ৪২ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। কোকৰাঝাৰ জিলাৰ অধীনত থকা ফকিৰাগ্ৰাম, দোতমা, কচুগাঁও আদি মণ্ডলৰ লগতে সকলো মণ্ডল আৰু বুথ সমিতিও প্ৰতিষ্ঠা দিৱস উপলক্ষে বিভিন্ন ধৰণ কাৰ্যসূচী ৰূপায়ণ কৰে। ফকিৰাগ্ৰাম মণ্ডলৰ অধিতন চিথিলা সমূহীয়া ভৱনত বিজেপিৰ ৪২ সংখ্যক প্ৰতিষ্ঠ দিৱস উপলক্ষে পুৱা বিজেপিৰ দলীয় পতাকা উত্তোলন কৰে মণ্ডল সভাপতি মনোজ কুমাৰ ৰায়ে। উক্ত অনুষ্ঠানত উপস্থিত থাকে সম্পাদক চান মোহন ৰায়, ধৰণীকান্ত বৰ্মণ, চিথিলা ভিচিডিচিৰ চেয়াৰমেন কনকেশ্বৰ ৰায়।

# কোকৰাঝাৰ চৰকাৰী মহাবিদ্যালয়ত 'ফামী' আৰু 'মৌনাবিলি' উন্মোচন

## ঈশান মুছাহাৰী সাহিত্যক আগুৱাই নিয়াৰ বাবে উৰ্খাওগৌৰাৰ অনুদান



অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ৭ এপ্ৰিল ঃ** বড়ো সাহিত্যৰ জন কিটছ হিচাপে খ্যাত ৰোমান্টিক কবি প্ৰয়াত ঈশান মুছাহাৰীৰ সৃষ্টিক জীয়াই ৰাখিবলৈ কোকৰাঝাৰ চৰকাৰী মহাবিদ্যালয়ৰ বড়ো বিভাগে লোৱা পদক্ষেপ অতি প্ৰশংসনীয় এই মন্তব্য মন্ত্ৰী তথা ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ উৰ্খাওগৌৰা ব্ৰহ্মৰ। কালি কোকৰাঝাৰ মহাবিদ্যালয়ত বড়ো সাহিত্যৰ ৰোমান্টিক কবি প্ৰয়াত ঈশান মুছাহাৰীৰ সৃষ্টিৰ ওপৰত বড়ো বিভাগে দুখনকৈ কবিতাৰ গ্ৰন্থ প্ৰকাশ কৰি বড়ো সাহিত্যত কবিজনক জীয়াই ৰাখিবলৈ এক অভিনৱ প্ৰচেষ্টা বুলি অভিহিত কৰে মন্ত্ৰী ব্ৰহ্মই। বড়ো বিভাগৰ উদ্যোগত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী সভাত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰা ব্ৰহ্মই ঈশান মুছাহাৰীৰ সৃষ্টিৰাজিক বড়ো সাহিত্যতে নহয় সমগ্ৰ দেশতে প্ৰসাৰ বৃদ্ধি কৰাৰ বাবে বড়ো বিভাগক এক লাখ টকা অনুদান আগবঢ়ায়। বড়ো বিভাগৰ অধ্যাপক লোকনাথ গয়াৰীয়ে সভাপতিত্ব কৰা উক্ত সভাখনত সভাপতিৰ ভাষণত ১৩ পৃষ্ঠাত চাওক

# বঙাইগাঁৱত বিজেপিৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**বঙাইগাঁও, ৭ এপ্ৰিল ঃ** কালি বঙাইগাঁও জিলা বিজেপি কাৰ্যালয়ত ভাৰতীয় জনতা পাৰ্টিৰ ৪২ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। কাৰ্যসূচী অনুসৰি, পুৱা ন বজাত পতাকা উত্তোলন কৰে জিলা সভানেত্ৰী হিমানী অধিকাৰীয়ে। তাৰ পাছতেই জিলা বিষয়ববীয়া, কাৰ্যকৰ্তাসকলৰ উপস্থিতিত এখন সভা অনুষ্ঠিত হয়। উক্ত সভাত বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য সুকেন ৰায় আৰু জিলা সভানেত্ৰী হিমানী অধিকাৰীয়ে বিজেপিৰ স্বৰ্ণীল ইতিহাস সোঁৱৰণ কৰি প্ৰতিষ্ঠা দিৱস সম্পৰ্কত ভাষণ আগবঢ়ায়। পুৱা ১০ বজাৰ পৰা ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰ্চুৱেল সভাযোগে দেশবাসীক সম্বোধন কৰে। তাৰ পাছতে জিলা কাৰ্যালয়ৰ পৰা মহিলা মৰ্চা সমন্বিতে এক শোভাযাত্ৰা উলিয়ায়। উল্লেখ্য যে ছয় এপ্ৰিলৰ পৰা ২০ এপ্ৰিল ২০২২ তাৰিখলৈ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি বিভিন্ন কাৰ্যসূচী পালন কৰা হ'ব।

# বঙৰাৰ ডাঙৰ কৈটাসিদ্ধিত ৭৩ সংখ্যক সুঁৱৰি উৎসৱৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**আজাৰা , ৭ এপ্ৰিল ঃ** কামৰূপ জিলাৰ বঙৰাৰ সমীপৰ ডাঙৰ কৈটাসিদ্ধি ৰাইজ গয়ৰহে পৰম্পৰাগতভাৱে উদ্‌যাপন কৰি অহা সুঁৱৰি উৎসৱ এইবেলি ৭৩ সংখ্যক বৰ্ষত পদাৰ্পণ কৰিছে। এইবেলি সুঁৱৰি উৎসৱ অহা ১৯ আৰু ২০ এপ্ৰিলত 'শ্ৰীশ্ৰী কৈটাসিদ্ধি সত্ৰ' প্ৰাংগণত দুদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা হৈছে। ৰাইজ গয়ৰহৰ সভাপতি প্ৰদীপ চন্দ্ৰ নাথ আৰু সম্পাদক ৰত্নেশ্বৰ নাথে সদৰী কৰা মতে, অহা ১৯ এপ্ৰিলৰ পুৱা পাঁচ বজাত ঊষা কীৰ্তন পৰিচালনা কৰিব সত্ৰাধিকাৰ ৰজনীকান্ত নাথে পুৱা আঠ বজাত গোসাঁই স্থাপন, দিনৰ ১১ বজাত ধৰ্মধ্বজা উত্তোলন কৰিব প্ৰবীণ নাথ শাস্ত্ৰীয়ে। আনহাতে, ১২ বজাত সুঁৱৰি উৎসৱৰ মঞ্চ মুকলি কৰিব দক্ষিণ কামৰূপ জিলা সত্ৰ মহাসভাৰ সভাপতি অখিল মহন্তই। তদুপৰি ১২-৩০ বজাত বন্তি প্ৰজ্বলন কৰিব নবীন নাথে, বিশিষ্ট অতিথিৰূপে শিক্ষক গজেন বড়ো, বহুভাষিক সাহিত্য মঞ্চ, অসমৰ প্ৰধান সম্পাদক দীপক শৰ্মা, অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰদীপ তালুকদাৰে অংশ ল'ব। দিনৰ এক বজাত সম্বৰ্ধনা অনুষ্ঠান, দুই বজাত সুঁৱৰি উৎসৱ আৰম্ভ, নাট পৰিচালনা প্ৰাণেশ্বৰ নাথৰ, দল পৰিচালনা ললিত নাথৰ। আনহাতে, নিশা ১০ বজাত 'যুগান্তৰ নাট্য দল'ৰ দ্বাৰা যাত্ৰাভিনয়। ২০ এপ্ৰিলৰ আবেলি দুই বজাত শ্ৰীশ্ৰীচতুৰ্ভুজ গোসাঁই লৈ শোভাযাত্ৰা। দুয়োদিনৰ কাৰ্যসূচীত ধৰ্মপ্ৰাণ ৰাইজৰ উপস্থিতি উদ্যোক্তাসকলে কামনা কৰিছে।

# আন্তঃমহাবিদ্যালয় কুইজ-বিহু সন্মিলনৰ প্ৰৱন্ধ প্ৰতিযোগিতা

অগ্ৰদূত বাৰ্তা

**ডিমৌ, ৭ এপ্ৰিল ঃ** ডিমৌ আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আৰু ৰাইজৰ সহযোগত ২৩ আৰু ২৪ এপ্ৰিলত ডিমৌ ৰাজহুৱা খেলপথাৰত দুদিনীয়াকৈ ২৮ সংখ্যক ডিমৌ কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলন উদ্‌যাপন কৰাৰ প্ৰস্তুতি পূৰ্ণগতিত চলিছে। কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ লগত সংগতি ৰাখি ২৩ এপ্ৰিলত পুৱা বিহু পতাকা উত্তোলন, আছুৰ পতাকা উত্তোলন, বিভিন্ন জাতি-জনগোষ্ঠীৰ পতাকা উত্তোলন কৰাৰ পাছতে ছহিদ তৰ্পণ কাৰ্যসূচী আৰম্ভ কৰা হ'ব। ইয়াৰ পাছতে বিহুৰ জলপান গ্ৰহণ আৰু কণী যুঁজ আৰু পিঠাপনা প্ৰতিযোগিতা আৰু দুপৰীয়া বিহুনাচ আৰু বিহুৱতী প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ১৩ পৃষ্ঠাত চাওক

# বঙাইগাঁৱত ৰঙালী বিহু উদ্‌যাপন সমিতিক ডেৰ লাখকৈ টকাৰ চেক প্ৰদান



অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ৭ এপ্ৰিল ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই বছৰ ৰাজ্যখনৰ ১০ বছৰ পুৰণি তথা যিবিলাক বিহু সমিতিয়ে সাত ব'হাগৰ ভিতৰত ৰঙালী বিহু উদ্‌যাপন কৰিব সেই সমিতিসমূহক ১.৫০ লাখ টকা বিত্তীয় সাহায্য হিচাপে প্ৰদান কৰাৰ কথা ঘোষণা কৰা অনুসৰি আজি বঙাইগাঁৱত আৰ্থিক অনুদান প্ৰদান কৰা হয়। এই মৰ্মে, বঙাইগাঁও জিলাত ৩৪খন ৰঙালী বিহু উদ্‌যাপন সমিতি বাছনি কৰা হৈছিল। জিলা উপায়ুক্তৰ কাৰ্যালয় সভা কক্ষত আজি বিহু উদ্‌যাপন সমিতিসমূহক ১.৫০ লাখ টকা চেক প্ৰদান কৰা হয়। উপায়ুক্ত ডাঃ এমএছ লক্ষ্মী প্ৰিয়াই চেকসমূহ বিতৰণ কৰে। তেওঁ চেক প্ৰদান কৰি দিয়া ভাষণত কয় যে মুখ্যমন্ত্ৰীৰ এই বিত্তীয় সাহায্যখিনি ৰঙালী বিহু উদ্‌যাপন সমিতিসমূহক নিশ্চয় বিহু উদ্‌যাপন কৰাত সকাহ দিব।

# ভৱানীপুৰত বিজেপিৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

বিশেষ সংবাদদাতা

**পাঠশালা, ৭ এপ্ৰিল ঃ** ভৱানীপুৰত বিজেপিৰ ভৱানীপুৰ মণ্ডল সমিতিৰ উদ্যোগত কালি দিনজোৰা কাৰ্যক্ৰণিকাৰে বিজেপিৰ ৪২ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হয়। দিনজোৰা কাৰ্যক্ৰমণিকাত আৰম্ভণিতে বিজেপিৰ পতাকা উত্তোলন আৰু স্মৃতিতৰ্পণ কৰে বিজেপিৰ ভৱানীপুৰ মণ্ডল সমিতিৰ সভাপতি মামণি পাটগিৰিয়ে। ইয়াৰ পাছত ভৱানীপুৰ অঞ্চলত উলিওৱা শোভাযাত্ৰা উদ্বোধন কৰে ভৱানীপুৰৰ জ্যেষ্ঠ বিজেপি নেতা ৰঘু তালুকদাৰে। শতাধিক বিজেপিৰ নেতা-কৰ্মীয়ে অংশগ্ৰহণ কৰা সমদল তথা শোভাযাত্ৰাত বিভিন্ন শ্ল'গান প্ৰদৰ্শন কৰে। দুপৰীয়াৰ পৰা ভৱানীপুৰস্থিত বিজেপিৰ কাৰ্যলয়ত মামণি পাটগিৰিৰ সভাপতিত্বত অনুষ্ঠিত সভাত বিজেপি নেতা-নেত্ৰী ক্ৰমে গৌতম কলিতা, নিতুল দাস, অজয় দাস, মৃদুল নাথ, প্ৰাণজিৎ মণ্ডল, বনজিৎ মণ্ডল, মৃদুল অধিকাৰী আদিয়ে বক্তব্য আগবঢ়ায়।

## কদৰ্য ৰূপত আছে উপায়ুক্ত কাৰ্যালয়ৰ শৌচ-প্ৰস্ৰাৱাগাৰ

# ওদালগুৰিত স্বচ্ছ ভাৰতৰ বিপৰীত ছবি



বিশেষ সংবাদদাতা

**ওদালগুৰি, ৭ এপ্ৰিল ঃ** যিসময়ত দেশৰ কেন্দ্ৰীয় চৰকাৰখনৰ লগতে ৰাজ্য চৰকাৰখনে স্বচ্ছতাৰ দিশটোত গুৰুত্ব আৰোপ কৰি স্বচ্ছ ভাৰতৰ অভিযান অব্যাহত ৰাখিছে, তেনে সময়তে ওদালগুৰি চহৰখনৰ ভিন্ন প্ৰান্তত বিপৰীত ছবি প্ৰতিফলিত হৈছে। স্বচ্ছতাৰ ক্ষেত্ৰত বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা ওদালগুৰিৰ একাধিক চৰকাৰী বিভাগ, এনজিঅ'ৰ বিষয়া-কৰ্মচাৰীয়ে কেৱল ফটোশ্যুটৰ বাবে এদিন হাতত ঝাড়ু লৈয়ে নিজৰ দায়িত্ব সামৰে। ফলত ওদালগুৰি চহৰৰ কে'বাটাও মূল স্থান বৰ্তমান জাৱৰৰ দমলৈ ৰূপান্তৰিত হৈছে। এই ক্ষেত্ৰত ওদালগুৰি পৌৰসভাই সময়ে সময়ে নতুন নতুন পদক্ষেপ গ্ৰহণ কৰা দেখা গৈছে যদিও একাংশ বিকৃত মানসিকতাৰ লোকৰ বাবে স্বচ্ছতাৰ দিশটোত বিভিন্ন অভিযানসমূহ বিফল হোৱা পৰিলক্ষিত হৈছে। বিশেষকৈ চহৰখনৰ একাংশ হোটেল-ৰেস্তোৰাঁ, ব্যৱসায়ীক পৌৰসভাই নাকী লগাব নোৱাৰা হেতুকে স্বচ্ছতাৰ দিশটোত বিপৰীত ৰূপ প্ৰতিফলিত হৈছে ওদালগুৰি চহৰখনত। সেইসকল হোটেল-ৰেস্তোৰাঁ, ব্যৱসায়ী প্ৰতিষ্ঠানৰ গৰাকীয়ে নিশা হ'লেই পেলনীয়া সামগ্ৰীসমূহ বিভিন্ন স্থানত জধে-মধে পেলাই যায়। যাৰ বাবে এতিয়া সেইসমূহ স্থান কদৰ্যময় হৈ পৰিছে। উদাহৰণস্বৰূপে ওদালগুৰি চহৰৰ মাজত থকা ৰেলগেট ইত্যাদি অঞ্চল বৰ্তমান অঘোষিত ডাম্পিং গ্ৰাউণ্ডলৈ পৰিণত হৈছে। ইফালে, ওদালগুৰি ১৩ পৃষ্ঠাত চাওক

## গোগামুখ মহাবিদ্যালয়ত শৈক্ষিক পৰিৱেশ সম্পৰ্কীয় সভা


# ক'ভিড পৰিস্থিতিৰ সন্মুখীন হ'বলৈ নতুন পৰিকল্পনা

**ধেমাজি, ৭ এপ্ৰিল ঃ** গোগামুখ মহাবিদ্যালয়ত কালি শৈক্ষিক পৰিৱেশৰ সন্দৰ্ভত এখন কাউন্সেলিং সভা অনুষ্ঠিত হয়। সভাখনত পৌৰোহিত্য কৰে গোগামুখ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দিলীপ কুমাৰ ঝাই কয় 'চলিত মাহৰ পৰা আৰম্ভ হোৱা নতুন ছেমিষ্টাৰ পদ্ধতিত ছাত্ৰ-ছাত্ৰীসকলে বিগত বৰ্ষবোৰত ক'ভিড পৰিস্থিতিৰ পৰা যি লোকচান হ'ল তাক পূৰণ কৰিবলৈ দুগুণ উদ্যমেৰে অধ্যয়নত মনোনিৱেশ কৰিব লাগিব। শ্ৰেণী কোঠাত যদি বুজি নোপোৱা বিষয় আছে তেন্তে তাক শিক্ষক-শিক্ষয়িত্ৰীসকল ওচৰলৈ গৈ সুধিব লাগিব আৰু এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ অধ্যক্ষৰ ওচৰলৈ গৈ নিঃসংকোচ সহায় ল'ব পাৰিব। সকলো ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণী কোঠাত অতি কমেও ৮০ শতাংশ উপস্থিত থাকিব লাগিব।' মহাবিদ্যালয়খনৰ অৰ্থনীতি বিভাগৰ সহযোগী অধ্যাপক দেৱেশ্বৰ বৰুৱাই ছাত্ৰ-ছাত্ৰীসকলক ইন্টাৰনেল এছেছমেন্টত থকা ২০ নম্বৰ পাবলৈ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে নতুন পদ্ধতিৰ সহায় ল'ব লাগিব বুলি কয়, কাৰ্যালয় সহায়ক নৱ পেগুৱে নামভৰ্তিৰ বাবে পৰীক্ষাৰ প্ৰ-পত্ৰ পূৰণ কৰাৰ সময়ত ছাত্ৰ-ছাত্ৰী ১৩ পৃষ্ঠাত চাওক

# মিছামাৰীত জৰাজীৰ্ণ দলঙেৰে যাতায়াত

**অগ্ৰদূত বাৰ্তা**

**ঠেলামৰা, ৭ এপ্ৰিল ঃ** বিজেপি নেতৃত্বাধীন চৰকাৰখনৰ দিনত ৰাজ্যখনত গ্ৰামাঞ্চলত পথ-দলং তথা যাতায়াতৰ ক্ষেত্ৰত উন্নয়ন হোৱা বুলি মন্ত্ৰী-বিধায়কসকলে ঢাক-ঢোল বজাই আহিছে যদিও প্ৰকৃতাৰ্থত আজিও গ্ৰামাঞ্চলৰ একাংশ ৰাইজে উন্নয়নৰ মুখ দেখা নাই। যাৰ ফলত বছৰৰ পাছত বছৰ ধৰি মিছামাৰীৰ একাংশ ৰাইজে যাতায়াতৰ নামত চৰম দুৰ্ভোগ ভুগি আহিছে। বিকশিত অসমৰ উন্নয়নৰ বিপৰীত ছবি দেখিবলৈ পোৱা যায় অসম চৰকাৰৰ মন্ত্ৰী অশোক সিংঘালৰ সমষ্টি ঢেকিয়াজুলিত। ঢেকিয়াজুলি বিধানসভা সমষ্টিৰ জীয়াগাভৰু গাঁও পঞ্চায়তৰ অন্তৰ্গত নেপালীবস্তি গাঁওখনৰ মাজেৰে বৈ গৈছে বেঙেনাজুলি নৈখন। নৈখন ইপাৰ-সিপাৰ হ'বলৈ নেপালীবস্তি গাঁৱৰ একাংশ ৰাইজে বহুত অসুবিধাত পৰিবলগীয়া হৈছে। নৈখনৰ ওপৰত এখন পকী দলং নিৰ্মাণ নোহোৱাৰ বাবে উপায়বিহীন হৈ স্থানীয় ৰাইজে বিগত প্ৰায় ৫০ বছৰ ধৰি নিজে নিৰ্মাণ কৰি লোৱা বাঁহৰ দলঙৰ ওপৰেদি অহা-যোৱা কৰি



আহিছে। সম্প্ৰতি সময়ছোৱাত জৰাজীৰ্ণ বাঁহৰ দলংখনৰ ওপৰেদি বৃদ্ধ-বৃদ্ধা, ডেকা-গাভৰু, বোৱাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে বিপদ সংকুলভাৱে অহা-যোৱা কৰিবলগীয়া হৈছে। নেপালীবস্তি গাঁৱৰ লোকসকলে নিতৌ এই জৰাজীৰ্ণ বাঁহৰ দলংখনৰ ওপৰেদি বিপদসংকুল যাতায়াত কৰি আহিছে। বেঙেনাজুলি নৈখনৰ ওপৰত এখন সৰু গাড়ী যাব পৰাকৈ পকীৰ দলং নিৰ্মাণ কৰিবলৈ স্থানীয় বিধায়ক তথা মন্ত্ৰী আশোক সিংঘাল আৰু মিছামাৰী গাঁও পঞ্চায়তখনক ৰাইজে দীৰ্ঘদিনৰে পৰা দাবী জনাই আহিছিল যদিও এই ক্ষেত্ৰত আজিলৈকে গুৰুত্ব প্ৰদান নকৰাৰ অভিযোগ তুলিছে স্থানীয় ৰাইজে। উল্লেখ্য যে নিৰ্বাচনৰ সময়ত গাঁওখনৰ ভোটাৰ ৰাইজে ভোটদান কৰি আহিছে; কিন্তু তেওঁলোকৰ জ্বলন্ত সমস্যাটিৰ পৰা আজিলৈকে পৰিত্ৰাণ নাপালে। ইফালে,

## পকী দলং নিৰ্মাণ কৰিবলৈ মুখ্যমন্ত্ৰীক আহ্বান

নিৰ্বাচনৰ সময়ত বহু ৰাজনৈতিক নেতা-পালিনেতাই গাঁওখনত উপস্থিত হৈ বিভিন্ন সমস্যা সমাধানৰ লগতে এখন পকী দলং নিৰ্মাণ কৰি দিয়াৰ আশ্বাস-প্ৰতিশ্ৰুতি দিয়ে যদিও নিৰ্বাচনৰ পাছত সকলো ফুটুকাৰ ফেনত পৰিণত হয়। প্ৰণিধানযোগ্য যে প্ৰতি বছৰে নেপালীবস্তি গাঁৱৰ ৰাইজে গাঁঠিৰ ধন ভাঙি আৰু শ্ৰমদান কৰি নৈখনৰ ওপৰত বাঁহৰ দলং নিৰ্মাণ কৰি লয় একমাত্ৰ যাতায়াতৰ সুবিধাৰ্থে। সংবাদ মাধ্যমৰ জৰিয়তে স্থানীয় ৰাইজে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ আহ্বান জনাইছে যে বেঙেনাজুলি নৈখনৰ ওপৰত এখন পকী দলং নিৰ্মাণ কৰি ৰাইজক সমস্যাটোৰ পৰা মুক্ত কৰক।

# আন্তঃমহাবিদ্যালয় কুইজ-বিহু

১২ পৃষ্ঠাৰ পৰা সন্ধিয়াৰ ভাগত নৰনাথ চেতিয়া আৰু মুহি গগৈ সোঁৱৰণী হুঁচৰি আৰু চেমনীয়া হুঁচৰি প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ২৪ এপ্ৰিলৰ পুৱা ১০ বজাৰ পৰা চিত্ৰাংকন প্ৰতিযোগিতা আৰু আন্তঃমহাবিদ্যালয় কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

# দৈয়াঙত গ্ৰহণী সদৃশ ৰোগত আক্ৰান্ত

**অগ্ৰদূত বাৰ্তা**

**ফৰকাটিং, ৭ এপ্ৰিল ঃ** গোলাঘাট জিলা দৈয়াং অঞ্চলৰ ৰতনপুৰ লক্ষীপুৰ গাঁৱত শিশু-মহিলাসহ গ্ৰহণী সদৃশ ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈছে। উল্লেখ্য যে উক্ত গাঁওখনৰ ৰিংকু বড়া (১৬), বগাই দাস (৯), লখৌ দাস (চাৰি) আৰু দিপশিখা বড়া (৩৪) নামৰ মহিলাগৰাকী গ্ৰহণী সদৃশ ৰোগত আক্ৰান্ত হৈ গোলাঘাটৰ ছহিদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। উল্লেখ্য যে ৰোগী কেইজনৰ শৌচ-বমি বেছিকৈ হোৱাত দুৰ্বল হৈ পৰিছে।

# অসম কবিতা অকাডেমীৰ

১২ পৃষ্ঠাৰ পৰা উপাধি, বিশিষ্ট কবি ৰমেন কলিতা আৰু সুমিত্ৰা গোস্বামীক 'অসম কবিতা অকাডেমী' বঁটা প্ৰদানৰ লগতে লেখিকা কাবেৰী দাস ৰয়ৰ 'এৰি অহা গাঁওখন, গৰাখহনীয়া জীৱনৰ ৰং, ইতিহাসৰ বৰ্ণকথা' আৰু লেখিকা ড° স্বৰ্ণলতা নাথৰ 'জীৱন নদীৰ বালিচৰ, জীৱনৰ অন্তৰ্দৃষ্টি' নামৰ গ্ৰন্থকেইখন উন্মোচন কৰা হ'ব। বিশিষ্ট শিক্ষাবিদ-সাহিত্যিক ড° সুচিত্ৰা কাকতীৰ সঞ্চালনাত বৰণীয়া কবিসকলৰ কবিতা পাঠ অনুষ্ঠান অনুষ্ঠিত হ'ব বুলি অসম কবিতা অকাডেমীৰ সচিব হেমন্ত কুমাৰ চৌধুৰীয়ে জনাইছে।

# কোকৰাঝাৰ চৰকাৰী মহাবিদ্যালয়ত

১২ পৃষ্ঠাৰ পৰা কয় যে মাত্ৰ ২৫ বছৰ বয়সতে কলেৰা মহামাৰীত মৃত্যু হোৱা ৰোমান্টিক কবিজনে 'সোনানী মালা' (সোণৰ মালা) নামৰ প্ৰথম কবিতা গ্ৰন্থখন প্ৰকাশ কৰিছিল। তাৰ পাছত তেওঁৰ বহু কবিতা তেওঁৰ ঘৰত বিভিন্ন ঠাইত সিচৰিত হৈ আছিল। ২০১৫ত তেওঁৰ কবিতাসমূহ উদ্ধাৰ কৰি সংক্ষণ কৰাৰ উদ্দেশ্যে 'ফামী' (পদুম ফুল) নামকৰণেৰে বড়ো বিভাগে দ্বিতীয় খণ্ড প্ৰকাশ কৰে। ইপিনে, গয়াৰীয়ে উল্লেখ কৰা মতে, কবিজনৰ এটা বিখ্যাত কবিতাৰ নাম আছিল 'মৌনাবিলি' (আবেলি)। এই মৌনাবিলিক কেন্দ্ৰ কৰিয়ে ১৬০ জন কবিয়ে অসমীয়া, বাংলা, হিন্দী ভাষাৰ পৰা অনুবাদ কৰাৰ উপৰি বড়ো ভাষাত ১৬০ টা কবিতা সন্নিবিষ্ট কৰি 'মৌনাবিলি' নামেৰে আন এখন গ্ৰন্থ উন্মোচন কৰে। গ্ৰন্থ উন্মোচনী সভাত পদ্মশ্ৰী ড° মংগল সিং হাজোৱাৰী, অৱসৰপ্ৰাপ্ত অধ্যক্ষসকল ক্ৰমে সুৰথ নাৰ্জাৰী, বিনয় চন্দ্ৰ ব্ৰহ্ম, নগেন ব্ৰহ্ম, বৰ্তমানৰ অধ্যক্ষা বনবিনা ব্ৰহ্ম, অধ্যাপক গোবিন্দ বড়ো, অঞ্জলি ব্ৰহ্ম, প্ৰমুখ্যে কে'বাগৰাকী বিশিষ্ট লোক উপস্থিত থাকে।

# ওদালগুৰিত স্বচ্ছ ভাৰতৰ বিপৰীত ছবি

১২ পৃষ্ঠাৰ পৰা সাপ্তাহিক বজাৰখনৰ সমীপতো আছে এনে ধৰণৰ জাৱৰৰ দমসমূহ। ইয়াত এতিয়া এনে কদৰ্যময় পৰিৱেশৰ মাজতেই সাপ্তাহিক বজাৰখনৰ পাচলি, ফলমূলৰ লগতে মুকলি পৰিৱেশত মাছ-মাংস বিক্ৰী হৈ আছে। কিন্তু এইসমূহ দেখিও যেন নেদেখা কুলিৰ ভাও জুৰিছে ওদালগুৰি জিলা প্ৰশাসনৰ লগতে সংশ্লিষ্ট বিভাগসমূহ। ইয়াৰ উপৰি ওদালগুৰি চহৰখনৰ মাজত নাই পৰ্যাপ্ত শৌচ-প্ৰস্ৰাৱাগাৰৰ ব্যৱস্থা। যাৰ বাবে বৰ্তমান বিভিন্ন স্থানত ৰাইছে মুকলিকৈ প্ৰস্ৰাৱ কৰা দৃশ্যই স্বচ্ছ ভাৰত অভিযান আঁচনিৰ বিপৰীতে ছবি দাঙি ধৰিছে। স্বয়ং ওদালগুৰি জিলা উপায়ুক্ত কাৰ্যালয় চৌহদত লাখ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মিত ৰাজহুৱা শৌচালয় আৰু প্ৰস্ৰাৱাগাৰৰ অৱস্থাই প্ৰশাসনৰ স্বচ্ছতাৰ প্ৰতি থকা দায়বদ্ধতা উদঙাই দিছে। উক্ত শৌচ-প্ৰস্ৰাৱাগাৰটোৰ ভিতৰৰ পৰিৱেশ ইমানেই লেতেৰা যে সাধাৰণ ৰাইজে তাত সোমোৱাৰ কোনো কল্পনাই কৰিব নোৱাৰে। সমান্তৰালভাৱে জিলা উপায়ুক্ত কাৰ্যালয়ত থকা আন প্ৰস্ৰাৱাগাৰসমূহৰ ভিতৰত কোনোৱাটো যদি তলা মৰা অৱস্থাত আছে, আন কোনোৱাটো আকৌ বিষয়া-কৰ্মচাৰীসকলৰ বাবে সংৰক্ষিত কৰি ৰখা হৈছে। ফলত ইয়াৰ মাজতে নিতৌ ওদালগুৰি জিলাৰ ভিন্ন প্ৰান্তৰ পৰা উপায়ুক্ত কাৰ্যালয়টোলৈ যোৱা হেজাৰ হেজাৰ সাধাৰণ ৰাইজে যন্ত্ৰণা ভোগ কৰিবলৈ বাধ্য হৈছে। অৱশ্যে উক্ত শৌচ-প্ৰস্ৰাৱগাৰসমূহ ব্যৱহাৰৰ পাছত চাফ-চিকুণতাৰ সমানে দায়িত্ব থাকে ৰাইজৰ। এই ক্ষেত্ৰত কাৰ্যালয়টোলৈ অহা ভুক্তভোগী ৰাইজে বিষয়টো সন্দৰ্ভত বিভাগীয় বিষয়াক চকু দিবলৈ আহ্বান জনায়।

# ক'ভিড পৰিস্থিতিৰ সন্মুখীন হ'বলৈ নতুন

১২ পৃষ্ঠাৰ পৰা আৰু অভিভাৱকসকলে সচেতন নোহোৱা বাবে সময়মতে কাম কৰাত খেলি-মেলি হোৱা বুলি তেওঁ কয়। সম্প্ৰতি এনেবোৰ কাম ডিজিটেল পদ্ধতি প'ৰ্টেলৰ সহায়ত সম্পন্ন কৰা হৈ আৰু প'ৰ্টেল বন্ধ হোৱাৰ পাছত এইবোৰ কাম কৰিব নোৱাৰে। সময়মতে সকলো কাম কৰিবলৈ তেওঁ সকলো পক্ষকে আহ্বান জনায়। মহাবিদ্যালয়খনৰ কাউন্সেলিং আৰু গাইডেঞ্চ কোষৰ সম্পাদক দিগন্ত কুমাৰ কাকতিয়ে নিবনুৱা সমস্যা সমাধানত বৰ্তমান ফ্ৰিলেঞ্চ কামবোৰে বহুতো অৰিহণা যোগোৱাৰ কথা চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশৰ সফলতাৰ উদাহৰণ দাঙি ধৰে আৰু ঘৰে থাকিও কম্পিউটাৰ আৰু ইন্টাৰনেটৰ সহায়ত দেশ-বিদেশৰ বহুতো কাম কৰি টকা উপাৰ্যন কৰিব পাৰি সেই বিষয়ে ব্যাখ্যা কৰে। উত্তৰ লখিমপুৰ মহাবিদ্যালয়ৰ প্লেচমেন্ট কোষৰ দায়িত্বত থকা হেমন্ত গগৈয়ে সমল ব্যক্তিৰূপে উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক ধেমাজিৰ গোগামুখ মহাবিদ্যালয়ত অহা-যোৱাৰ বাবে হোৱা অসুবিধাবোৰ ব্যাখ্যা কৰে। অনুষ্ঠানটোত উপস্থিত থাকে গোগামুখ ৰিজলিউচন একাডেমীৰ মেনেজিং ডাইৰেক্টৰ শচীন্দ্ৰ দলে, মহাবিদ্যালয়খনৰ সহযোগী অধ্যাপক দীনমোহন দলে আদিয়ে। অনুষ্ঠানটোত গোগামুখ মহাবিদ্যালয়ৰ উপাধ্যক্ষ মুখেশ্বৰ চুতীয়াই সকলোকে নিজৰ লক্ষ্যত উপনীত হ'বলৈ কঁকালত টঙালি বান্ধি আগবাঢ়িবলৈ আহ্বান জনায়।

# মাজুলী মহাবিদ্যালয়ত গ্ৰন্থমেলাৰ গ্ৰন্থ

১২ পৃষ্ঠাৰ পৰা ইয়াৰ পাছতেই অন্য এজন আলোচক তথা মাজুলীৰ এজন সুসন্তান, গ্ৰন্থবন্ধু ড° ভাস্কৰজ্যোতি বৰুৱাই গ্ৰন্থ অধ্যয়নৰ প্ৰসাৰতা বৃদ্ধিৰ ক্ষেত্ৰত নিজা অভিজ্ঞতা ব্যক্ত কৰে। তুলনামূলকভাৱে পিছপৰা অঞ্চলসমূহত জ্ঞানজ্যোতি নামৰ পুথিভঁৰাল স্থাপনেৰে অধ্যয়নৰ দিশত এক বিপ্লৱ সূচনা কৰা ড° বৰুৱাই এই গ্ৰন্থ বিপ্লৱত বৌদ্ধিক সমাজৰ প্ৰত্যক্ষ অংশগ্ৰহণৰ সপক্ষে মত পোষণ কৰে । মাজুলী মহাবিদ্যালয়ৰ 'কেশৱৰাম বৰা প্ৰেক্ষাগৃহ'ত অনুষ্ঠিত উক্ত আলোচনাখনৰ আঁত ধৰে গ্ৰন্থমেলাৰ সমন্বয়ক তথা অধ্যাপক তুলসী ৰাজখোৱাই। উল্লেখ্য যে আলোচনাচক্ৰখনৰ পূৰ্বে পুৱাৰ ভাগত গ্ৰন্থমেলাৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা ৰচনা প্ৰতিযোগিতা উদ্বোধন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই। বতৰৰ প্ৰতিকূলতাৰ সত্ত্বেও শতাধিক ছাত্ৰ-ছাত্ৰীয়ে এই প্ৰতিযোগিতাখনত যোগদান কৰি সকলোকে উৎসাহিত কৰি তোলে। বিয়লি ভাগলৈ মাজুলী জিলা লেখিকা সমাৰোহ সমিতিৰ সৌজন্য এখন গ্ৰন্থ উন্মোচনী সভা আৰু আলোচনাচক্ৰ অনুষ্ঠিত হয়। সভাত লেখিকা সুৰ শইকীয়া হাজৰিকাৰ শিশু গ্ৰন্থ 'জ্ঞানৰ সমুচিত জানো আহা' আৰু মিনতি শইকীয়াৰ 'লক ডাউনৰ জোনাক' উন্মোচন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়া আৰু জয়ন্ত হাজৰিকাই। লগতে লখিমী শইকীয়া বৰাৰ শিশু উপন্যাস 'ঐ..' উন্মোচন কৰে চিকিৎসক ডাঃ জ্যোনিতা দাসে। মিনতি শইকীয়াৰ সঞ্চালনাত আয়োজিত হোৱা নৱ প্ৰজন্মৰ লেখিকাৰ আলোচনাচক্ৰত আলোচক হিচাপে অংশগ্ৰহণ কৰে লখিমী বৰা শইকীয়া, কুঁকি কল্পিতা বৰা, মুনমী দত্ত হাজৰিকা, মণিকা মহন্ত গোস্বামী, প্ৰণতি হাজৰিকা আদিয়ে। সভাত মাজুলীৰ কে'বাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকি সৌষ্ঠৱ বৃদ্ধি কৰে ।

# টিহু কেন্দ্ৰীয় ৰঙালী বিহু উদ্‌যাপনৰ

১২ পৃষ্ঠাৰ পৰা কৰিব টিহু সৰ্বেশ্বৰ দাস জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ নৃপেন্দ্ৰ নাথ কলিতাই। উক্ত অনুষ্ঠানত বৃক্ষৰোপণ কৰিব টিহু পৌৰসভাৰ নৱ নিৰ্বাচিত ১০ গৰাকী ৱাৰ্ড কমিছনাৰে। ১৫ এপ্ৰিলৰ পুৱা অনুষ্ঠিত হ'ব 'ডাঃ যতীন শৰ্মা সোঁৱৰণী' খেল-ধেমালি প্ৰতিযোগিতা, 'বিভূতি ভূষণ তালুকদাৰ সোঁৱৰণী' সাহিত্য প্ৰতিযোগিতা আৰু ভেশচন প্ৰতিযোগিতা। দুপৰীয়া টিহুৰ প্ৰবীণ সমাজকৰ্মী তথা জ্যেষ্ঠ নাগৰিক ক্ৰমে দশৰথ পাঠক, জ্যোতিষ ডেকা, গোপাল কলিতা, ভগৱান কলিতা, মদন চন্দ্ৰ কলিতা, দীনেশ দাস, শিৱ ঠাকুৰীয়া, লোহিত কলিতা, লতিকা চৌধুৰী, সনাতন দাস আৰু দেৱযানী তালুকদাৰক নিজ নিজ বাসগৃহত সম্বৰ্ধনা জনোৱা হ'ব। ২০ এপ্ৰিলত বিয়লি ছহিদ হিমাংশু তামুলীৰ সোঁৱৰণত অনুষ্ঠিত হ'ব সদৌ অসম ভিত্তিত কবিতা আবৃত্তি প্ৰতিযোগিতা। ইয়াৰ পাছতে বিশিষ্ট সমাজকৰ্মী কৰুণা কলিতাই মুকলি কৰিব সদৌ অসম ভিত্তিত প্ৰাইজমানি মুকলি বিহু আৰু বিহু কুঁৱৰী প্ৰতিযোগিতা। ২১ এপ্ৰিলত বিয়লি গুণজিৎ কলিতা সম্পাদনাত প্ৰকাশিতব্য কেন্দ্ৰীয় ৰঙালী বিহুৰ মুখপত্ৰ 'ব'হাগী' উন্মোচন কৰিব নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি ধ্ৰুৱজ্যোতি শৰ্মাই। উক্ত অনুষ্ঠানতে বিশিষ্ট গীতিকাৰ-সুৰকাৰ-কণ্ঠশিল্পী হেমন্ত তালুকদাৰৰ দৃশ্য-শ্ৰব্য কেছেট 'মৃত্যু বিজয়িনী পৰিমীতা' উন্মোচন কাৰ হ'ব। সন্ধিয়া পঞ্চায়ত আৰু প্ৰামোন্নয়ন, খাদ্য আৰু অসামৰিক যোগান আদি বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱা, অসম ৰাজ্যিক চলচ্চিত্ৰ উন্নয়ন নিগমৰ অধ্যক্ষ সীমান্ত শেখৰ আৰু বৰমা সমষ্টিৰ বিধায়ক ভূপেন বড়োক সম্বৰ্ধনা জনোৱা হ'ব। ইয়াৰ পাছতে বিশিষ্ট কণ্ঠ শিল্পী দীক্ষু আৰু ইউৰেকাই সংগীত পৰিৱেশন কৰিব লগা সাংস্কৃতিক অনুষ্ঠান মুকলি কৰিব বিশিষ্ট অভিনেত্ৰী আঙুৰলতা ডেকাই। অভিনেত্ৰী প্ৰীতি কংকনা উপস্থিত থাকিব লগা উক্ত অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰিব উপ-কৰ আয়ুক্ত অঞ্জুৰাণী দাসে।

# নৱগঠিত নাজিৰা-শিমলুগুৰি পৌৰসভাৰ

১২ পৃষ্ঠাৰ পৰা ৱাৰ্ড কমিছনাৰসকলে নগৰখনৰ বিভিন্ন সমস্যা আৰু বিষয়ৰ ওপৰত মত বিনিময় কৰে। মূলতঃ তেওঁলোকে শেহতীয়াভাৱে নেৰানেপেৰাকৈ হৈ থকা বৰষুণৰ বাবে বাট-পথত জমা হোৱা বৰষুণৰ পানীৰ বাবে ৰাইজে ভুগি থকা দুৰ্ভোগ আৰু এই সমস্যা সমাধানৰ পন্থাসমূহৰ বিষয়ে আলোচনা কৰা হয়। উক্ত আলোচনাত নগৰখনৰ বিভিন্ন সমস্যা সমাধানৰ ক্ষেত্ৰত নগৰবাসীৰ লগতে স্থানীয় সংবাদসেৱীসকলৰ সহযোগিতা কামনা কৰে। আজিৰ সভাতে সৰ্বসন্মতিক্ৰমে নাজিৰা পৌৰসভাৰ ১০ নম্বৰ ৱাৰ্ডৰ ৱাৰ্ড কমিছনাৰ বৰ্ণালী চেতিয়াক সভানেত্ৰী আৰু চাৰি নম্বৰ ৱাৰ্ডৰ ৱাৰ্ড কমিছনাৰ নাচিমুদ্দিন আহমেদক উপ-পৌৰপতিৰূপে নিৰ্বাচন কৰা হয়। লগতে শিমলুগুৰি পৌৰসভাৰ ন নম্বৰ ৱাৰ্ডৰ ৱাৰ্ড কমিছনাৰ কবিতা মেচক সভানেত্ৰী আৰু আঠ নম্বৰ ৱাৰ্ডৰ ৱাৰ্ড কমিছনাৰ ক্ষীৰোদ সেনচোৱাক উপ- পৌৰপতিৰূপে নিৰ্বাচন কৰা হয়।

সভাত বিজেপিৰ সভাপতি ময়ূৰ বৰগোহাঞিয়ে কয় যে সংসদ, 'বিধানসভা আৰু পৌৰসভা এই তিনিখলপীয়া ব্যৱস্থাৰ প্ৰতিটো শাখাই সমন্বয়েৰে কাম কৰিলেহে সামগ্ৰিক প্ৰগতি সম্ভৱ। প্ৰত্যেকজন সদস্যক তেওঁ ৰাজনীতি পাহৰি জাতি-ধৰ্ম-নিৰ্বিশেষে সমাজনীতি কৰিবলৈ অনুৰোধ জনায়। লগতে তেওঁ নাজিৰা মহকুমাৰ প্ৰত্যেকটো সমস্যা সেৱাৰ মনোভাৱেৰে সমাধান কৰি আগবাঢ়ি যাবলৈ সদস্যসকলক আহ্বান জনায়। নাজিৰা মহকুমাৰ মহকুমাধিপতিয়ে দুয়োখন পৌৰসভাৰ বৈঠক একেখন মঞ্চতে অনুষ্ঠিত কৰাৰ বাবে তেওঁ শলাগ লয় আৰু এনে মঞ্চই দুয়োখন পৌৰসভাৰ মাজত প্ৰতিযোগিতামূলক পৰিৱেশ গঢ়ি তুলিব বুলি তেওঁ মত প্ৰকাশ কৰে। লগতে তেওঁ সকলো নৱ নিৰ্বাচিত সদ্যসক উৎসাহ জনাই কয়, 'আমি অহা পাঁচ বছৰৰ ঠাইত, ৫০ বছৰৰ পৰিকল্পনা লৈ আগবাঢ়ি কাম কৰা উচিত।' 'নাজিৰা মহকুমাৰ মহকুমাধিপাতি সব্যসাচী কাশ্যপে নিজৰ ভাষণ প্ৰসংগত প্ৰথমে পৌৰসভাৰ নৱনিৰ্বাচিত সদস্যসকলক অভিনন্দন জ্ঞাপন কৰি ৰাইজৰ আশীৰ্বাদ আৰু আস্থা শিৰত লৈ আগবাঢ়ি যাবলৈ আহ্বান জনায়। প্ৰত্যেকটো গঠনমূলক কাৰ্যত নাজিৰা মহকুমা প্ৰশাসনে নাজিৰা আৰু শিমলুগুৰি পৌৰসভাক সহায় কৰি যাব বুলি তেওঁ আশ্বাস প্ৰদান কৰে। লগতে তেওঁ প্ৰত্যেক গৰাকী ৱাৰ্ড কমিছনাৰক সামগ্ৰিকভাৱে বিশ্লেষণ কৰি চৰকাৰী পুঁজিৰ সদ্ব্যৱহাৰ কৰিবলৈ আৰু কৰ সংগ্ৰহ কৰা ব্যৱস্থাটোৰ প্ৰতি গুৰুত্ব প্ৰদান কৰি উপাৰ্জন বৃদ্ধি হোৱাৰ লক্ষ্যৰে নিজকে নিয়োজিত কৰিবলৈ অনুৰোধ জনায়।

উক্ত সভাত নাজিৰা আৰু শিমলুগুৰি পৌৰসভাৰ কাৰ্যবাহী বিষয়াসকল, মহকুমা প্ৰশাসনৰ বিষয়া কৰ্মচাৰীসকল, বিভিন্ন ৰাজনৈতিক দলৰ নেতা-কৰ্মীসকল আৰু সাংবাদিকৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি তথা ৰাইজ উপস্থিত আছিল।

# মৰাণত জনজীৱন বিপন্ন কৰিছে বৰষুণে

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ৭ এপ্ৰিল ঃ** যোৱা কে'বাদিনো ধৰি নেৰা-নেপেৰা বৰষুণে ৰাজ্যখনৰ লগত মৰাণতো জনজীৱন বিপন্ন কৰিছে। বোকা, পানীৰে ওপচি পৰা নগৰখনত বহু ঠাইত কৃত্ৰিম বানৰো সৃষ্টি হৈছে। চৰাইদেউ জিলাৰ অন্তৰ্গত মৰাণ অঞ্চলত কিছুদিন ধৰি পথৰ কাষত নলা আৰু পদপথ নিৰ্মাণ কৰি থকা কাৰ্যই নগৰবাসীৰ কাৰণে ভূতৰ ওপৰত দানহ পৰা অৱস্থাৰ সৃষ্টি হৈছে। ছফুট, সাতফুট বহল আৰু দকৈ খন্দা নলাৰ মাটিৰে বোকাময় কৰি তোলাৰ লগতে নলাৰ ওপৰত নিৰ্মাণ কৰা পদপথ ৰাইজক জ্বলা-কলা খুৱাইছে। যান-বাহনতো দূৰৰে কথা খোজ কাঢ়ি পাৰ হ'বলৈ সমস্যা হৈছে। ঠিকাদাৰে কাম লেহেমীয়া কৰা বুলি ৰাইজে অভিযোগ উত্থাপিত কৰিছে। বিহুৰ আগতে যদি পদপথত উঠিবলৈ মাটি পূৰাই নিদিয়ে বহু ৰাইজ বিহুৰ বতৰত গৃহবন্দী হৈ থাকিব লাগিব।

# বিশ্ব স্বাস্থ্য দিৱসত ঘগ্ৰাপাৰত ৰোগীৰ মাজত ফল-মূল বিতৰণ

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ৭ এপ্ৰিল ঃ** নলবাৰী জিলা বিজেপিৰ অন্তৰ্গত বড়িগোগ বনভাগ মণ্ডল (ঘগ্ৰাপাৰ) সমিতিৰ উদ্যোগত আজি বিশ্ব স্বাস্থ্য দিৱস উপলক্ষে ঘগ্ৰাপাৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ৰোগীসকলৰ মাজত ফলমূল বিতৰণ কৰা হয়। বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সভাপতি ডিম্বেশ্বৰ বেজবৰুৱাৰ নেতৃত্বত বিজেপিৰ ৪২ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ স'তে সংগতি ৰাখি ঘগ্ৰাপাৰ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত চিকিৎসালয়খনলৈ অহা শতাধিক ৰোগীৰ মাজত কল, আপেল, আঙুৰ আদি পুষ্টিকৰ ফল বিতৰণ কৰা হয়। উক্ত অনুষ্ঠানত নলবাৰী মহিলা মৰ্চাৰ সভানেত্ৰী মাধৱী ৰাজবংশী, মণ্ডল মহিলা মৰ্চাৰ সভানেত্ৰী মণিকা ভৰালী, বড়িগোগ বনভাগ মণ্ডল যুৱ মৰ্চাৰ সভাপতি হৰেশ্বৰ দাস, ঘগ্ৰাপাৰ জিলা পৰিষদৰ সদস্য পংকজ ডেকা, মণ্ডল বিজেপিৰ সাধাৰণ সম্পাদক মনোজ ডেকা, সম্পাদক শ্যামন্ত শৰ্মা, বুবুল দাস আদিয়ে অংশগ্ৰহণ কৰে।

# চৰাইদেউ জিলাৰ ১১১ খন বিহু সমিতিলৈ চৰকাৰী অনুদান বিতৰণ

**অগ্ৰদূত বাৰ্তা**

**সোণাৰি, ৭ এপ্ৰিল ঃ** অসম চৰকাৰে ৰাজ্যখনৰ ১০ বছৰীয়া পুৰণি বিহু সন্মিলন সমিতিক বিহু উৎসৱ আয়োজন কৰাৰ বাবে অনুদান আগবঢ়োৱা আঁচনিত চৰাইদেউ জিলাৰ ১১ খন বিহু সমিতিয়ে এই অনুদান লাভ কৰিছে। এই উপলক্ষে আজি বিহু সন্মিলন সমিতিসমূহলৈ ৰঙালী বিহু উৎসৱ আয়োজন কৰাৰ বাবে চৰকাৰী অনুদান (চেক) বিতৰণ কৰা হয়। উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত সোণাৰি সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ, উপায়ুক্ত পল বৰুৱা, আৰক্ষী অধীক্ষক সুধাকৰ সিঙৰ উপস্থিতিত ১১ খন ৰঙালী বিহু সন্মিলনৰ প্ৰত্যেকলৈ এক লাখ ৫০ হেজাৰকৈ টকাৰ চেক প্ৰদান কৰা হয়। উক্ত বৈঠকত উপায়ুক্ত পল বৰুৱাই ৰঙালী বিহু সন্মিলনৰ সভাপতি-সম্পাদক আৰু বিষয়ববীয়াসকলক চৰকাৰে দিয়া নিয়মাৱলীসমূহ মানি চলিবলৈ আহ্বান জনায়। তেওঁ অহা পহিলা ব'হাগৰ পৰা সাত ব'হাগৰ ভিতৰত বিহু উৎসৱৰ অনুষ্ঠানসমূহ সমাপ্ত কৰিবলৈ সকলোকে আহ্বান জনায়। উক্ত অনুষ্ঠানত সোণাৰি সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে ভাষণত কয় যে যোৱা দুবছৰে জিলাখনত ক'ভিড-১৯ পৰিপ্ৰেক্ষিতত বিহু উৎসৱ আয়োজন কৰা হোৱা নাছিল যদিও এইবাৰ শান্তিৰে ৰঙালী বিহুৰ উৎসৱ পালন কৰিবলৈ চৰাইদেউবাসী ৰাইজৰ প্ৰতি বিশেষভাৱে আহ্বান জনায়। উল্লেখ্য যে চৰকাৰী অনুদান লাভ কৰা বিহু সমিতি ১১ খন হ'ল ক্ৰমে- সোণাৰি ৰাজহুৱা ৰঙালী বিহু সন্মিলন, চৰাইদেউ জিলা ছাত্ৰ সন্থা ৰঙালী বিহু সন্মিলন, ভজো ৰাজহুৱা ৰঙালী বিহু সন্মিলন, লাকুৱা কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলন, বৃহত্তৰ টীয়ক ঘাট বিহু সন্মিলন সমিতি, সন্মিলিত যুৱ সমাজ, নাফুক, সাপেখাটী আঞ্চলিক ৰঙালী বিহু সমিতি, নাৰেম পথাৰ আঞ্চলিক বিহু সন্মিলন, জাপিসজিয়া সমন্বয় বিহু সমিতি, বৰহাট কে আৰ বিহু সমিতি আৰু মৰাণ আঞ্চলিক ছাত্ৰ সন্থা।

# যোৰহাটত বিশ্ব স্বাস্থ্য দিৱস পালন

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ৭ এপ্ৰিল ঃ** যোৰহাটৰ চিকিৎসালয়, স্বাস্থ্য কেন্দ্ৰ আৰু বেচৰকাৰী সংগঠনসমূহে আজি বিশ্ব স্বাস্থ্য দিৱস পালন কৰে। যোৰহাটৰ মালৌপথাৰস্থিত শ'লমৰা প্ৰাথমিক চিকিৎসালয়ত পালন কৰা বিশ্ব স্বাস্থ্য দিৱসৰ লগতে ক'ভিড সংক্ৰমণ প্ৰতিৰোধৰ বাবে কাম কৰা চিকিৎসক, নাৰ্ছ, ১৫০ কৰ্মচাৰীক একোখনকৈ প্ৰশংসা পত্ৰ প্ৰদান কৰা হয়। এইসকলে শ'লমৰা প্ৰাথমিক চিকিৎসালয়ৰ লগতে কলবাৰী, ঔৰনা, পুৰণিমাটি, গৰুমৰা, ন-বৰা, দেৱনাথ শৰ্মা, টংকেশ্বৰ শৰ্মা, কাছগৰাঁল, ঢেঁকৰগড়াত চিকিৎসা সেৱা আগবঢ়ায়। স্বাস্থ্যকৰ্মী প্ৰদীপ হাজৰিকাই আঁতধৰা সভাখন পৰিচালনা কৰে ডাঃ দিলীপ দেৱশৰ্মাই। ডাঃ ৰেখা বৰুৱা, ডাঃ প্ৰণৱ প্ৰাংগীয়ক বিশিষ্ট অতিথিৰূপে উপস্থিত থকা উক্ত সভাতে বিজেপি কৰ্মী নীৰেন শইকীয়া, কৃষ্ণ কলিতা, বিপুল চন্দ্ৰ বৰুৱা, ৰাকেশ পেগুৱে বিশ্ব স্বাস্থ্য দিৱস উপলক্ষে চিকিৎসকসকলক আদৰণি জনায়। পশ্চিম যোৰহাট সাংবাদিক সংস্থাৰ সভাপতি ৰমেন শইকীয়াই ১৯৪৮ৰ সাত এপ্ৰিলতে প্ৰতিষ্ঠা হোৱা বিশ্ব স্বাস্থ্য সন্থাৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে ১৯৫০ৰ পৰা পালন কৰি অহা বিশ্ব স্বাস্থ্য দিৱসৰ ইতিহাস সম্পৰ্কে বক্তব্যত উল্লেখ কৰে। ইয়াৰ পাছতে চিকিৎসালয়খনৰ মাহেকীয়া পৰ্যালোচনা কৰা হয়।

## গেলেকীয়ালত অংগনৱাড়ী কেন্দ্ৰৰ দুৰৱস্থা

# খুমটাইত জৰাজীৰ্ণ গৃহত চলিছে শিশু গঢ়াৰ কৰ্মশালা

**অগ্ৰদূত বাৰ্তা**

**খুমটাই, ৭ এপ্ৰিল ঃ** ৰাজ্যৰ সমাজ কল্যাণ বিভাগৰ নিৰ্লিপ্ততাৰ কাৰণেই গোলাঘাট জিলাৰ খুমটাই ৰাজহ চক্ৰৰ অন্তৰ্গত গেলেকীয়ালত ন নম্বৰ গেলেকীয়াল অংগনৱাড়ী কেন্দ্ৰটো এটা পকী গৃহৰ ফুটা টিনপাত বিপদসংকুল গৃহৰ তলতে পাঠদান কৰিব লগা হৈছে। বিগত পাঁচটা বছৰে ফুটা টিনপাত আৰু জৰাজীৰ্ণ পকী বেৰা থকা গৃহৰ মাজতেই বিপদসংকুলভাৱে শিশুসকলৰ শিশু গঢ়াৰ কৰ্মশালা চলাই আহিছে। ইফালে, যিসময়ত ৰাজ্য চৰকাৰৰ সমাজ কল্যাণ বিভাগে কণ কণ শিশুসকলৰ শাৰিৰীক আৰু মানসিক উৎকৰ্ষ সাধনৰ বাবে অংগনৱাড়ী কেন্দ্ৰ নিৰ্মাণ, পুষ্টিকৰ খাদ্য যোগানকে ধৰি বিভিন্ন আঁচনি লৈ আহিছে যদিও ন নম্বৰ গেলেকীয়াল অংগনৱাড়ী কেন্দ্ৰটোৰ জৰাজীৰ্ণ অৱস্থাই উদঙাইছে কণ-কণ ছাত্ৰ-ছাত্ৰীৰ প্ৰতি থকা বিভাগটোৰ দায়বদ্ধতাৰ প্ৰকৃত স্বৰূপ। উল্লেখ্য যে এই অংগনৱাড়ী কেন্দ্ৰটো গৃহটো পকী যদিও ইয়াৰ পকী দেৱালসমূহত সৃষ্টি হৈছে বৃহৎ বৃহৎ ফাঁট। যাৰ বাবে এজাক সামান্য বতাহ-বৰষুণ দিলেই কেন্দ্ৰটোলৈ অভিভাৱকসকলে কণ কণ ছাত্ৰ-ছাত্ৰীসকলক পঠিয়াবলৈ ভয় কৰে। ইফালে, বিদ্যালয় চলি থকা মাজতেই বৰষুণ দিলে ছাতি জাপি লৈ ছাত্ৰ-ছাত্ৰীসকলে গ্ৰহণ কৰিব লাগে জীৱনৰ আদিপাঠ। ইফালে, ছাত্ৰ-ছাত্ৰীসকলৰ আহাৰ তৈয়াৰ কৰিবলৈ লোৱা স্থানত কোনোমতে ফুটা টিঙৰ ওপৰত এখন টিৰপাল দি আহাৰ তৈয়াৰ কৰাৰ লগতে যাৱতীয় সামগ্ৰীও মজুত কৰিব লগা হয়। উল্লেখ যে খুমটাই সমষ্টিত বৰ্তমান সময়লৈকে সমষ্টিৰ বিধায়ক মৃণাল শইকীয়া ১১ খন অংগনৱাড়ী কেন্দ্ৰ নতুনকৈ নিৰ্মাণ কৰি মুকলি কৰিলে যদিও বৃহত্তৰ অঞ্চলটোৰ ভিতৰত সৰ্বাধিক কণ কণ ছাত্ৰ-ছাত্ৰী থকা ন নম্বৰ গেলেকীয়াল অংগনৱাড়ী কেন্দ্ৰটো নিৰ্মাণৰ বাবে কে'বা বছৰে বাৰম্বাৰ আবেদন-নিবেদনৰ পাছতো গোলাঘাট জিলা প্ৰশাসন কিম্বা সমষ্টিৰ বিধায়কজনৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হোৱা নাই।




ঢকুৱাখনাৰ শংকৰদেৱ শিশু নিকেতনৰ ৰূপালী জয়ন্তী উপলক্ষে সাংস্কৃতিক শোভাযাত্ৰা, বৃহস্পতিবাৰে।

# টেঙাখাতত যোগানমন্ত্ৰীৰ পুত্তলিকা দাহ

**অগ্ৰদূত বাৰ্তা**

**টেঙাখাত, ৭ এপ্ৰিল ঃ** অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধিৰ প্ৰতিবাদত আজি টেঙাখাত চহৰৰ ঘাইপথৰ টেঙাখাত আঞ্চলিক জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে যোগানমন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ পুত্তলিকা দাহ কৰে। পুত্তলিকা দাহ কাৰ্যসূচীত জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ প্ৰতিবাদী কৰ্মীসকলে অংশগ্ৰহণ কৰি 'মূল্যবৃদ্ধি ৰোধ কৰক', 'যোগানমন্ত্ৰী মুৰ্দাবাদ', 'অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি ৰোধ কৰক,' 'বিজেপি চৰকাৰ হায় হায়' ইত্যাদি প্ৰতিবাদী শ্ল'গান দি উত্তাল কৰে।

# দুমুনিচকী হলিমেৰী স্কুলত আলোচনাচক্ৰ সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**দুমুনিচকী, ৭ এপ্ৰিল ঃ** দৰং জিলাৰ দুমুনিচকী হলিমেৰী ইন্টাৰনেচনেল বিদ্যালয়ত আজি বাৰ্ষিক পৰীক্ষাৰ ফলাফল ঘোষণাৰ স'তে সংগতি ৰাখি অসমীয়া ভাষাৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদানৰ উদ্দেশ্যে এখনি আলোচনাচক্ৰ অনুষ্ঠিত হয়। 'অসমীয়া ভাষা টনকিয়াল কৰাৰ ক্ষেত্ৰত ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ ভূমিকা আৰু প্ৰাসংগিকতা' শীৰ্ষক উক্ত আলোচনাচক্ৰত উপস্থিত থাকে বিধায়ক ড° পৰমানন্দ ৰাজবংশী। হলিমেৰী ইন্টাৰনেচনেল বিদ্যালয়ৰ ফলাফল ঘোষণাৰ দিনটোত অনুষ্ঠিত এই আলোচনাচক্ৰত বিদ্যালয়খনৰ শিক্ষক-কৰ্মচাৰী আৰু অভিভাৱকসকেল অংশগ্ৰহণ কৰে। পুৱা ১০ বজাৰ পৰা অনুষ্ঠিত এই আলোচনাচক্ৰত বিধায়ক ৰাজবংশীয়ে শিক্ষাৰ ক্ষেত্ৰত খ্ৰীষ্টিয়ান মিছনেৰীসকলৰ অৱদান সন্দৰ্ভত আলোকপাত কৰে। অসমীয়া ভাষাটো নাজানিলে অসমীয়া সংস্কৃতি জীয়াই ৰখাটো সম্ভৱ নহয় বুলি উল্লেখ কৰি ড° ৰাজবংশীয়ে ছাত্ৰ-ছাত্ৰীসকলক মাতৃভাষাত গুৰুত্ব প্ৰদান কৰিবলৈ আহ্বান জনায়। উক্ত আলোচনাচক্ৰত ৰাষ্ট্ৰীয় পৰ্যায়ত সোণৰ পদকপ্ৰাপ্ত শিক্ষক শশাংক হাজৰিকা, অৱসৰী অধ্যক্ষ ভাৰতী দাসে বক্তব্য আগবঢ়ায়।

## পঞ্চায়তৰ উন্নয়নৰ স্বৰূপ

# এজাক বৰষুণতে বিধ্বস্ত দলগাঁৱৰ পথ



**অগ্ৰদূত বাৰ্তা**

**দলগাঁও, ৭ এপ্ৰিল ঃ** বাৰিষা আগমনৰ সময়ত এজাক বৰষুণতে দৰঙৰ দলগাঁও সমষ্টিৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত বাট-পথসমূহৰ উন্নয়নৰ ফোঁপোলা স্বৰূপ উদঙাই দিছে। পঞ্চায়তৰ অন্তৰ্গত অধিকাংশ পথসমূহেই জহি-খহি যাব ধৰাত স্থানীয় ৰাইজ ক্ষুব্ধ হৈছে। জলজীৱন মিছনৰ ঠিকাদাৰসকলে বিভিন্ন পথৰ গাঁত খান্দি থৈ দিয়াত এই পথসমূহতো বৰষুণৰ পানী জমা হৈ জহি-খহি যাব ধৰাত ৰাইজৰ যাতায়াতত সমস্যাৰ সৃষ্টি হৈছে। দৰঙৰ দলগাঁও গাঁও পঞ্চায়তৰ অন্তৰ্গত ১৫ নম্বৰ ঘাইপথৰ পৰা দলগাঁও বালিকা মধ্য ইংৰাজী বিদ্যালয় হৈ দলগাঁও আঞ্চলিক জাতীয় বিদ্যালয়লৈ যোৱা পথটো এজাক বৰষুণতে জহি- খহি গৈছে। এই পথটোৰে নিতৌ সহস্ৰাধিক ছাত্ৰ-ছাত্ৰীয়ে অহা-যোৱা কৰে। পঞ্চায়তৰ পৰা বিভিন্ন সময়ত পথটো মাটি, শিল, বালি পেলাই উন্নয়ন কৰা দেখা যায় যদিও এজাক সামান্য বৰষুণতে পথটো জহি-খহি যোৱাত বিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ লগতে স্থানীয় ৰাইজৰ যাতায়াতত হাহাকাৰ হৈ পৰিছে। বতৰ বেয়া হোৱাৰ সময়তে আকৌ জলজীৱন মিছনৰ ঠিকাদাৰে এই পথটোৰ কাষেৰে গাঁত খান্দি মাটি উঠাই দিয়াত সমস্যাই অধিক জটিল ৰূপ ধাৰণ কৰিছে। স্থানীয় ৰাইজে পথটো মেৰামতি কৰিবলৈ কয় যদিও কোনো ধৰণৰ গুৰুত্ব দিয়া নাই নিমাণকাৰী ঠিকাদাৰক। একেই অৱস্থা হৈ পৰিছে দলগাঁও পঞ্চায়তৰ অন্তৰ্গত আন কে'বাটাও পথ। দলগাঁও নগৰ প্ৰাথমিক বিদ্যালয়লৈ যোৱাৰ পথটোৰো অৱস্থা এনেদৰেই বিধ্বস্ত হৈ পৰিছে। গলন্দি গাঁও পঞ্চায়তৰ অন্তৰ্গত তিনি নম্বৰ গলন্দি গাঁৱৰ কুতুবুদ্দিনৰ ঘৰৰ পৰা ছামাদৰ ঘৰলৈ যোৱা পথটোৰো অৱস্থা শোচনীয় হোৱাৰ অভিযোগ উঠিছে।






## চেম্পিয়নছ লীগ ফুটবলৰ কোৱাৰ্টাৰ ফাইনেলৰ প্ৰথম লেগৰ মেচত বিধ্বস্ত চেলছি ঃ ভিল্লাৰিয়ালৰ

চমক

# বেনজেমাৰ হেট্ৰিকৰে ৰিয়ালৰ জয়, ব্যৰ্থ বেয়াৰ্ণ



**মাদ্ৰিদ, ৭ এপ্ৰিল ঃ** চেম্পিয়নছ লীগ ফুটবলৰ ছেমিফাইনেলত প্ৰৱেশৰ দিশে আগবাঢ়িছে স্পেনিছ ক্লাব ৰিয়াল মাদ্ৰিদ। উল্লেখ্য যে যোৱানিশা অনুষ্ঠিত হোৱা কোৱাৰ্টাৰ ফাইনেলৰ প্ৰথম লেগৰ মেচত ৰিয়াল মাদ্ৰিদে 3-1 ৰ ব্যৱধানত পৰাস্ত কৰে ইনিংছ ক্লাব চেলছিক। ৰিয়ালৰ হৈ খেলৰ 21, 24 আৰু 46 মিনিটত তিনিটা গ'ল কৰি হেট্ৰিক অৰ্জন কৰে ফৰাচী তাৰকা ষ্ট্ৰাইকাৰ কৰিম বেনজেমাই। বিপৰীতে চেলছিৰ হৈ 40 মিনিটত একমাত্ৰ গ'লটো দিয়ে হাভাৰ্টেজে। চেম্পিয়নছ লীগত এয়া বেনজেমাৰ ক্ৰমাগত দ্বিতীয় মেচত হেট্ৰিক। উল্লেখ্য যে কোৱাৰ্টাৰ ফাইনেলৰ প্ৰথম লেগৰ মেচতে ৰিয়াল মাদ্ৰিদে 3-1 ৰ ব্যৱধানত জয়ী হোৱাৰ পাছত দলৰ ছেমিফাইনেলত প্ৰৱেশ প্ৰায় নিশ্চিত হৈছে। ইয়াৰপূৰ্বে প্ৰি-কোৱাৰ্টাৰ ফাইনেলৰ দ্বিতীয় লেগৰ মেচত ৰিয়াল মাদ্ৰিদে 3-1 ৰ ব্যৱধানত পৰাস্ত কৰিছিল পি এছ জিক। উল্লেখ্য যে প্ৰি-কোৱাৰ্টাৰ ফাইনেলৰ প্ৰথম লেগৰ মেচত পি এছ জি জয়লাভ কৰি আগবাঢ়ি আছিল। ৰোমাঞ্চকৰ মেচত ফ্ৰান্সৰ ক্লাব পি এছ জিয়ে স্পেইনৰ ক্লাব ৰিয়াল মাদ্ৰিদক একমাত্ৰ গ'লত হৰুৱাইছিল। খেলৰ প্ৰথম 90 মিনিটত কোনো গ'ল নহ'ল যদিও পি এছ জিৰ তাৰকা এমবাপ্পে ইঞ্জুৰী টাইমত গ'ল কৰি দলক 1-0 ৰ বিজয় দিয়ে। অৱশ্যে পি এছ জি আৰু ৰিয়াল মাদ্ৰিদৰ কোনটো দল কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিব সেয়া প্ৰি-কোৱাৰ্টাৰ ফাইনেলৰ দ্বিতীয় লেগৰ মেচতহে নিৰ্ণয় হয়। দ্বিতীয় লেগৰ মেচতো পি এছ জিয়ে প্ৰথমে গ'ল কৰিছিল। দলক অগ্ৰগতি দিয়ে তাৰকা এমবাপ্পে। কিন্তু পি এছ জিয়ে সামগ্ৰীকভাবে 2-0 ৰ ব্যৱধানত অগ্ৰগতি লয় যদিও দ্বিতীয়াৰ্ধত ৰিয়ালৰ ফৰাচী তাৰকা কৰিম বেনজেমাই তিনিটা গ'ল কৰি হেট্ৰিক অৰ্জনৰে দলক মেচত 3-1 ৰ ব্যৱধানত বিজয় কৰোৱাৰ লগতে সামগ্ৰিকভাবে 3-2 ৰ ব্যৱধানেৰে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰোৱায়। ইফালে, যোৱানিশা হোৱা আন এখন কোৱাৰ্টাৰ ফাইনেলৰ প্ৰথম লেগৰ মেচত স্পেনিছ ক্লাব ভিল্লাৰিয়ালে একমাত্ৰ গ'লত পৰাস্ত কৰে জাৰ্মানীৰ ক্লাব বেয়াৰ্ণ মিউনিখক। উল্লেখ্য যে ৰবাৰ্ট লেৱাণ্ডোস্কিৰ হেট্ৰিকৰে বেয়াৰ্ণে সামগ্ৰিকভাবে 8-2 গ'লৰ ব্যৱধানত ছালজবাৰ্গৰ বিৰুদ্ধে জয়লাভ কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছিল। কিন্তু যোৱানিশাৰ বেয়াৰ্ণৰ খেলে হতাশ কৰে সমৰ্থকক। অৱশ্যে দলে দ্বিতীয় লেগৰ মেচত সুযোগ পাব।



## প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতাৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**
**বেবেজীয়া,৭ এপ্ৰিল ঃ** নগাঁও জিলাৰ বেবেজীয়াৰ দাঁতিকাষৰীয়া ঘাঁহী চাৰিআলিৰ সমীপৰ অস্থায়ী খেলপথাৰত ঘাঁহী ইয়ুথ ক্লাবৰ উদ্যোগত অহা 10,11 আৰু 12 এপ্ৰিলত তিনিদিনীয়াকৈ সদৌ অসম ভিত্তিত এখনি প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। আয়োজক সমিতিৰ সভাপতি হিৰণ্য কুমাৰ দাস আৰু সম্পাদক মৌচম শৰ্মাই জনোৱামতে প্ৰতিযোগিতাৰ চেম্পিয়ন দলক ট্ৰফীৰ লগতে নগদ সাত হাজাৰ টকা আৰু ফাইনেলিষ্ট দলক ট্ৰফীৰ লগতে নগদ পাঁচ হাজাৰ টকা পুৰস্কাৰ হিচাপে প্ৰদান কৰাৰ উপৰি মেন অৱ দ্যা চিৰিজ আৰু মেন অৱ দ্যা মেচৰূপে বিবেচিত খেলুৱৈকো বিশেষ বঁটাৰে পুৰস্কৃত কৰা হ'ব । এই প্ৰতিযোগিতাৰ ভৰ্তি মাচুল পাঁচশ এটকা। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব বিচৰা ইচ্ছুক দলসমূহক প্ৰতিযোগিতাৰ বিষয়ে সবিশেষ জানিবৰ বাবে 70024-95141, 70029-27550, 60022-6216 নম্বৰত শীঘ্ৰে যোগাযোগ কৰিবলৈ উদ্যোক্তাসকলে অনুৰোধ জনাইছে।

## আজি দ্বিতীয় ছেমিত বিদ্যুত পৰিষদ-নগালেণ্ড পুলিচ

# ২২ বাৰৰ বাবে এ টি পি এ শ্বিল্ডৰ ফাইনেলত অইল ইণ্ডিয়া একাদশ

**ষ্টাফ ৰিপৰ্টাৰ**
**যোৰহাট ,৭ এপ্ৰিল ঃ** চলিত এ টি পি এ শিল্ড ফুটবলৰ ফাইনেলত প্ৰবেশ কৰিছে অইল ইণ্ডিয়া একাদশ দলে। উল্লেখ্য যে যোৰহাট ষ্টেডিয়ামত অনুষ্ঠিত আজিৰ প্ৰথমখন ছেমিফাইনেলত জয়লাভ কৰি 22 বাৰৰ বাবে এ টি পি এ শিল্ডৰ ফাইনেলত প্ৰবেশ কৰিছে অইল ইণ্ডিয়া একাদশ দলে । এ টি পি এ শিল্ডৰ অন্যতম ফেৰাভিট দলটোৱে অহা 10 এপ্ৰিলত ফাইনেলত অৱতীৰ্ণ হ'ব। নৈশলোকত অনুষ্ঠিত তীব্ৰ উত্তেজনাপূৰ্ণ খেলখনত অইল ইণ্ডিয়া একাদশ দলে গোৰ্খা ট্ৰেইনিঙ চেন্টাৰক 1-0 গলত পৰাজিত কৰি ফাইনেলত স্থান নিশ্চিত কৰে । আজিৰ খেলৰ আৰম্ভনিৰে পৰা গতিময় খেলপথাৰত চুটি চুটি পাছেৰে বিপক্ষৰ গলপষ্টত বাবে বাৰে আক্ৰমণ প্ৰত্যাক্ৰমণ আৰম্ভ কৰে উভয় দলে । তাৰ মাজতে অইলে অধিক অগ্ৰাসী আৰু সংঘবদ্ধ খেলেৰে গোৰ্খা ট্ৰেইনিঙ চেন্টাৰৰ ওপৰত আক্ৰমণ ৰচনা কৰে । ইটোৰ পাছত সিটো আক্ৰমণেৰে হেচা দি খেলৰ 25 মিনিটত চিৰন্দীপ মৰাণৰ গলেৰে 1-0 অগ্ৰগতি লাভ কৰে অইলে । সেই অগ্ৰগতিৰেই প্ৰথমাৰ্ধ শেষ হোৱাৰ পাছত দ্বিতীয়াৰ্ধ খেলপথাত নামি সম্পূৰ্ণ নিজৰ দখলত ৰাখি অইলৰ গলবক্সত আক্ৰমণ ৰচনা কৰে গোৰ্খা ট্ৰেইনিঙ চেন্টাৰে। কিন্তু গোৰ্খাৰ আক্ৰমণত ৰক্ষণাত্মক খেলেৰে নিজৰ দুৰ্গ ৰখাৰ বাবে যত্ন কৰে অইলে । সেয়ে অইলৰ ৰক্ষণ বিভাগৰ সুন্দৰ প্ৰদৰ্শনৰ বাবে অইলৰ বেহু ভেদ কৰিবলৈ সক্ষম নহল গোৰ্খা টুৰেইনিঙ চেন্টাৰে । উল্লেখ্য যে এ টি পি এত অইলৰ সুদীৰ্ঘ দিনৰ ৰাজত্বৰ দৰেই দৰ্শনীয় প্ৰদৰ্শনেৰে শেষ ৰক্ষা কৰিবলৈ সক্ষম হয় অইল । বিশেষকৈ অইলৰ গলৰক্ষক অৰূপ বৰুৱাই সুন্দৰ প্ৰদৰ্শনেৰে কেবাটাও নিশ্চিত গলৰ পৰা দলক ৰক্ষা কৰি ফাইনেলত উপনীত কৰোৱায় । অইলৰ চিৰন্দীপ মৰাণ খেলৰ শ্ৰেষ্ঠ খেলুৱৈ বিবেচিত হয় । খেল পৰিচালনা কৰে সুমন্ত দত্তই । লাইনত বিমান সন্দিকৈ আৰু পৱন পাঠক । কাইলৈৰ দ্বিতীয়খন ছেমিফাইনেলত অসম ৰাজ্যিক বিদ্যুত পৰিষদে নাগালেণ্ড পুলিচৰ বিপক্ষে খেলিব।



# সৰুসজাই ষ্টেডিয়ামত অনুষ্ঠিত সীমান্ত চেতনা মঞ্চ, পূৰ্বোত্তৰ শাখাৰ প্ৰথম ক্ৰীড়া মহোৎসৱৰ সফল সামৰণি

**গুৱাহাটী, ৭ এপ্ৰিল ঃ** গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত অনুষ্ঠিত হোৱা প্ৰথম সীমান্ত ক্ৰীড়া মহোৎসৱ, 2022 ৰ যোৱানিশা সফল সামৰণি পৰিছে। উল্লেখ্য যে সীমান্ত চেতনা মঞ্চ, পূৰ্বোত্তৰ শাখাই আয়োজন কৰা প্ৰথম সীমান্ত ক্ৰীড়া মহোৎসৱ, 2022 ত শ্ৰেষ্ঠ জিলাৰ সন্মান লাভ কৰে বাগ্‌সাই। আনহাতে, মানকাছাৰ জিলাই মাৰ্চপাষ্টত শ্ৰেষ্ঠ হয়। ইফালে, ছোৱালীৰ শাখাত হোৱা কাবাদী প্ৰতিযোগিতাত বাগ্‌সা চেম্পিয়ন হোৱাৰ বিপৰীতে ৰানাৰ্ছআপ হয় ধুবুৰী। আনহাতে, ল'ৰাৰ ভলীবল প্ৰতিযোগিতাত বাগ্‌সা জিলা চেম্পিয়ন হোৱাৰ বিপৰীতে ৰানাৰ্ছআপ হয় মানকাছাৰ। উল্লেখ্য যে তিনিদিনীয়া ৰাজ্যিক প্ৰতিযোগিতাখন গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত আনন্দ-উৎসাহৰ মাজেৰে সামৰণি পৰে। সৰুসজাই ক্ৰীড়া প্ৰকল্পৰ ইন্দিৰা গান্ধী এথলেটিকছ ষ্টেডিয়ামত ল'ৰা-ছোৱালী উভয় শাখাৰ এথলেটিকছ প্ৰতিযোগিতা অনুষ্ঠিত হোৱাৰ লগতে ভলীবল আৰু কাবাদী প্ৰতিযোগিতাও সমান্তৰালভাবে অনুষ্ঠিত হৈছিল। উল্লেখ্য যে সীমান্ত চেতনা মঞ্চ, পূৰ্বোত্তৰ শাখাই ৰাজ্য চৰকাৰৰ ক্ৰীড়া বিভাগৰ সহযোগত এই তিনিদিনীয়া ৰাজ্যিক প্ৰতিযোগিতাখন আয়োজন কৰিছিল। দেশৰ ভিতৰতে প্ৰথমবাৰৰ বাবে অসমত আয়োজন কৰা এই ক্ৰীড়া মহোৎসৱত তিনিবিধ খেল অন্তভুক্ত কৰা হয়। ৰাজ্যিক প্ৰতিযোগিতাখনত এইবাৰ এথলেটিকছ, কাবাদী আৰু ভলীবল অনুষ্ঠিত হয় যদিও পৰৱৰ্তী সময়ত অন্য খেলো অনুষ্ঠিত হ'ব। ল'ৰা-ছোৱালী উভয় শাখাৰ প্ৰতিযোগিতাখনৰ এথলেটিকছৰ বয়স শাখা 16 ৰ পৰা 19 বছৰ। আনহাতে, কাবাদী আৰু ভলীবলৰ বয়স শাখা হ'ল 16 ৰ পৰা 22 বছৰ। প্ৰতিযোগিতাত কোনো ৰাজ্যিক বা জিলাৰ পঞ্জিয়ন থকা খেলুৱৈয়ে অংশ লোৱা নাই। উল্লেখ্য যে অসমৰ আন্তৰ্জাতিক সীমান্তৰ 15 কিলোমিটাৰলৈ সংলগ্ন হৈ থকা মুঠ নখন জিলাৰ গ্ৰাম্যাঞ্চলৰ নৱাগত খেলুৱৈয়েহে প্ৰতিযোগিতাত অংশ লৈছিল।





আই পি এলত দ্ৰুত অৰ্ধশতক কে কে আৰৰ পাট কামিনছৰ

## বুদিৰাম চৰণৰ এশ-দুশ মিটাৰত সোণ লাভ

# ওদালগুৰি জিলাৰ ১১ টা পদক

**বিশেষ সংবাদদাতা**
**ওদালগুৰি, ৭ এপ্ৰিল ঃ** সীমান্ত চেতনা মঞ্চ পূৰ্বোত্তৰৰ উদ্যোগত গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত অনুষ্ঠিত সীমান্ত ক্ৰীড়া মহোৎসৱৰ কালি সামৰণি পৰে। মহোৎসৱখনিত অসমৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তৱৰ্তী নখন জিলা ক্ৰমে ওদালগুৰি, তামুলপুৰ, বাগ্‌সা, চিৰাং, কোকৰাঝাৰ, ধুবুৰী, কৰিমগঞ্জ, কাচাৰ আৰু মানকাছাৰৰ খেলুৱৈসকলে অংশগ্ৰহণ কৰে। মহোৎসৱখনিৰ অন্তত ঘোষণা কৰা বিভিন্ন প্ৰতিযোগিতাৰ ফলাফল অনুসৰি 11 পদক লাভ কৰি তৃতীয় স্থান লাভ কৰে ওদালগুৰি জিলাই। ইয়াৰে ভিতৰত চাৰিটা সোণ, দুটা ৰূপ আৰু পাঁচটা ব্ৰঞ্জৰ পদক লাভ কৰে ওদালগুৰিৰ খেলুৱৈসকলে। উল্লেখ্য যে ওদালগুৰিৰ বুদিৰাম চৰেণে এশ আৰু দুশ মিটাৰ দৌৰত দুটাকৈ সোণৰ পদক লাভ কৰে। আনহাতে, ডিচকাছ থ্ৰ'ত ছোৱালীৰ শাখাত সোণৰ পদক লাভ কৰে ছোনিয়া ৰাভাই। লংজাম্পত ল'ৰাৰ শাখাত সোণৰ পদক লাভ কৰে বলোৰাম নাৰ্জাৰীয়ে। ছোৱালীৰ হাইজাম্পত ৰূপৰ পদক লাভ কৰে কাঞ্চন চেত্ৰীয়ে আৰু ল'ৰাৰ দুশ মিটাৰ দৌৰত ৰূপৰ পদক লাভ কৰে বাৰ্ণাহিন চাংমাই। শ্বটফুটত ব্ৰঞ্জৰ পদক লাভ কৰে সুমন নায়ক, ছোনিয়া ৰাভাই। জেভলিন থ্ৰ'ত ইন্দ্ৰবাহাদুৰ তিৱাৰী, হাইজাম্পত তীৰ্থজ্যোতি পাঠক, চাৰিশ মিটাৰ দৌৰত জেডিদা চাংমা, সুশিলা বড়ো, ৰিতু ৰায় আৰু সংগীতা বড়োৱে ব্ৰঞ্জৰ পদক লাভ কৰে।



# যোৰহাট জিলা ক্ৰীড়া সন্থাৰ শতবাৰ্ষিকী উপলক্ষে মাৰাথন

**ষ্টাফ ৰিপৰ্টাৰ**
**যোৰহাট ,৭ এপ্ৰিল ঃ** যোৰহাট জিলা ক্ৰীড়া সন্থাৰ শতবাৰ্ষিকীৰ লগত সংগতি ৰাখি 10 এপ্ৰিলত 1.5 লাখ টকাৰ প্ৰাইজমানি মুকলি মাৰাথন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। সকলো ভাৰতীয় নাগৰিকৰ কাৰণে মুকলি ৰখা আকৰ্ষণীয় প্ৰতিযোগিতাক ইতিমধ্যে অসম অলিম্পিক সন্থা আৰু অসম এথলেটিক সন্থাই স্বীকৃতি প্ৰদান কৰিছে। যোৰহাট জিলা ক্ৰীড়া সন্থাৰৰ সভাপতি শান্তনু পূজাৰীয়ে জনোৱা মতে 10 এপ্ৰিলৰ পুৱা পাঁচ বজাত জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰৰ পৰা আৰম্ভণি হ'বলগীয়া পুৰুষৰ সম্পূৰ্ণ মাৰাথন আৰু মহিলাৰ হাফ মাৰাথন (12 কিলক্সমিটাৰ) ফ্লেগ অফ কৰিব অসম অলিম্পিক সন্থাৰ সাধাৰণ সম্পাদক তথা অসম ক্ৰীড়া প্ৰাধিকৰণৰ উপ-সভাপতি লক্ষ্য কোঁৱৰে। যোৰহাট ষ্টেডিয়ামৰ পৰা মাৰাথন পশ্চিম যোৰহাটৰ চাওলুং চ্যুকাফা সমন্বয় ক্ষেত্ৰৰ পাৰ হৈ উভতি পুনৰ ক্ৰীড়া সন্থাৰ খেলপথাৰত সমাপন হ'ব। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব অসম এথলেটিকছ সন্থাৰ সাধাৰণ সম্পাদক অশোক ভৰালী। যোগাযোগৰ কাৰণে 6003477411 আৰু 9706633379 নম্বৰ দিয়া হৈছে। আঠ এপ্ৰিল শুক্ৰবাৰে সন্ধিয়া ছয় বজাত যোগদানৰ সময়সীমা সমাপ্ত হ'ব বুলি ক্ৰীড়া সন্থাই জনাইছে।

## বামুন্দীত এথলেটিকছ

# শুৱালকুছি ক্ৰীড়া সন্থাৰ ২৬ টা পদক

**অগ্ৰদূত বাৰ্তা**
**শুৱালকুছি, ৭ এপ্ৰিল ঃ** বামুন্দী ক্ৰীড়া সন্থাৰ উদ্যোগত অলপতে অনুষ্ঠিত হোৱা কামৰূপ জিলা ভিত্তিক এথলেটিকছ প্ৰতিযোগিতাত সৰ্বমুঠ 26 টা পদক লাভেৰে শুৱালকুছি ক্ৰীড়া সন্থাই শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰে। উল্লেখ্য যে 16 আৰু 19 বছৰ অনূৰ্ধ্বৰ খেলুৱৈ সকলৰ মাজত অনুষ্ঠিত প্ৰতিযোগিতাখনত শুৱালকুছি ক্ৰীড়া সন্থাক প্ৰতিনিধিত্ব কৰি স্পৰ্টছ একাডেমী অফ শুৱালকুছিৰ খেলুৱৈসকলে 16 টা সোণ, ছটা ৰূপৰ আৰু ছটা ব্ৰঞ্জৰ পদক লাভ কৰে। খেলুৱৈসকলৰ সাফল্যৰ পিছতেই শুৱালকুছি ক্ৰীড়া সন্থাৰ লগতে শুৱালকুছিবাসী ৰাইজে খেলুৱৈসকলক শুভেচ্ছা জ্ঞাপন কৰিছে। শুৱালকুছি ক্ৰীড়া সন্থাৰ 25 জনীয়া দলটোৰ প্ৰশিক্ষক নৱজিৎ মালাকৰ আৰু মেনেজাৰদ্বয় আছিল ভাৰ্গৱ ওজা আৰু ৰূপক বৈশ্য।

## ১৮ টা পদক জয়ৰে শ্ৰেষ্ঠ জিলাৰ সন্মান লাভ বাগ্‌সাৰ

# কাবাদী-ভলীবল-এথলেটিকছত চেম্পিয়ন

**গুৱাহাটী, ৭ এপ্ৰিল ঃ** বাগ্‌সা জিলাই গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত সীমান্ত চেতনা মঞ্চ, পূৰ্বোত্তৰ শাখাই আয়োজন কৰা প্ৰথম সীমান্ত ক্ৰীড়া মহোৎসৱ, 2022 ত শ্ৰেষ্ঠ জিলাৰ সন্মান লাভ কৰিছে। দলে ছটা সোণ, আঠটা ৰূপ আৰু চাৰিটা ব্ৰঞ্জসহ মুঠ 18 টা পদক দখল কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে শ্ৰেষ্ঠ জিলাৰ সন্মান লাভ কৰি বাগ্‌সা জিলাই এক লাখ টকা তথা চেম্পিয়ন ট্ৰফী লাভ কৰিবলৈ সক্ষম হৈছে। অসমৰ আন্তৰ্জাতিক সীমান্তৰ 15 কিলোমিটাৰলৈ সংলগ্ন হৈ থকা মুঠ নখন জিলাৰ গ্ৰাম্যাঞ্চলৰ নৱাগত খেলুৱৈয়ে অংশ লোৱা প্ৰথম সীমান্ত ক্ৰীড়া মহোৎসৱ, 2022 ত অংশগ্ৰহণকাৰী নখন জিলা হ'ল ধুবুৰী, দক্ষিণ শালমাৰা, মানকাছাৰ, চিৰাং, ওদালগুৰি, তামোলপুৰ, বাগ্‌সা, কোকৰাঝাৰ, কাছাৰ আৰু কৰিমগঞ্জ। উল্লেখ্য যে বাগ্‌ছাই এথলেটিকছৰ লগতে কাবাদী আৰু ভলীবলতো চেম্পিয়ন হয়। পদক তালিকাৰ দ্বিতীয় স্থানত থাকে চিৰাং। দলে চাৰিটা সোণ আৰু পাঁচটা ৰূপসহ মুঠ নটা পদক লাভ কৰে। ওদালগুৰী জিলাই চাৰিটা সোণ, দুটা ৰূপ আৰু পাঁচটা ব্ৰঞ্জসহ মুঠ 11 টা পদক লাভ কৰি তৃতীয় হয়। উল্লেখ্য যে ৰাজ্যিক প্ৰতিযোগিতাখনৰ পূৰ্বে অংশ লোৱা নখন জিলাত অনুষ্ঠিত হৈছিল জিলা পৰ্যায়ৰ প্ৰতিযোগিতা। জিলাৰ শ্ৰেষ্ঠসকলক নিৰ্বাচন কৰি সৰুসজাই ষ্টেডিয়ামত অনুষ্ঠিত হৈছে প্ৰথম সীমান্ত ক্ৰীড়া মহোৎসৱ, 2022। উল্লেখ্য যে ৰাজ্য চৰকাৰৰ ক্ৰীড়া বিভাগে খেল আয়োজনৰ সকলো যাৱতীয় ব্যৱস্থা কৰি দিয়াৰ লগতে প্ৰতিভা চিনাক্ত কৰি ৰাজ্যিক দলত নিৰ্বাচন কৰাৰ দিশতো মূখ্য ভূমিকা লয়। উল্লেখ্য যে আন্তৰ্জাতিক সীমান্তৰ জিলাক একত্ৰিত কৰি এয়াই হৈছে দেশৰ প্ৰথম তথা একমাত্ৰ ৰাজ্যিক ক্ৰীড়া প্ৰতিযোগিতা।



# ৰহাত মহিলা হকীৰ প্ৰশিক্ষণ শিবিৰ আৰম্ভ



**অগ্ৰদূত বাৰ্তা**
**বেবেজীয়া,৭ এপ্ৰিল ঃ** নগাঁও জিলাৰ ৰহাৰ সুকল্প মেমক্সৰিয়েল ছিনিয়ৰ ছেকেণ্ডেৰী স্কুলত অসম হকী আৰু অসম অলিম্পিক সন্থাৰ যৌথ উদ্যোগত তথা প্ৰাঞ্জল মেমক্সৰিয়েল একাডেমীৰ সহযোগত আজিৰে পৰা এক পোন্ধৰদিনীয়া মহিলা হকী প্ৰশিক্ষণ শিবিৰ আৰম্ভ হৈছে। দুকুৰিৰো অধিক খেলুৱৈয়ে ভাগ লোৱা এই শিবিৰটো আজি বিয়লি অসম ঔদ্যোগিক আন্তঃগাঁথনি উন্নয়ন নিগমৰ উপাধ্যক্ষ তথা বিশিষ্ট সমাজ সংগঠক বিষ্ণু দাসে আনুষ্ঠানিকভাৱে মুকলি কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত হকী ইণ্ডিয়াৰ কোষাধ্যক্ষ তথা অসম হকীৰ সম্পাদক তপন কুমাৰ দাস,প্ৰাঞ্জল মেমক্সৰিয়েল একাডেমীৰ পৰিচালক প্ৰভাত চন্দ্ৰ ভূএঁা,বিশিষ্ট ক্ৰীড়া সংগঠক প্ৰভাত চন্দ্ৰ বৰা,সত্যজিৎ বৰা,সমীৰ হাজৰিকা,পৰমা নাথ,প্ৰবীন শিক্ষাবিদ যতীন্দ্ৰ কুমাৰ পাৰৈ, জ্যেষ্ঠ সাংবাদিক বুলন চন্দ্ৰ নাথ,ৰাজ্যিক খেলুৱৈ সঞ্জয় কাকতি আদি উপস্থিত থাকে। আন্তঃৰাষ্ট্ৰীয় হকী খেলুৱৈ সাক্ষী পানৰাৰ প্ৰশিক্ষকৰূপে থকা এই শিবিৰটো বিশেষভাৱে গ্ৰামাঞ্চলৰ উদীয়মান মহিলা হকী খেলুৱৈসকলৰ প্ৰতিভা বিকাশৰ বাবেই লোৱা হৈছে বুলি হকী খেলৰ বিশিষ্ট সংগঠক তপন কুমাৰ দাসে ভাষণ প্ৰসঙ্গত উল্লেখ কৰে।

## ৰাষ্ট্ৰীয় যোগাসন ক্ৰীড়াত অসমৰ ৰেফাৰীৰ সাফল্য

**অগ্ৰদূত বাৰ্তা, বেবেজীয়া,৭ এপ্ৰিল ঃ** অন্ধ্ৰপ্ৰদেশত অনুষ্ঠিত হোৱা সদ্যসমাপ্ত 46 সংখ্যক ৰাষ্ট্ৰীয় ছিনিয়ৰ যোগাসন ক্ৰীড়া প্ৰতিযোগিতাৰ সৈতে ৰজিতা খুৱাই অনুষ্ঠিত ৰাষ্ট্ৰীয় যোগ ৰেফাৰী পৰীক্ষাত অসমৰ পৰা দহগৰাকী যোগ ক্ৰীড়াৰ ৰেফাৰীয়ে সুখ্যাতিৰে সফলতা লাভ কৰিছে। অসম যোগ সংস্থাৰ সাধাৰণসম্পাদক তথা যোগ গুৰু প্ৰভাত চন্দ্ৰ বৰাই জনোৱা মতে অসমৰ পৰা যোগাসন ক্ৰীড়াৰ ৰাষ্ট্ৰীয় ৰেফাৰীৰূপে উত্তীৰ্ণ ৰেফাৰীকেইগৰাকী হ'ল- নগাঁৱৰ বিচিত্ৰ ৰঞ্জন বৰা,লিলি সন্দিকৈ,দুৰ্বাশা চাহু, সংগীতা শইকীয়া,দিগন্ত বৰা,কামৰূপ গ্ৰাম্যৰ মণিময় দাস, শোণিতপুৰৰ নমিতা লহকৰ, চিন্ময়ী কাকতি,দৰঙৰ ভাৰ্গৱ কলিতা আৰু সুমন ৰাজবংশী। অসমৰ এই যোগ ক্ৰীড়াৰ ৰেফাৰীকেইগৰাকীৰ সাফল্যত অসম যোগ সংস্থাৰ অধ্যক্ষ ডাঃ কৃষ্ণ কুমাৰ বৰা,সভাপতি তপন কুমাৰ দাস, কোষাধ্যক্ষ মঞ্জুলা লস্কৰ,যুটীয়া সম্পাদক সমীৰ হাজৰিকা আৰু কাৰিকৰী সঞ্চালক চিত্তৰঞ্জন বৰাই শুভেচ্ছা জনাইছে।

## অসম ভিত্তিত প্ৰাইজমানি মাৰাথন দৌৰ

**অগ্ৰদূত বাৰ্তা**
**শুৱালকুছি, ৭ এপ্ৰিল ঃ** কামৰূপ জিলাৰ হালোগাওঁ অসম ভিত্তিত অনুষ্ঠিত হ'ব মাৰাথন দৌৰ প্ৰতিযোগিতা ।ৰঙালী বিহু উপলক্ষে হালোগাওঁ সেৱক সংঘ আৰু পুথিভঁড়ালে দুই বহাগত আয়োজন কৰা মাৰাথন দৌৰৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ ক্ৰমে 7000 টকা, টকা, আৰু 4000 টকা । ইয়াৰোপৰি দৌৰ সম্পূৰ্ণ কৰা সকলকো নগদ ধনৰে পুৰস্কৃত কৰা হ'ব ।ইচ্ছুক প্ৰতিযোগীক 75768 53977 অথবা 78963 83911 নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোক্তা সকলে আহ্বান জনাইছে । উল্লেখ্য যে ,অংশ গ্ৰহণকাৰী প্ৰতিযোগী সকলে এক বহাগৰ আবেলি হালোগাওঁ উপস্থিত হ'ব লাগিব।

## বিলাসনন্দন চ'ৰা



## গুণতান্ত্ৰিক দেশ

**ৰাজসভা** চলি আছে দিল্লীৰ দৰবাৰত। বহু দৰকাৰী দৰকাৰী কথা ৰাজসভাত আলোচনা হৈ আছে। শ্ৰীলংকাক লৈও আলোচনা চলিছে। শ্ৰীলংকাত বস্তুৰ দাম বাঢ়ি এনে ভয় লগা চিটুৰেছন কিয় হ'ল, তাকে লৈ বহুলভাৱে আলোচনা-বিলোচনা চলিল। এগিলাছ গাখীৰত দুহেজাৰ টকা, এবটল পানীত তিনিশ-চাৰিশ টকা, এক লিটাৰ তেলত পাঁচশ-ছশ টকা কিয় হ'বলৈ পালে, তাকে লৈ সভাসদসকলে গভীৰভাৱে আলোচনা কৰিলে। ইয়াৰ কাৰণ জানিবলৈ চেষ্টা কৰিলে। বহু চিন্তা-চৰ্চা কৰাৰ অন্তত সভাসদসকলে সিংহাসনত বহি বেলেগ কিবা ভাবত বিভোৰ হৈ থকা বাদশ্বাহক ক'লে—'জাহাপনা, ইউৰেকা ইউৰেকা!'

: ইউৰেকা নহয়, ইউক্ৰেইন। বোমা ইউক্ৰেইনতহে পৰিছে, ইউৰেকাত পৰা নাইতো!

: নহয় জাহাপনা, ইউৰেকা দেছ নহয়তো!

: কি তেন্তে?

: ইউৰেকা মানে হ'ল পাই গ'লো।

: কি পালা?

: শ্ৰীলংকাৰ এই অৱস্থা কিয় হৈছে, তাৰ কাৰণ আমি পাই গ'লো।

: কিয় হৈছে?

: এই অৱস্থা হোৱাৰ কাৰণ এটাই।

: কিনো?

: কাৰণটো হ'ল—শ্ৰীলংকাৰ ৰাজদৰবাৰত আপুনি নাই।

: সেইটো অৱশ্যে হয়!

মূৰটো পিহি পিহি বাদশ্বাহে হাঁহিলে। এইবাৰ তেওঁ নিজে ক'বলৈ ধৰিলে—'এইবোৰ কাৰণতে গণতান্ত্ৰিক শব্দটো মোৰ একেবাৰে পছন্দ নহয়!'

: কিয় জাহাপনা?

: শব্দটোত গণ্ডগোল আছে বুজিছা!

: কি গণ্ডগোল আছে জাহাপনা?

: গণ মানে কি?

: জনগণ জাহাপনা!

: কিন্তু আমাৰ দেছ জনগণে চলায় নেকি?

: নচলায় জাহাপনা।

: তেন্তে কোনে চলায়?

: আপুনি চলায়।

: মই জনগণ নেকি?

: নহয়।

: কি মই?

: আপুনি তান্ত্ৰিক জাহাপনা।

: মই কিয় তান্ত্ৰিক?

: কাৰণ আপুনি ২০১৪ৰ পৰাই জনতাক তন্ত্ৰ-মন্ত্ৰ কৰিয়ে চলি আছে জাহাপনা!

বাদশ্বাহে বেঁকাকৈ হাঁহি এটা মাৰিলে। পুনৰ ক'লে—'গতিকে গণতান্ত্ৰিক দেশ মানে কি? সেইখনেই গণতান্ত্ৰিক দেছ, যাক জনগণ আৰু আমাৰ দৰে তান্ত্ৰিকে চলায়। হয় নে নহয়?

: হয় জাহাপনা। একদম কাৰেক্ট।

: মই ইয়াক অলপ চেঞ্জ কৰিব বিচাৰিছো। আমাৰ দেছখনক আৰু মই গণতান্ত্ৰিক কৰি নাৰাখো।

: ঠিকেই জাহাপনা!

: জনগণৰ কামেই নাই যেতিয়া মিছাতেনো কিয় ক্ৰেডিটটো দিওঁ?

: হয় জাহাপনা!

: সেই কাৰণে মই কথা এটা ভাবিছো।

: কি জাহাপনা?

: মই আৰু বৰ বেছিদিনলৈ ইণ্ডিয়াখনক গণতান্ত্ৰিক দেশ কৰি নাৰাখো।

: তেন্তে কি দেশ কৰি পেলাব জাহাপনা?

: মই গুণতান্ত্ৰিক দেছ কৰি পেলাম।




: গুণতান্ত্ৰিক দেশ মানে?

: বাদশ্বাহে বুজাই ক'লে— 'মানে এনে এখন দেছ, যাৰ মূল কামটোৱে হ'ল আমাৰ দৰে তান্ত্ৰিকৰ গুণ-গান কৰা!'

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

## চৌদিশে সুবাস-সৌন্দৰ্য বিয়পাইছে কেতেকী ফুলে

**খুমটাই, ৭ এপ্ৰিল ঃ** বসন্তৰ বতাহত সুগন্ধি বিয়পাই চৌদিশ সুবাসিত কৰি গোলাঘাট জিলাৰ খুমটাইত বুৰঞ্জীপ্ৰসিদ্ধ ধোদৰ আলিৰ কাষত এডৰা কেতেকী ফুলে এতিয়া সকলোৰে মন-প্ৰাণ মতলীয়া কৰি তুলিছে। খুমটাইৰ কেতেকীবাৰীত ফুলি থকা কেতেকী ফুলৰ শোভা আৰু সুগন্ধিয়ে প্ৰাণচঞ্চল কৰি তুলিছে বুৰঞ্জীপ্ৰসিদ্ধ আলিটোৰে যোৱা প্ৰতিজন বাটৰুৱাক। সম্প্ৰতি কেতেকী ফুলৰ সুগন্ধই সমগ্ৰ অঞ্চলটো আমোলমোলাই আছে। যাৰ বাবে অসমৰ প্ৰাকৃতিক পৰিৱেশত ক্ৰমাৎ দুষ্প্ৰাপ্য হ'বলৈ ধৰা কেতেকী ফুল চাবলৈ প্ৰতিদিনাই ধোদৰ আলিৰ কাষত অজস্ৰ লোকে ভিৰ কৰা পৰিলক্ষিত হৈছে। ইফালে, অসমৰ প্ৰকৃতিৰ পৰা ক্ৰমাৎ হেৰাই যাবলৈ ধৰা এই কেতেকী ফুল খুমটাইত আছে যদিও কেতেকীবাৰীখনত চাৰিবেৰ নথকাত গৰু-ছাগলী আদিয়ে ফুলিবলৈ ধৰা কুমলীয়া ফুলবোৰ খাই-গচকি অনিষ্ট কৰিছে।



উল্লেখ্য যে গ্ৰাম্য পৰ্যটনৰ প্ৰচুৰ সম্ভাৱনীয়তা থকা সত্বেও চৰকাৰী পক্ষই খুমটাইৰ বুৰঞ্জীপ্ৰসিদ্ধ ধোদৰ আলিৰ কাষত চৰকাৰী ভূমিত থকা কেতেকীবাৰীখন সংৰক্ষণৰ ক্ষেত্ৰত কোনো ব্যৱস্থা গ্ৰহণৰ পদক্ষেপ লোৱা নাই। চৰকাৰী পক্ষই উপযুক্ত বিধি-বিধানেৰে এই দুষ্প্ৰাপ্য কেতেকীবাৰীখন সংৰক্ষণৰ ব্যৱস্থা কৰিলে ইতিহাসসমৃদ্ধ খুমটাইখনৰ সৌন্দৰ্যবৰ্ধনৰ লগতে আৰ্থিক দিশতো টনকিয়াল হোৱাৰ সুযোগ আছে। কিয়নো এই কেতেকী ফুলৰ পৰা বিভিন্ন প্ৰকাৰৰ সুগন্ধি ঔষধি তেল আদি উৎপাদন কৰাৰ উপৰি ইয়াৰ পাতৰ পৰা অতি উৎকৃষ্টমানৰ ৰছী, কঠ, পাটী, ঢাৰি, বিচনী আদি তৈয়াৰ কৰিব পাৰি। অথচ অতি পৰিতাপৰ বিষয় যে দিনক-দিনে সংকুচিত হৈ অহা এই ভিন্ন গুণসম্পন্ন কেতেকীবাৰীখন ৰক্ষণাবেক্ষণৰ বাবে সময় থাকোতেই যদি সমষ্টিৰ বিধায়ক মৃণাল শইকীয়া কিম্বা ৰাজ্যৰ পৰ্যটন বিভাগে সৌন্দৰ্য আৰু সুগন্ধিৰ সমাহাৰ কেতেকীবাৰীখনৰ সংৰক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰে, তেন্তে ই যে গ্ৰাম্য পৰ্যটনৰ এক অন্যতম কেন্দ্ৰস্থলত পৰিণত হ'ব সেয়া নিশ্চিত।

কৰ'না ভাইৰাছৰ ধ্বংসলীলাত পৰি মানৱৰ স্বাস্থ্যৰ লগতে বিশ্বত আৰ্থিক অৱস্থাও কাহিল হৈ পৰিছে। অসংখ্যজনে নিজৰ ব্যৱসায় বন্ধ কৰিবলৈ বাধ্য হৈছে। অথচ এই অতিমাৰীয়েই নতুন ব্যৱসায়ৰ সমল যোগাইছিল এজন প্ৰৌঢ়ৰ বাবে।

## ৯০ বাৰ ক'ভিডৰ প্ৰতিষেধক ল'লে প্ৰৌঢ়ই



### বিশ্বক আৰ্থিক ব্যৱস্থাক কাহিল কৰা কৰ'নাই দিলে ব্যৱসায়ৰ সমল

**নিউজ ব্যুৰ'**
**বাৰ্লিন, ৭ এপ্ৰিল ঃ** কৰ'না ভাইৰাছৰ ধ্বংসলীলাত পৰি মানৱৰ স্বাস্থ্যৰ লগতে বিশ্বত আৰ্থিক অৱস্থাও কাহিল হৈ পৰিছে। অসংখ্যজনে নিজৰ ব্যৱসায় বন্ধ কৰিবলৈ বাধ্য হৈছে। অথচ এই অতিমাৰীয়েই নতুন ব্যৱসায়ৰ সমল যোগাইছিল এজন প্ৰৌঢ়ৰ বাবে।

অৱশ্যে এই ব্যৱসায় আৰম্ভ কৰি প্ৰৌঢ় লোকজন সম্প্ৰতি সমস্যাতো পৰিছে। ৬০ বছৰীয়া লোকজনৰ উদ্দেশ্য আছিল নিজৰ ক'ভিড প্ৰতিষেধক গ্ৰহণৰ প্ৰমাণপত্ৰৰ বেচ নম্বৰ প্ৰতিষেধক ল'বলৈ অনাগ্ৰাহী লোকক বিক্ৰী কৰি কিছু অৰ্থ উপাৰ্জন কৰা। ব্যৱসায় ভালেই চলিছিল। অৱশ্যে ধন উপাৰ্জনৰ আশাতে একেৰাহে দুদিন প্ৰতিষেধক ল'বলৈ শাৰীত থিয় দিয়াই তেওঁৰ বাবে কাল হ'ল। ধৰা পৰাৰ ফলত এতিয়া তদন্তৰ সন্মুখীন হৈছে উক্ত প্ৰৌঢ়। আশ্চৰ্যকৰ কথা যে এটা-দুটা নহয়, একেবাৰে ৯০টা পালি প্ৰতিষেধক গ্ৰহণ কৰিছিল লোকজনে। একো একোবাৰ প্ৰতিষেধকৰ বাবদ লাভ কৰা প্ৰমাণপত্ৰ বিক্ৰী কৰিয়েই তেওঁ বুজনসংখ্যক ধন উপাৰ্জন কৰিছিল।

এই ঘটনা জাৰ্মানীৰ। পূব জাৰ্মানীৰ মেগডেবাৰ্গ চহৰৰ বাসিন্দা প্ৰৌঢ়জনে বিশেষ কাম-বন নকৰে। অথচ ক'ভিডৰ প্ৰতিষেধক আৱিষ্কাৰে যেন গুপ্তধনৰহে সন্ধান দিলে। কিয়নো জাৰ্মানীসহ প্ৰথম বিশ্বৰ অধিকাংশ দেশতে প্ৰতিষেধক গ্ৰহণৰ প্ৰতি অনিচ্ছুক লোকৰ সংখ্যা প্ৰচুৰ। অথচ বিভিন্ন ক্ষেত্ৰতে এতিয়া প্ৰতিষেধক গ্ৰহণৰ প্ৰমাণপত্ৰৰ প্ৰয়োজন আহি পৰিছে। ইয়াৰ সুযোগ গ্ৰহণ কৰিয়ে লোকজনে ইটোৰ পাছত সিটোকৈ প্ৰতিষেধক গ্ৰহণ কৰি প্ৰতিখন প্ৰমাণপত্ৰৰ বেচ নম্বৰ প্ৰতিষেধক ল'বলৈ অনিচ্ছুক লোকসকলক বুজন পৰিমাণৰ ধনৰ বিনিময়ত বিক্ৰী কৰিবলৈ আৰম্ভ কৰে। ইয়াৰ বাবে তেওঁ বিভিন্ন টিকাকেন্দ্ৰত উপস্থিত হৈছিল। অৱশ্যে বিপদ হ'ল ভুলতে তেওঁ একেৰাহে একেটা টিকাকেন্দ্ৰৰ পৰাই প্ৰতিষেধক ল'বলৈ শাৰী পাতিছিল। ফলত দ্বিতীয় দিনা তেওঁক কেন্দ্ৰটোৰ কৰ্মচাৰীয়ে দেখাত তেওঁলোকৰ সন্দেহ ওপজে। তেওঁক মাতি সোধপোছ কৰা হয়। তেতিয়াহে সদৰী হয় যে ৯১সংখ্যক প্ৰতিষেধক গ্ৰহণৰ বাবে লোকজনে শাৰী পাতিছিল।

অৱশ্যে আৰক্ষীয়ে লোকজনক আটক কৰা নাই। তথাপি কঠোৰ নিৰীক্ষণত আছে। তদন্ত শেষ নোহোৱা পৰ্যন্ত লোকজনক চহৰৰ বাহিৰলৈ যোৱাত আৰক্ষীয়ে নিষিদ্ধ কৰিছে। তেওঁৰ জিম্মাৰ পৰা আৰক্ষীয়ে বহুতো প্ৰতিষেধক গ্ৰহণৰ ভুৱা কাৰ্ডো জব্দ কৰে। সংবাদ সংস্থাৰ সূত্ৰই জনোৱা মতে, জাৰ্মানীত প্ৰদান কৰা সকলো কোম্পানীৰ ক'ভিড প্ৰতিষেধকেই লোকজনে গ্ৰহণ কৰিছে।

এজন প্ৰৌঢ় লোকে তিনিবাৰৰ স্থানত ৯০ বাৰ প্ৰতিষেধক ল'লে তেওঁৰ শৰীৰত কি ধৰণৰ পাৰ্শ্বপ্ৰতিক্ৰিয়া হ'ব পাৰে, সেই কথা ভাবিয়েই এতিয়া চিকিৎসকসকল উদিগ্ন হৈ পৰিছে। অথচ এই পৰ্যন্ত কোনো ধৰণৰ শাৰীৰিক জটিলতা অবিহনেই লোকজনে দিন অতিবাহিত কৰিছে। যদিও নিজৰ ব্যৱসায় নষ্ট হোৱাত তেওঁ কিছু হতাশো হৈছে।

## নামনি মাজুলীৰ আঁহতগুৰিত তীব্ৰ খহনীয়া

**অগ্ৰদূত বাৰ্তা**
**কমলাবাৰী, ৭ এপ্ৰিল ঃ** চ'ত মহীয়া বানত দ্বিতীয় দিনাও মাজুলীৰ ফেৰী সেৱা বন্ধ ৰখা বাবে বহিঃজগতৰ লগত বিচ্ছিন্ন হৈ আছে মাজুলী। জলস্তৰ বৃদ্ধি হ'লেও বৰনৈৰ বুকুত ফেৰী চলাচল বন্ধ কৰাত জলপৰিবহণ বিভাগৰ ইতিহাসত নোহোৱা নোপোজা সিদ্ধান্তৰ বিৰুদ্ধে ৰাইজৰ মাজত ক্ষোভৰ উদগীৰণ হৈছে। আজি নৈৰ জলপৃষ্ঠ হ্ৰাস পোৱাৰ পাছতো নিমাতী পাৰত ফেৰী চপাব নোৱাৰাৰ অজুহাতত মাজুলীবাসীক পণবন্দী কৰিছে বুলি দুয়ো পাৰত আবদ্ধ যাত্ৰীসকলে ক্ষোভ প্ৰকাশ কৰে। ইফালে, বিভাগটোৱে পানী কম হোৱাৰ বাবে বন্ধ ৰখা ৰ'পে' সেৱা জলস্তৰ বৃদ্ধি পোৱাৰ পাছতো ফুলদানি কৰা বিষয়ে পৰিবহণ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰি মাজুলীবাসীক বঞ্চনা কৰি ৰ'পে' সেৱা কিয় ফুলদানি কৰি ৰাখিছে তাক স্পষ্ট কৰিবলৈ ভুক্তভোগী যাত্ৰীসকলে দাবী জনায়। আজি নিমাতী পাৰত আবদ্ধ কিছু যাত্ৰী লৈ কমলাবাৰীলৈ এখন ফেৰী আহিছে। অৱশ্য কাইলৈ ফেৰী সেৱা পুনৰ আৰম্ভ হোৱাৰ সম্ভাৱনা আছে। ইফালে, নামনি মাজুলীৰ আঁহতগুৰিত ব্ৰহ্মপুত্ৰৰ খহনীয়াই ভয়াবহৰূপ ধাৰণ কৰিছে। বিগত কে'বাবছৰো ধৰি ব্ৰহ্মপুত্ৰৰ প্ৰৱল খহনীয়াই ভয়ংকৰ ৰূপ ধাৰণ কৰি আঁহতগুৰি পঞ্চায়তৰ ৰাইটি, ভেকেলী আদি কৰি ২০খনতকৈও অধিক গাঁও নদীৰ বুকুত বিলীন হোৱাৰ আশংকা প্ৰকট হৈছে। খহনীয়াৰ ফলত বহু কৃষকৰ কলামাহ, মটৰমাহকে ধৰি কৃষি পথাৰ বিলিন হৈছে নদীৰ বুকুত। উল্লেখ্য যে ২০২১ত আঁহতগুৰিৰ ৰাইটিকে ধৰি এই স্থানৰ গাঁওসমূহ নদীৰ খহনীয়া ৰোধৰ বাবে তিনি কোটি ৪২ লাখ টকাৰ ব্যয় সাপেক্ষে পাৰ্কুপাইন দিয়াৰ কাম ২০২১তেই আৰম্ভ হৈছিল যদিও সংশ্লিষ্ট বিভাগৰ ঠিকাদাৰৰ অৱহেলাৰ বাবে অঞ্চলটোত খহনীয়াই কালৰূপ ধাৰণ কৰিছে। স্থানীয় ৰাইজৰ অভিযোগ মতে, বৰ্তমান খহনীয়া চলি থকা অঞ্চলত একো কামে নকৰাত ৰাইটি নামৰ গাঁওখনেই এতিয়া নদীৰ বুকুত জাহ যোৱাৰ উপক্ৰম হৈছে। ৰাইজে মাজুলী জিলাৰ উপায়ুক্তক এই স্পৰ্শকাতৰ অঞ্চলত চলা দুৰ্নীতিৰ নিৰপেক্ষ তদন্ত কৰি ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনায়।




অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com